www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

আমি যি পাওঁ তাৰ দ্বাৰা জীৱন নিৰ্বাহ কৰোঁ আৰু যি দিওঁ তাৰ দ্বাৰা জীৱন গঠন কৰোঁ। — উইনষ্টন চাৰ্চিল

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❒ প্ৰথম বছৰ ❒ সংখ্যা- ১৯৯ ❒ দেওবাৰ ❒ ২৪ মে', ২০২৬ চন ❒ Volume/Year- I ❒ Issue- 199 ❒ Sunday ❒ 24th May, 2026 ❒ Asom Barta, Majuli ❒ PRGI Reg. No.- ASASS/25/A2361 ❒ Price- Rs. 10 ❒ Total Page- 10

▪ থিতাতে নিহত মাজুলী পোহাৰদিয়াৰ দ্বীপজ্যোতি বৰা ▪

## লখিমপুৰৰ নাওবৈচাত দুৰ্ঘটনাগ্ৰস্ত যাত্ৰীবাহী নৈশ বাছ; নিহত এজন



### বিবাহৰ সপোন সপোন হৈয়ে ৰ'ল; হ'বলগীয়া পত্নীৰ হিয়াভঙা কান্দোনে সেমেকালে পৰিৱেশ

**অসম বাৰ্তা, উজনী মাজুলী, ২৩ মে' ঃ** নৈশ বাছৰ ভয়ংকৰ পথ দুৰ্ঘটনাত তথা সম্ভাৱনাময় যুৱকৰ কৰুণ মৃত্যুৱে পেলাইছে। এই মৰ্মান্তিক দুৰ্ঘটনাত প্ৰাণ পোহাৰদিয়া গাঁৱৰ অৱসৰপ্ৰাপ্ত শিক্ষক বছৰীয়া দ্বীপজ্যোতি বৰা। তেওঁ



গুৱাহাটী-মাজুলী অভিমুখী এখন মাজুলীৰ এগৰাকী মেধাসম্পন্ন সমগ্ৰ মাজুলীতে গভীৰ শোকৰ ছাঁ হেৰুওৱা যুৱকজন হৈছে মাজুলীৰ জীৱন বৰাৰ কনিষ্ঠ পুত্ৰ, ২৮ মাজুলীৰ সাংবাদিক ❒ ৬ পৃষ্ঠাত

❒ প্ৰতি লিটাৰ পেট্ৰ'লত ৮৭ পইচা, ডিজেলত ৯১ পইচা বৃদ্ধি ❒

## দহ দিনৰ ভিতৰতে তৃতীয়বাৰৰ বাবে পেট্ৰ'ল-ডিজেলৰ দাম বৃদ্ধি




**নিউজ ডেস্ক, অসম বাৰ্তা, ২৩ মে' ঃ** দেশবাসীৰ বাবে বেয়া বাতৰি। মধ্যপ্ৰাচ্যৰ অস্থিৰতা আৰু খাৰুৱা তেলৰ নাটনিয়ে অৱশেষত অৰ্থনীতিৰ ওপৰত প্ৰত্যক্ষ প্ৰভাৱ পেলোৱা দেখা গৈছে। বিগত ❒ ৬ পৃষ্ঠাত

এম আই আৰ ভি প্ৰযুক্তিৰ মিছাইলৰ পিছতে একে মাহতে দ্বিতীয় ডাঙৰ সাফল্য

## ওড়িশাৰ বালেশ্বৰত অগ্নিৰ মিছাইলৰ সফল উৎক্ষেপণ

❒ সফলতাৰ শিখৰত ভাৰতৰ প্ৰতিৰক্ষা ক্ষেত্ৰ ❒ কৌশলগত বল কমাণ্ডৰ তত্ত্বাৱধানত পৰীক্ষণ

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৩ মে' ঃ** ভাৰতে আকৌ এবাৰ প্ৰতিৰক্ষা ক্ষেত্ৰত এক ডাঙৰ সফলতা অৰ্জন কৰিছে। শুকুৰবাৰে ওড়িশাৰ বালেশ্বৰত থকা একীকৃত পৰীক্ষণ কেন্দ্ৰৰ (ইনটিগ্ৰেটেড টেষ্ট ৰেঞ্জ) পৰা অগ্নি-১ নামৰ কম দূৰত্বৰ বেলিষ্টিক মিছাইলটোৰ ❒ ৬ পৃষ্ঠাত

ৰাষ্ট্ৰপতি ঝিং জিনপিঙৰ শোক প্ৰকাশ আৰু তদন্তৰ নিৰ্দেশ

## চীনৰ কয়লাখনিত গেছ বিস্ফোৰণ; বৰ্তমানলৈ ৮২ জন শ্ৰমিকৰ কৰুণ মৃত্যু

**ইণ্টাৰনেছনেল ডেস্ক, অসম বাৰ্তা, ২৩ মে' ঃ** উত্তৰ চীনৰ শ্বানছি প্ৰদেশত অৱস্থিত এখন কয়লাখনিত সংঘটিত ভয়ংকৰ গেছ বিস্ফোৰণত অন্ততঃ ৮২জন শ্ৰমিকৰ মৃত্যু হৈছে। চৰকাৰী সংবাদ মাধ্যম শনিবাৰে এই তথ্য নিশ্চিত কৰে। এই দুৰ্ঘটনাক শেহতীয়া বছৰবোৰত চীনৰ অন্যতম ডাঙৰ ঔদ্যোগিক বিপৰ্যয় হিচাপে গণ্য কৰা হৈছে। শুকুৰবাৰে নিশা ৭: ২৯ ❒ ৬ পৃষ্ঠাত



## নতুন দিল্লীত বিত্তমন্ত্ৰী সীতাৰমণক সাক্ষাৎ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৩ মে' ঃ** অসমৰ সৰ্বাংগীণ বিকাশ আৰু আন্তঃগাঁথনিৰ উন্নয়নৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে তীব্ৰগতিত কাম কৰি আছে। এই যাত্ৰাত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে শনিবাৰে নতুন দিল্লীত অসমৰ মুখ্যমন্ত্ৰী ❒ ৬ পৃষ্ঠাত

❒ বন বিভাগৰ পুনৰ সুৰক্ষামূলক পৰামৰ্শ জাৰি ❒

## অৰুণাচলৰ ৰয়িং-আনিনি পথত অব্যাহত বাঘৰ বিচৰণ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ২৩ মে' ঃ** পূব অৰুণাচল প্ৰদেশৰ ল'ৱাৰ ভেলী জিলাৰ অন্তৰ্গত ৰয়িং-আনিনি পথত বাঘৰ বিচৰণ অব্যাহত আছে। জিলাখনৰ ৰয়িঙৰ মেহাও বন্যপ্ৰাণী অভয়াৰণ্য সংমণ্ডলৰ বিষয়াসকলে সামৰিক যোগাযোগ চকীৰ সমীপৰ মায়োদিয়া ❒ ৬ পৃষ্ঠাত


শ্ৰীৰামপুৰ গেট, বক্সিৰহাট গেটত চিণ্ডিকেটৰ বাবেই বিজেপিয়ে বিপিএফক পৰিবহণ মন্ত্ৰীৰ দপ্তৰ নিজৰ হাতত ৰাখিবলৈ দিছে

## হাগ্ৰামা মহিলাৰীক লগত লৈ মুখ্যমন্ত্ৰী হিমন্তই চলাই আছে চিণ্ডিকেট ঃ অখিল




**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৩ মে' ঃ** ৰাইজৰ দলৰ সভাপতি তথা বিধায়ক অখিল গগৈয়ে শনিবাৰে এখন সংবাদমেল সম্বোধন কৰি ৰাজ্য চৰকাৰৰ বিৰুদ্ধে ❒ ৬ পৃষ্ঠাত

## কেমেৰাৰ লেন্সত বিশ্ব ফুটবল; ডুমডুমাৰ পৰা আমেৰিকালৈ অসম কন্যা গীতিকাৰ হেট্ৰিক যাত্ৰা



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৩ মে' ঃ** অসমৰ ক্ৰীড়াপ্ৰেমী তথা সমগ্ৰ দেশবাসীৰ বাবে এয়া এক অপাৰ গৌৰৱৰ ক্ষণ। কেমেৰাৰ ক্লিকেই যাৰ জীৱনৰ ঠিকনা, সেই অসম জীয়ৰী গীতিকা তালুকদাৰে পুনৰবাৰ কঢ়িয়াই আনিছে এক অভূতপূৰ্ব সাফল্য। চলিত ২০২৬ বৰ্ষৰ জুন-জুলাই মাহত আমেৰিকা, কানাডা আৰু মেক্সিকোৰ যৌথ উদ্যোগত অনুষ্ঠিত হ'বলগীয়া ❒ ৬ পৃষ্ঠাত

১২৫ কোটিৰ অনিয়ম আৰু গেঠেলা মৰা জনজাতি-কৰণৰ ইচ্ছুৱে জোকাৰিব নে আগন্তুক সাধাৰণ সভা ?

## কাৰ হাতলৈ অসম মৰাণ সভাৰ নেতৃত্বৰ বাঘজৰী ?

**অসম বাৰ্তা, তিনিচুকীয়া সদৰ, ২৩ মে' ঃ** সৌমাৰ খণ্ডৰ আদিম ভুমিপুত্ৰ মৰাণ জনজাতিৰ পিতৃ সংগঠন 'অসম মৰাণ সভা'ৰ আগন্তুক নেতৃত্বক লৈ এতিয়া ৰাজ্যৰ মৰাণ অধ্যুষিত অঞ্চলত তীব্ৰ চৰ্চা চলিছে। ১৯৬৫ চনত জন্মলাভ কৰা এই ঐতিহ্যমণ্ডিত সংগঠনটোৰ সাংবিধানিক নিয়ম অনুসৰি প্ৰতি তিনিবছৰৰ মূৰে মূৰে কাৰ্যনিৰ্বাহক সলনি হয়। সেই অনুসৰি চলিত মাহতে অনুষ্ঠিত হ'বলগীয়া প্ৰতিনিধি সভাত ২০২৬-২৯ বৰ্ষৰ বাবে নিৰ্বাচিত হ'ব নতুন সমিতি। কিন্তু এইবাৰৰ নিৰ্বাচন ❒ ৬ পৃষ্ঠাত

## ইভাংকাট্ৰাম্পক হত্যাৰ ষড়যন্ত্ৰ উন্মোচিত; আটক ইৰান সমৰ্থক সন্ত্ৰাসবাদী

**ইণ্টাৰনেছনেলৰ ডেস্ক, অসম বাৰ্তা, ২৩ মে' ঃ** ইৰান আৰু আমেৰিকাৰ মাজত চলি থকা উত্তেজনাৰ মাজতে আমেৰিকাৰ পৰা ডাঙৰ খবৰ আহিছে। আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি তথা বৰ্তমানৰ ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী ড'নাল্ড ট্ৰাম্পৰ কন্যা ইভাংকা ট্ৰাম্পক হত্যাৰ এটা ডাঙৰ ষড়যন্ত্ৰ ❒ ৬ পৃষ্ঠাত

সাংগঠনিক বৈঠকত মূলত মূল্যবৃদ্ধি, ৰাইজৰ সমস্যাক প্ৰাধান্য

## পৰাজয়ৰ পাছত প্ৰথমবাৰ যোৰহাটত গৌৰৱ গগৈ

বিধায়ক জুবেৰ আনমৰ প্ৰসংগ উল্লেখ নকৰাকৈয়েই সামৰিলে সাংবাদিকৰ প্ৰশ্ন




**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৩ মে' ঃ** বিধানসভা নিৰ্বাচনত বিপৰ্যয়কৰ পৰাজয়ৰ পাছত শনিবাৰে প্ৰথমবাৰৰ বাবে যোৰহাটত উপস্থিত হয় প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ। দলৰ সাংগঠনিক ভেটি শক্তিশালী কৰাৰ লগতে নিৰ্বাচনী পৰাজয়ৰ কাৰণ নিৰূপণ কৰিবলৈ যোৰহাট জিলা কংগ্ৰেছ ভৱনত তেওঁ দলীয় বিষয়ববীয়া আৰু তৃণমূল কৰ্মী- ❒ ৬ পৃষ্ঠাত

বিশ্বৰ সৰ্বোচ্চ শৃংগ জয় কৰা প্ৰথম গৰাকী অসমীয়া ৰূপামণি গঁড়

## মাউণ্ট এভাৰেষ্ট জয় লখিমপুৰৰ জীয়ৰীৰ

**অসম বাৰ্তা, লীলাবাৰী, ২৩ মে' ঃ** বিশ্বৰ সৰ্বোচ্চ শৃংগ মাউণ্ট এভাৰেষ্ট জয় কৰি অসমলৈ এক অভূতপূৰ্ব গৌৰৱ কঢ়িয়াই আনিলে লখিমপুৰৰ কদমৰ জীয়ৰী আইটিবিপিৰ জোৱান ৰূপামণি গড়ে। অসমৰ আদিবাসী-চাহ জনগোষ্ঠীৰ ভিতৰত বিশ্বৰ সৰ্বোচ্চ শৃংগ জয় কৰা তেওঁ প্ৰথমগৰাকী মহিলা ❒ ৬ পৃষ্ঠাত





## শ্ৰীশ্ৰী বদলা পদ্মআতা সেৱা সমিতি, অসমৰ উদ্যোগত মাধৱদেৱৰ কলাক্ষেত্ৰৰ সহযোগত বৰনাৰায়ণপুৰ বাসীৰ আতিথ্যত ৰূপালী জয়ন্তী আৰু সত্ৰীয়া সংস্কৃতিৰ মহা সমাৰোহৰ প্ৰস্তুতি

**অসম বাৰ্তা, বান্দৰদেৱা, ২৩ মে' :** শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱ দুজনা গুৰুৰ আধ্যাত্মিক, সামাজিক আৰু সাংস্কৃতিক আদৰ্শক প্ৰতিষ্ঠা কৰাত যি কেইগৰাকী আতা পুৰুষে অহোপুৰুষাৰ্থ কৰিছিল, সেই সকলৰ ভিতৰত অন্যতম শ্ৰীশ্ৰী বদলা পদ্মাআতা পুৰুষ। এইজনা আতাপুৰুষৰ অপৰিসীম অৱদানক জনমানসত প্ৰতিষ্ঠাৰ প্ৰয়োজন বোধ কৰি শ্ৰীশ্ৰী বদলা আতা সেৱা সমিতিয়ে বিগত ২৪টা বছৰত অসমৰ বিভিন্ন স্থানত পদ্ম আতা পুৰুষৰ আৱিৰ্ভাৱ মহোৎসৱ ভাগী পালন কৰি আহিছে। এইবাৰ এইজনা পুৰুষৰ ৪৮০ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ তথা ৰূপালী জয়ন্তী আৰু সত্ৰীয়া সংস্কৃতি মহাসমাৰোহ ভাগী লখিমপুৰ জিলাৰ বৰ নাৰায়ণপুৰৰ প্ৰাণকেন্দ্ৰ বদলা পদ্মআতা সত্ৰ, মাধৱদেৱ কলা ক্ষেত্ৰৰ প্ৰাঙ্গনত অহা ১১, ১২ আৰু ১৩ জেঠ (ইং.২৬, ২৭ আৰু ২৮মে', ২০২৬) তাৰিখে তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে কেন্দ্ৰীয় ভাৱে আয়োজন কৰিছে। সেয়েহে উক্ত তিনিওটা দিনৰ প্ৰতিটো কাৰ্যসূচীত কায়িক, মানসিক আৰু আধ্যাত্মিক ভাৱে সকলোৱে যোগদান কৰি অনুষ্ঠান ভাগ সাফল্যমণ্ডিত কৰি তোলাৰ বাবে আহ্বান জনাইছে আৱিৰ্ভাৱ মহোৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি উপেন চন্দ্ৰ বৰুৱা, সাধাৰণ সম্পাদক কৃষ্ণ কুমাৰ শইকীয়া আৰু পবিত্ৰ বৰুৱাই।

## পাথৰিঘাটৰ স্বাস্থ্য বিভাগৰ কৰ্মচাৰী বিজয় ভূষণ ডেকাৰ আকস্মিক বিয়োগত শোক প্ৰকাশ

**অসম বাৰ্তা, পাথৰিঘাট, ২৩ মে' :** দৰঙৰ পাথৰিঘাট ১নং চেঙাপাৰা গাঁৱৰ স্বাস্থ্য বিভাগৰ কৰ্মচাৰী বিজয় ভূষণ ডেকাৰ ৫৩ বছৰ বয়সত আকস্মিক বিয়োগত শোকৰ ছাঁ পৰে সমগ্ৰ অঞ্চলটোত। শনিবাৰে নিশা উচ্চ ৰক্তচাপত ভুগি গুৱাহাটী নেমকেয়াৰ হস্পাতালত শেষ নিশ্বাস ত্যাগ কৰে। প্ৰয়াত বিজয় ডেকা অসম চৰকাৰৰ স্বাস্থ্য বিভাগৰ পশ্চিম কাৰ্বিআংলং জিলাত কৰ্মৰত আছিল। পশ্চিম কাৰ্বিআংলং জিলাৰ খেৰণী মডেল হস্পিতালৰ লেবৰেটৰী টেকনিচিয়ান হিচাপে কৰ্মৰত আছিল। কৰ্মসূত্ৰে পশ্চিম কাৰ্বিআংলং ত আছিল যদিও বৃহত্তৰ পাথৰিঘাটৰ প্ৰতিটো অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত থকাৰ লগতে সমাজৰ বিভিন্ন দিশত আগভাগ লৈছিল। তেখেতৰ বিয়োগত সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পৰে। প্ৰয়াত ডেকাই ইহ-সংসাৰত পত্নী, পুত্ৰ-কন্যা, আত্মীয়-স্বজন লগতে অজস্ৰ গুণমুগ্ধক এৰি যায়।

## সদৌ বৰপেটা আঞ্চলিক জিলা ছাত্ৰ সন্থাৰ উদ্যোগত প্ৰতিবাদী কাৰ্যসূচী

**অসম বাৰ্তা, বৰপেটা সদৰ, ২৩ মে' :** সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানত খাদ্য-সামগ্ৰী, ইন্ধনজাত সামগ্ৰী, পেট্ৰ'ল-ডিজেলৰ লগতে জীৱনদায়নী ঔষধৰ অবাধ মূল্যবৃদ্ধিৰ প্ৰতিবাদত আৰু মূল্য হ্ৰাস কৰাৰ দাবীত সমগ্ৰ ৰাজ্যৰ লগতে সদৌ বৰপেটা জিলা ছাত্ৰ সন্থা প্ৰতিবাদী সমদল। বৰপেটা জিলা ছাত্ৰ সন্থা সদস্য সকলে শ্বহীদ ভৱনৰ সন্মুখৰ পৰা আৰম্ভ কৰা প্ৰতিবাদী সমদলখনটো বৰপেটা চহৰৰ মুখ্য পথ সমূহ পৰিভ্ৰমণ কৰে। প্ৰতিবাদকাৰী সকলে ছাত্ৰ সন্থা জিন্দাবাদ, মূল্যবৃদ্ধি ৰোধ কৰক, ভাৰত চৰকাৰ হায় হায়, অসম চৰকাৰ হায় হায়, জয় আই অসম আদি শ্লোগানেৰে ৰাজপথ উত্তাল কৰি তোলে। শেহতীয়াকৈ ৰাজ্যত বৃদ্ধি পোৱা মূল্য বৃদ্ধিৰ প্ৰতি উদ্বিগ্নতা প্ৰকাশ কৰি প্ৰতিবাদ বৰপেটা জিলা আঞ্চলিক ছাত্ৰ সন্থাৰ।

## কামৰূপ জিলাত শিশু কল্যাণ আৰু দত্তক গ্ৰহণ সম্পৰ্কে অধিক সচেতনতা সৃষ্টিৰ ওপৰত গুৰুত্ব আৰোপ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৩ মে' :** কামৰূপ জিলাৰ জিলা শিশু কল্যাণ আৰু সুৰক্ষা সমিতি (DCWPC)-ৰ বৈঠক বৃহস্পতিবাৰে আমিনগাঁওস্থিত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত কামৰূপ জিলাৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ সভাপতিত্বত অনুষ্ঠিত হৈ যায়। বৈঠকত শিশু কল্যাণ সমিতি (Child Welfare Committee) আৰু জুভেনাইল জাষ্টিছ বৰ্ডৰ কাৰ্যকলাপ আৰু অগ্ৰগতিৰ পৰ্যালোচনা কৰাৰ লগতে জিলাখনত শিশু কল্যাণ আৰু সুৰক্ষাৰ সৈতে জড়িত বিভিন্ন বিষয় আৰু সমস্যাসমূহৰ ওপৰত বিস্তৃত আলোচনা অনুষ্ঠিত হয়। শিশু কল্যাণ আৰু সুৰক্ষাৰ ক্ষেত্ৰত প্ৰতিষ্ঠানগত ব্যৱস্থা অধিক শক্তিশালী কৰাৰ লগতে সংশি-ষ্ট বিভাগসমূহৰ মাজত অধিক সমন্বিত প্ৰচেষ্টাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। বিশেষকৈ আইনসন্মত দত্তক গ্ৰহণ প্ৰক্ৰিয়া সম্পৰ্কে জনসচেতনতা বৃদ্ধিৰ ওপৰত বৈঠকত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। অনাথ, অসহায় আৰু যত্নৰ প্ৰয়োজন হোৱা শিশুসকলৰ সুৰক্ষা, পুনৰ্বাসন আৰু উন্নত ভৱিষ্যৎ নিশ্চিত কৰাৰ ক্ষেত্ৰত দত্তক গ্ৰহণ এক গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি বৈঠকত উল্লেখ কৰা হয়। লগতে সুৰক্ষিত, স্বচ্ছ আৰু আইনসন্মত দত্তক গ্ৰহণ ব্যৱস্থা সম্পৰ্কে সমাজত অধিক সচেতনতা সৃষ্টিৰ প্ৰয়োজনীয়তাৰ বিষয়েও আলোচনা কৰা হয়। বৈঠকত জিলা আয়ুক্তগৰাকীয়ে শিশু কল্যাণমূলক কাৰ্যসূচী আৰু আন্তঃগাঁথনি সম্পৰ্কীয় যিকোনো প্ৰয়োজন বা দাবীৰ বিষয়ে সংশি-ষ্ট বিভাগ আৰু অংশীদাৰসকলক প্ৰস্তাৱ দাখিল কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে ৰাজ্যিক পৰ্যায়তো শিশু কল্যাণ, সুৰক্ষা আৰু দত্তক গ্ৰহণ সম্পৰ্কীয় বিষয়সমূহৰ ওপৰত অধিক সচেতনতা সৃষ্টিৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে, যাতে এই বিষয়সমূহ জনসাধাৰণৰ ওচৰলৈ লৈ যোৱাৰ লগতে আঁচনিসমূহ ফলপ্ৰসূভাৱে ৰূপায়ণ নিশ্চিত কৰিব পৰা যায়।

## গোলকগঞ্জত কিশোৰীক যৌন নিৰ্যাতনৰ অভিযোগ

**অসম বাৰ্তা, গোলকগঞ্জ, ২৩ মে' :** ধুবুৰী জিলাৰ গোলকগঞ্জ চহৰৰ ৬নং ৱাৰ্ডত এগৰাকী ১৫ বছৰীয়া স্কুলীয়া ছাত্ৰীক যৌন নিৰ্যাতন চলোৱাৰ অভিযোগ উত্থাপিত হোৱাত সমগ্ৰ অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। কিশোৰীগৰাকীৰ পৰিয়ালে দাখিল কৰা এজাহাৰৰ পাছতো আৰক্ষীয়ে কোনো ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উঠাত স্থানীয় ৰাইজৰ মাজত ক্ষোভৰ সৃষ্টি হৈছে। উল্লেখ্য যে, যোৱা কিছুদিন পূৰ্বে কিশোৰীগৰাকীৰ মাকক মাৰপিটত আঘাত হোৱা বুলি কৈ চিকিৎসালয়লৈ নিয়াৰ পথত বিশাল পাছোৱান আৰু অংকিত ভোতৰা নামৰ দুয়োজনে কিশোৰীগৰাকীক চিকিৎসালয়লৈ লৈ যোৱাৰ কথা আছিল। কিন্তু অভিযোগ অনুসৰি, দুয়োজনে কিশোৰীগৰাকীক চিকিৎসালয়লৈ নিয়াৰ পৰিৱৰ্তে গোলকগঞ্জ চিলাৰায় মহাবিদ্যালয় সংলগ্ন ৰে'ল গেটৰ কাষত অংকিত ভোতৰা নামৰ ব্যক্তিজনে নাবালিকা গৰাকীক যৌন উৎপীড়ন কৰাৰ অভিযোগ উঠিছে। পৰৱৰ্তী সময়ত অংকিত ভোতৰাই কিশোৰীগৰাকীৰ ওপৰত যৌন নিৰ্যাতন চলায় বুলি পৰিয়ালৰ লোকে এজাহাৰত উল্লেখ কৰিছে। ঘটনাৰ পিছতে ভুক্তভোগীৰ মাতৃয়ে গোলকগঞ্জ থানাত লিখিত এজাহাৰ দাখিল কৰে। কিন্তু পৰিয়ালৰ অভিযোগ মতে, এজাহাৰ দাখিল কৰাৰ পাছতো অভিযুক্ত অংকিত ভোতৰা আৰু বিশাল পাছোৱানক গ্ৰেপ্তাৰ কৰিবলৈ আৰক্ষীয়ে কোনো তৎপৰতা প্ৰদৰ্শন কৰা নাই। ইফালে, স্থানীয় দল-সংগঠন আৰু সচেতন ৰাইজে ঘটনাটোৰ নিৰপেক্ষ তদন্তৰ লগতে অভিযুক্তক অতি শীঘ্ৰে গ্ৰেপ্তাৰ কৰি দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ দাবী জনাইছে। বৰ্তমান ভুক্তভোগী কিশোৰীগৰাকী আতংকিত অৱস্থাত থকা বুলি জানিব পৰা গৈছে।

## ডুমডুমা মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় কৰ্মশালা অনুষ্ঠিত

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৩ মে' :** তিনিচুকীয়া জিলাৰ ডুমডুমা মহাবিদ্যালয়ত "Outcome-Based Education, Curriculum and Experiential Learning" বিষয়ৰ ওপৰত এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালা অনুষ্ঠিত হয়। ডুমডুমা মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগ আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিকন শিক্ষণ কেন্দ্ৰই যৌথভাৱে এই কৰ্মশালাৰ আয়োজন কৰে। কৰ্মশালাত সমল ব্যক্তি হিচাপে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ অধ্যাপিকা ডঃ মানসী গগৈ আৰু গণিত বিভাগৰ অধ্যাপক ড° সুৰজিৎ বৰকটকী উপস্থিত থাকে। অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰে ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলেশ্বৰ কলিতাই। নিজৰ ভাষণত তেওঁ ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ আৰু ফলাফলভিত্তিক শিক্ষাৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰে। কৰ্মশালাৰ মুখ্য ভাষণ প্ৰদান কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিকন শিক্ষণ কেন্দ্ৰৰ ড° লেখন গগৈয়ে। অনুষ্ঠানটোৰ সমন্বয়ক হিচাপে ডুমডুমা মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অধ্যাপিকা অঞ্জু কোঁৱৰ আৰু কৰবী বৰা উপস্থিত থাকে। কৰ্মশালাত বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়, পদ্মনাথ গোহাঁই বৰুৱা, শ চৰকাৰী আদৰ্শ মহাবিদ্যালয় আৰু ডুমডুমা মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰীসকলে অংশগ্ৰহণ কৰে। অনুষ্ঠানটিৰ আঁত ধৰে ডুমডুমা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা কৰবী বৰাই।

## নাহৰকটীয়া চাচনীত এজাক কাল ধুমুহাই টচনচ কৰিলে বহু পৰিয়াল



**অসম বাৰ্তা, নাহৰকটীয়া, ২৩ মে' :** বুধবাৰে পুৱতি নিশা অহা এজাক কাল ধুমুহাই বিস্তৰ ক্ষতি সাধন কৰে নাহৰকটীয়া চাচনীৰ একাধিক দুৰ্ভগীয়া পৰিয়ালৰ। উল্লেখযোগ্য যে বুধবাৰে পুৱতি নিশা প্ৰায় ৪.৩০মান বজাত অহা প্ৰচণ্ড বতাহ ধুমুহাৰ ফলত নাহৰকটীয়াৰ বিভিন্ন অঞ্চলৰ সৰ্বসাধাৰণ ৰাইজৰ ঘৰ দুৱাৰ, গোহালি, ভড়াল ভাঙি চুৰমাৰ হয়। নাহৰকটীয়া চাচনি ভকত গাঁৱৰ ত্ৰৈলোক্য লাহন নামৰ ব্যক্তিজনৰ বাসগৃহটো ধুমুহাৰ ফলত সম্পূৰ্ণকৈ বিধ্বস্ত হয়। জানিব পৰা মতে শোৱাপাটীৰ পৰা উঠি কোনোমতে প্ৰাণৰক্ষা কৰে ত্ৰৈলোক্য লাহনৰ পৰিয়ালটোৱে। তাৰ বাদে ঘৰখনৰ কোনো ধৰণৰ সম্পদ উদ্ধাৰ কৰিব পৰা নগ'ল। তদুপৰি নাহৰকটীয়া চাচনী অঞ্চলৰ বহুকেইখন গাঁৱত প্ৰবল ধুমুহাই ভয়ংকৰ তাণ্ডৱ চলাই ব্যাপক ক্ষতিসাধন কৰে। ধুমুহাৰ তীব্ৰ প্ৰকোপত বহু বাসগৃহ ভাঙি চুৰমাৰ হৈ পৰে। বিশেষকৈ চাচনী ভকত গাঁৱত পৰিস্থিতিয়ে অধিক ভয়াবহ ৰূপ ধাৰণ কৰে। বহু পৰিয়ালৰ ঘৰৰ টিনপাত ওৰোৱাই নিয়াৰ লগতে গছ-গছনি ভাঙি পৰা ফলত বিদ্যুত বিচ্ছিন্ন হৈ পৰে আৰু বহু লোকৰ ঘৰ ক্ষতিগ্ৰস্ত হয়। ধুমুহাই ধ্বংসযজ্ঞ আৰম্ভ কৰা ত্ৰৈলোক্য লাহনৰ পৰিয়ালটো শোকত ভাগি পৰাৰ লগতে অসহায় হৈ পৰিছে। দুৰ্ভগীয়া পৰিয়ালটোৱে একমাত্ৰ বাসগৃহটো আশ্ৰয়ৰ বাবে পুনৰ নিৰ্মাণ কৰিবলৈ সহযোগিতা কামনা কৰিছে চৰকাৰ, প্ৰশাসন আৰু জন প্ৰতিনিধিৰ পৰা। ইফালে ধুমুহাৰ ফলত অঞ্চলটোৰ বহু লোক আতংকিত হৈ পৰে। বহু পৰিয়ালে নিশাটো কোনো মতে কটাবলগীয়া হয়। ক্ষতিগ্ৰস্ত ৰাইজে চৰকাৰ আৰু প্ৰশাসনৰ ওচৰত শীঘ্ৰে সাহায্য আৰু ক্ষতিপূৰণৰ দাবী জনাইছে। ইফালে দীঘলীয়া কুকুৰা পুহিয়াতো তপন গগৈ নামৰ লোকজনৰ ঘৰ দুৱা ভাঙি বিস্তৃত ক্ষতি সাধন কৰে।

অনাকাংক্ষিত ঘটনাৰ বাবে সংকিত দেৰগাঁওবাসী

## অন্ধকাৰত ডুব গৈছে দেৰগাঁও নগৰ

অনাকাংক্ষিত ঘটনাৰ বাবে সংকিত দেৰগাঁওবাসী

**অসম বাৰ্তা, দেৰগাঁও, ২৩ মে' :** দেৰগাঁও পৌৰসভাৰ অন্তৰ্গত নগৰত বিগত কিছু মাহৰ পৰা চাৰি লেনযুক্ত পথৰ দুয়োপাৰে থকা (ষ্টিক লাইট ) পদ পথৰ পোহৰ সমূহ বিজুলী যোগান বন্ধ কৰি থোৱাৰ ফলত অন্ধকাৰত ডুব গৈছে সমগ্ৰ দেৰগাঁৱৰ নগৰ অঞ্চল। উল্লেখযোগ্য যে দেৰগাঁৱৰ এফ -চি -আই চাৰিআলিৰ পৰা লাহটি চাৰিআলি লৈকে ৰাষ্ট্ৰীয় ঘাইপথৰ দুয়োপাৰে থকা এই পথ পথৰ পোহৰ (ষ্টিক লাইট) সমূহত বিজুলী যোগান বন্ধ হৈ আছে। ফলস্বৰূপে পথচাৰি লগতে যানবাহন আৰক্ষীৰ লোক সকল যথেষ্ট অসুবিধাৰ সন্মুখীন হোৱা পৰিলক্ষিত হৈছে। সন্ধিয়া হোৱাৰ লগে লগে এই পদ পথৰ পোহৰ সমূহ নোহোৱাৰ বাবে নিতৌ হাত বজাৰ কৰিবলৈ অহা লগতে বিদ্যালয়, মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী সকল টিউছনলৈ অহা-যোৱা বাবে যথেষ্ট অসুবিধাৰ সন্মুখীন হ'ব লগা হৈছে। অতিকৈ পৰিতাপৰ বিষয় এই যে ৰাষ্ট্ৰীয় ঘাই পথৰ বিষয়ববীয়া সকলৰ সৌতে সচেতন ৰাইজে যোগাযোগ কৰি পোহৰ সমূহৰ পুনৰ দিবলৈ আহ্বান জনাইছে যদিও কোনো ধৰণৰ কানসাৰ দিয়া পৰিলক্ষিত হোৱা নাই। আজি কিছু দিন ধৰি দেৰগাঁৱৰ দাতিকাষৰীয়া কিছু অঞ্চলত এই অন্ধকাৰৰ সুযোগ গ্ৰহণ কৰি বিভিন্ন লোকৰ ঘৰত চোৰে লুত পাত চলোৱা সুযোগ গ্ৰহণ কৰিছে। অন্যহাতেদি শেহতীয়াকৈ এটা ভালুকে দেৰগাঁৱৰ বিভিন্ন অঞ্চল দেখা দিয়াৰ ফলত ৰাইজ যথেষ্ট সংকিত হৈ পৰিছে। এক অনাকাংক্ষিত ঘটনাৰ যাতে দেৰগাঁওবাসী সন্মুখীন নহয় তাৰ বাবে সচেতন ৰাইজে ৰাষ্ট্ৰীয় ঘাই পথৰ বিষয়ববীয়া সকলক অনতিপলমে ৰাষ্ট্ৰীয় ঘাই পথৰ পদপথৰ পোহৰ সমূহৰ যোগান পূৰ্বৰ দৰে বাহল ৰাখি জনসাধাৰণৰ জীৱন-জীৱিকা সু-নিচিত্ত কৰিবলৈ আহ্বান জনাইছে।

## গোসাঁইগাঁৱৰ কচুগাঁৱত বন বিভাগৰ এক সফল অভিযান



**অসম বাৰ্তা, গোসাঁইগাঁও, ২৩ মে' :** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত ৰাইমনা ৰাষ্ট্ৰীয় উদ্যানত অভিযান চলাই অস্ত্ৰসহ এজন চোৰাং চিকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয় বন বিভাগ। উদ্ধাৰ কৰা হৈছে দুটা হস্ত নিৰ্মিত বন্দুক। কচুগাঁও বন সংমণ্ডলৰ অধীনস্থ চানফান ৰেঞ্জৰ বন বিভাগৰ দলে গোপন সূত্ৰৰ ভিত্তিত অভিযান চলাই ৰাইমনা ৰাষ্ট্ৰীয় উদ্যান এলেকাৰ পৰা এজন চোৰাং চিকাৰীক গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰ হোৱা ব্যক্তি কচুগাঁও থানাৰ অন্তৰ্গত ব্ৰহ্মপুৰ গাঁৱৰ হেটো নাৰ্জাৰী বুলি জানিব পৰা গৈছে। বন বিভাগৰ তথ্য অনুসৰি, অভিযুক্তজনৰ পৰা দুটা হস্ত নিৰ্মিত বন্দুক উদ্ধাৰ কৰা হয়। প্ৰাথমিক জেৰাত অভিযুক্তই উদ্ধাৰ হোৱা বন্দুকৰ এটা ৰাইমনা ৰাষ্ট্ৰীয় উদ্যানত হৰিণ চিকাৰৰ বাবে একাধিক বাৰ ব্যৱহাৰ কৰাৰ কথা স্বীকাৰ কৰিছে বুলি বন বিভাগে জানিবলৈ দিয়ে। ঘটনাক কেন্দ্ৰ কৰি অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি হৈছে। বন বিভাগে সমগ্ৰ ঘটনাৰ তদন্ত অব্যাহত ৰাখিছে আৰু চোৰাং চিকাৰৰ সৈতে জড়িত আন লোকৰ সন্ধানত অভিযান চলাইছে।

## চামগুৰিত ৩৪টা চোৰাং গৰুসহ এখন গাড়ী জব্দ

**অসম বাৰ্তা, পুৰণিগুদাম, ২৩ মে' :** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে যোৱা নিশা চামগুৰি অঞ্চলৰ ৰাষ্ট্ৰীয় ঘাইপথত চোৰাং গৰুৰ বিৰুদ্ধে অভিযান চলাই ৩৪টা চোৰাং গৰুসহ এখন গাড়ী জব্দ কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, চামগুৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী পৰিদৰ্শক অৰূপ পাঠকৰ নেতৃত্বত এটা আৰক্ষী দলে এক গোপন খবৰৰ ভিত্তিত চামগুৰি অঞ্চলৰ ১২৭ নং ৰাষ্ট্ৰীয় ঘাইপথত যোৱা নিশা চোৰাং গৰুৰ বিৰুদ্ধে অভিযান চলায়। পৰৱৰ্তী সময়ত চামগুৰি আৰক্ষী থানাৰ আৰক্ষীৰ দলটোৱে অভিযান চলাই থকাৰ সময়ত উজনিৰ দিশৰ পৰা নগাঁও অভিমুখে আহি থকা এ- এছ- ২৫- এফ- চি- ৮৭৫৪ নম্বৰৰ চোৰাং গৰু ভৰ্তি ট্ৰাকখন আৰক্ষীৰ দলটোৱে জব্দ কৰে। পৰৱৰ্তী সময়ত গাড়ী খনৰ পৰা আৰক্ষীৰ দলটোৱে ৩৪টা চোৰাং গৰু উদ্ধাৰ কৰিবলৈ সক্ষম হয় বুলি আৰক্ষীৰ এক সূত্ৰই জানিবলৈ দিয়ে। তামোলৰ বাকলিৰ মাজত উক্ত চোৰাং গৰুখিনি লুকুৱাই আনিছিল বুলি আৰক্ষীৰ এক সূত্ৰই জানিবলৈ দিয়ে। আনহাতে, আৰক্ষীৰ দলটোৱে অভিযান চলোৱাৰ সময়ত গাড়ীখনৰ চালক আৰু পৰিচালকে পলায়ন কৰে বুলি আৰক্ষীৰ এক সূত্ৰই জানিবলৈ দিয়ে। আৰক্ষীয়ে গাড়ীখনৰ পৰা উদ্ধাৰ কৰা চোৰাং গৰুকেইটা পৰৱৰ্তী সময়ত নগাঁও গো-শালালৈ প্ৰেৰণ কৰাৰ লগতে উক্ত ট্ৰাকখন চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে জব্দ কৰে বুলি আৰক্ষীৰ এক সূত্ৰই জানিবলৈ দিয়ে।

## ঢেকীয়াজুলিৰ ভঙামন্দিৰত ১০ বিঘা মাটিত তৈল খেজুৰ খেতি কৰি কৃষিক্ষেত্ৰত নতুন দৃষ্টান্ত হৰেন্দ্ৰ চেৰুৰ

**অসম বাৰ্তা, ঢেকীয়াজুলি, ২৩ মে' :** শোণিতপুৰ জিলাৰ অন্তৰ্গত ঢেকীয়াজুলি ৰাজহচক্ৰ এলেকাৰ ভঙামন্দিৰ গাঁৱৰ বাসিন্দা তথা অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ সক্ৰিয় নেতা হৰেন্দ্ৰ চেৰুৱে কৃষিক্ষেত্ৰত এক নতুন দৃষ্টান্ত স্থাপন কৰিবলৈ সক্ষম হৈছে। পৰম্পৰাগত কৃষিৰ লগতে আধুনিক আৰু লাভজনক কৃষিকৰ্মৰ প্ৰতি আগ্ৰহ প্ৰকাশ কৰি তেখেতে প্ৰায় ১০ বিঘা মাটিত পাম অইল অৰ্থাৎ তৈল খেজুৰৰ খেতি আৰম্ভ কৰিছে। তেখেতৰ এই ব্যতিক্ৰমী পদক্ষেপে এতিয়া অঞ্চলজুৰি ব্যাপক চৰ্চাৰ সৃষ্টি কৰাৰ লগতে বহু যুৱকক কৃষিমুখী হ'বলৈ অনুপ্ৰাণিত কৰিছে। উল্লেখ্য যে বৰ্তমান সময়ত তৈল খেজুৰ খেতি লাভজনক কৃষি উদ্যোগ হিচাপে পৰিগণিত হৈছে। এই খেতিৰ জৰিয়তে ভৱিষ্যতে আৰ্থিকভাৱে স্বাৱলম্বী হোৱাৰ যথেষ্ট সম্ভাৱনা থকাৰ বাবেই হৰেন্দ্ৰ চেৰুৱে এই খেতিৰ প্ৰতি বিশেষ গুৰুত্ব আৰোপ কৰিছে। নিজ উদ্যোগ আৰু কঠোৰ পৰিশ্ৰমৰ জৰিয়তে তেখেতে গঢ়ি তোলা এই বৃহৎ পাম অইল বাগান এতিয়া সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। হৰেন্দ্ৰ চেৰুৱেৰ এই কৃষি বিপ্লৱ স্বচক্ষে পৰ্যবেক্ষণ কৰিবলৈ আজি কৃষি বিভাগৰ সম্প্ৰসাৰণ বিষয়া আকৃতি দেৱী আৰু বিষয়াবৰ্গ উপস্থিত হয় ভঙামন্দিৰত। কৃষি বিভাগৰ লোকে খেতিৰ অগ্ৰগতি, গছৰ বৃদ্ধি আৰু ব্যৱহৃত পদ্ধতি সম্পৰ্কে বুজ লয়। তেখেতসকলে এই খেতিক সম্ভাৱনাময় বুলি অভিহিত কৰাৰ লগতে আগন্তুক দিনত চৰকাৰীভাৱে সকলোধৰণৰ সহযোগিতা আগবঢ়োৱাৰ আশ্বাস দিয়ে। ইফালে এই পৰিদৰ্শন কাৰ্যসূচীত উপস্থিত থাকে অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় নেতা লক্ষেশ্বৰ মিৰ্ধাও। তেখেতে হৰেন্দ্ৰ চেৰুৱেৰ এই পদক্ষেপক প্ৰশংসা কৰি কয় যে যুৱ সমাজে যদি চাকৰিৰ পিছত কেৱল দৌৰি নাথাকি কৃষি আৰু আত্মনিৰ্ভৰশীল উদ্যোগৰ দিশে আগবাঢ়ে তেন্তে সমাজ আৰু ৰাজ্য দুয়োটাই লাভান্বিত হ'ব। সামগ্ৰিকভাৱে হৰেন্দ্ৰ চেৰুৱেৰ এই ব্যতিক্ৰমী উদ্যোগে কৃষিক্ষেত্ৰত এক নতুন আশাৰ সঞ্চাৰ কৰাৰ লগতে গ্ৰাম্য অৰ্থনীতি শক্তিশালী কৰাৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি সচেতন মহলে মত প্ৰকাশ কৰিছে।

## মাজুলী জিলা নাট্য সন্মিলনৰ অন্তৰ্গত কমলাবাৰী শাখা নাট্য সন্মিলন নবীকৰণ সম্পন্ন

**অসম বাৰ্তা, মাজুলী, ২৩ মে' :** অসম নাট্য সন্মিলনৰ স্বৰ্ণপীঠ মণ্ডলৰ অন্তৰ্গত মাজুলী জিলা নাট্য সন্মিলনৰ অন্যতম কমলাবাৰী শাখা নাট্য সন্মিলন সংবিধান অনুসৰি নবীকৰণ সম্পন্ন হয়। মাজুলী জিলা নাট্য সন্মিলনৰ সভাপতি ৰঞ্জিত কুমাৰ ভূএগ্ৰাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত উদ্দেশ্য ব্যাখ্যা আৰু অসম নাট্য সন্মিলনৰ স্বৰ্ণপীঠ মণ্ডলৰ মধ্য কালীন অধিবেশনৰ নাট্য সন্মিলনৰ প্ৰতিটো শাখাৰ নবীকৰণ অৱশ্যম্ভাৱী বুলি সভাক অৱগত কৰে জিলাৰ সম্পাদক সমীৰণ গোস্বামীয়ে। বিষয়টোত ভাগলৈ জিলা সমিতিৰ উপদেষ্টা ড° আনন্দ হাজৰিকা, দ্বীজেন বৰা, জিতু শইকীয়া, জগত হাজৰিকা, ৰাতুল বৰা, মনীষা ভূএগ্ৰা, বসন্ত মিলি, অমৰজ্যোতি বৰা আৰু সীমান্ত বৰাই বিভিন্ন প্ৰকাৰৰ পৰামৰ্শ আগবঢ়ায়। সভাত সৰ্বসন্মতিক্ৰমে সমীৰণ গোস্বামীক সভাপতি, দ্বীজেন বৰাক কাৰ্যকৰী সভাপতি, জিতু শইকীয়াক উপ সভাপতি, অসম জ্যোতি বৰাক সম্পাদক, মনীষা ভূএগ্ৰা আৰু দিবাকৰ বৰা সহকাৰী সম্পাদক ৰাতুল বৰাক সাংগঠনিক সম্পাদক নিৰ্বাচিত কৰি পৰৱৰ্তী সময়ত ২৩ জনীয়া সমিতিখন সম্পূৰ্ণ কৰাৰ পৰামৰ্শ আগবঢ়ায়। সভাই প্ৰতিটো শাখাৰ পৰা একোখন নাট মঞ্চস্থ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি জুনমাহৰ প্ৰথম সপ্তাহত নাট মেলা কাম অনুষ্ঠিত কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। ইতিমধ্যে ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰত এখন নাট পৰিৱেশন কৰাৰ অনুমতি লাভ কৰা বুলি নাট্যকাৰ ৰঞ্জিৎ কুমাৰ ভূএগ্ৰাই অৱগত কৰাত সভাই মাজুলী জিলা নাট্য সন্মিলনৰ তৰফৰ পৰা নাটখন বাণীবদ্ধ কৰাৰ পৰামৰ্শ দান কৰি বিষয়টোত চৰিত্ৰ নিৰ্বাচন তথা যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ নাট্যকাৰক কৰ্তৃত্ব প্ৰদান কৰে।

## চৰাইবাহী ভোমোৰাগুৰিত আদি কৰ্মযোগী আৰু জন ভাগীদাৰী সম্পৰ্কীয় সজাগতা সভা সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ২৩ মে' :** জনজাতীয় গৰিমা উৎসৱ ২০২৬ৰ অংশ হিচাপে আজি চৰাইবাহী ভোমোৰাগুৰিৰ অন্তৰ্গত নাট্য চৰাত আদি কৰ্মযোগী আৰু জন ভাগীদাৰী, জন শুনৱাই বিষয়ক এখন সজাগতা সভা সফলভাৱে অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত কপিলি চি ডি পি অ', চৰাইবাহী গাঁও পঞ্চায়তৰ সভাপতি, উপ-সভাপতি আৰু সচিব, পঞ্চায়ত সদস্যবৃন্দ, স্বাস্থ্য আৰু ডাক বিভাগৰ বিষয়া, ছুপাৰভাইজৰ, পোষণ কৰ্মী, জীৱিকা সখী, আদি কৰ্মযোগী কেপ্টেইন, জনজাতীয় নেতা-নেত্ৰী, অংগনৱাড়ী কৰ্মী আৰু সহায়িকা তথা বৃহৎ সংখ্যক স্থানীয় জনজাতীয় পুৰুষ-মহিলাই অংশগ্ৰহণ কৰে। সভাখনত বিভিন্ন চৰকাৰী জনকল্যাণমূলক আঁচনি সম্পৰ্কে সজাগতা সৃষ্টি কৰাৰ লগতে তৃণমূল পৰ্যায়ত যোগ্য হিতাধিকাৰীসকলে যাতে এই আঁচনিসমূহৰ সুবিধা লাভ কৰে তাৰ বাবে জনসাধাৰণৰ সক্ৰিয় অংশগ্ৰহণ নিশ্চিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। সভাত প্ৰতিগৰাকী বক্তাই সকলোৱে অংশগ্ৰহণেৰে এক শক্তিশালী আৰু অন্তৰ্ভুক্তিমূলক সমাজ গঢ় দিয়াটো সম্ভৱ বুলি মত প্ৰকাশ কৰে।

## ফেম ইণ্ডিয়াৰ 'শ্ৰেষ্ঠ জিলা আয়ুক্ত-২০২৬'ত স্থান লাভ তিনিচুকীয়া জিলাৰ আয়ুক্ত সুমিত সাত্তাৱনৰ

### তদানীন্তন জিলা আয়ুক্ত স্বপ্নীল পালো নিৰ্বাচিত

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ২৩ মে' :** দেশৰ আগশাৰীৰ আলোচনী ফেম ইণ্ডিয়া (Fame India)ৰ দেশৰ ১০০ জনীয়া শ্ৰেষ্ঠ জিলা আয়ুক্ত-দণ্ডাধীশৰ তালিকাত স্থান লাভ তিনিচুকীয়া জিলাৰ আয়ুক্ত সুমিত সাত্তাৱনৰ। আলোচনীখনে দেশজুৰি চলোৱা এক সমীক্ষাৰ ভিত্তিত আয়ুক্ত সাত্তাৱনে অসমৰ চাৰিগৰাকী জিলা আয়ুক্তৰ ভিতৰত স্থান লাভ কৰিছে। এই তালিকাত স্থান লাভ কৰা অন্য তিনিগৰাকী আয়ুক্ত হৈছে- মৰিগাঁও জিলাৰ আয়ুক্ত অনামিকা তিৱাৰী, ডিব্ৰুগড় জিলাৰ আয়ুক্ত বিক্ৰম কৈৰী আৰু তদানীন্তন তিনিচুকীয়া জিলাৰ আয়ুক্ত তথা বৰ্তমান কামৰূপ মহানগৰ জিলাৰ আয়ুক্ত স্বপ্নীল পাল। উল্লেখ্য যে, আলোচনীখনে দেশৰ ৮০০খন জিলাত চলোৱা এক সমীক্ষাত ১০০ গৰাকী আয়ুক্ত-দণ্ডাধীশক নিজৰ কাৰ্যকালত প্ৰশাসনিক, উদ্ভাৱনীমূলক আৰু ৰাজহুৱা সেৱাত প্ৰদৰ্শন কৰা উৎকৃষ্টতাৰ বাবে লাভ কৰা কৃতকাৰ্যতাৰ ভিত্তিত স্থান দিছে। এই সমীক্ষাত প্ৰত্যাহ্বানমূলক পৰিস্থিতিতো জিলা আয়ুক্ত তথা দণ্ডাধীশসকলে সমাজৰ বাবে গ্ৰহণ কৰা নেতৃত্বৰ দিশটোৰ প্ৰতিও বিশেষভাৱে গুৰুত্ব প্ৰদান কৰা হৈছিল। উল্লেখযোগ্য যে, চলিত বৰ্ষৰ যোৱা ৭ জানুৱাৰীত তিনিচুকীয়া জিলাৰ আয়ুক্ত হিচাপে দায়িত্ব গ্ৰহণ কৰা ভাৰতীয় প্ৰশাসনিক সেৱাৰ ২০১৫ বেটচৰ বিষয়া সাত্তাৱনে ইয়াৰ পূৰ্বে লখিমপুৰ আৰু পিছলৈ কামৰূপ মহানগৰ জিলাৰ আয়ুক্ত হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। লখিমপুৰ জিলাৰ আয়ুক্ত হিচাপে নিযুক্তি পোৱাৰ পূৰ্বে কাছাৰ জিলাৰ অতিৰিক্ত উপায়ুক্ত, নিষ্পত্তি বিষয়া হিচাপেও কাৰ্যনিৰ্বাহ কৰা ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া সাত্তাৱনে কামৰূপ মহানগৰত থকা কালত প্ৰশাসনিক দক্ষতাৰ বাবে জিলাখনে কেইবাটাও খণ্ডত স্বীকৃতি লাভ কৰিছিল। অৰ্থাৎ তেখেতৰ কৰ্মদক্ষতাৰ বাবে কামৰূপ মহানগৰ জিলাই বিভিন্ন ক্ষেত্ৰত যথেষ্ট সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছিল।

# নগাঁও জিলা অসমীয়া সাহিত্য সন্মিলনীৰ উদ্যোগত “গ্ৰন্থ অধ্যয়নৰ প্ৰয়োজনীয়তা” শীৰ্ষক আলোচনা চক্ৰ

## শ্ৰীমন্ত শংকৰদেৱে আছিল বৈজ্ঞানিকভাবে গ্ৰন্থ সংৰক্ষণৰ বাটকটীয়া ঃ ড° বিমান হাজৰিকা



**অসম বাৰ্তা, পুৰণিগুদাম, ২৩ মে' ঃ** ‘‘মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে নৱবৈষণৱ ধৰ্ম প্ৰচাৰৰ বাবে ‘চিহ্নযাত্ৰা’ নামৰ অংকীয়া ভাওনাখনি প্ৰদৰ্শন কৰিছিল। এই ‘চিহ্নযাত্ৰা’ত দুটা পদ্ধতি ব্যৱহাৰ কৰিছিল, সেইয়া হৈছে মুখেৰে কোৱা- বজোৱা আৰু ছবি আঁকি দিয়া। শ্ৰীমন্ত শংকৰদেৱে প্ৰধানকৈ হেঙুল আৰু হাইতাল ৰং ব্যৱহাৰ কৰিছিল এই ছবিবোৰ অংকন কৰাত। যিসময়ত পৃথিৱীতে কোনো ৰং আৱিষ্কাৰ কৰা নাছিল, সেই সময়ত এই হেঙুল-হাইতাল ৰঙেৰেই তেওঁ ছবি অংকন কৰিছিল ইতিহাস সৃষ্টি কৰিছিল। নগাঁৱৰ দ্ৰোণাচাৰ্য উচ্চ মাধ্যমিক বিদ্যালয়ত বৃহস্পতিবাৰে বিয়লি নগাঁও জিলা অসমীয়া সাহিত্য সন্মিলনীৰ উদ্যোগত অনুষ্ঠিত হোৱা “গ্ৰন্থ অধ্যয়নৰ প্ৰয়োজনীয়তা” শীৰ্ষক বক্তৃতানুষ্ঠানত এই মন্তব্য কৰে ধিং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমান হাজৰিকাই। অনুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰা ডঃ হাজৰিকাই তেওঁৰ ভাষণ প্ৰসংগত ছাত্ৰ- ছাত্ৰীসকলক উদ্দেশ্যি কয়, ‘আমি কেনেধৰণৰ কিতাপ পঢ়িব লাগে সেইখিনি নিজেই বিচাৰ- বিশ্লেষণ কৰি চোৱা উচিত। কিয়নো কিছুমান গ্ৰন্থ আছে যিয়ে চুইংগামৰ দৰে আমি চোবাই তাৰ ৰসাস্বাদন গ্ৰহণ কৰাৰ বিপৰীতে আন কিছুমান গ্ৰন্থ ৰসগোল্লাৰ দৰে গিলি থ'লেও একো কামত নাহে। আন এক প্ৰসঙ্গক্ৰমে তেওঁ আৰু কয়, ‘গুৰুজনাই নিজে যি অমোচনীয় চিয়াঁহী প্ৰস্তুত কৰিছিল, সেয়া হৈছে মহী আৰু এই চিয়াঁহীয়েই শংকৰদেৱে সাঁচিপাতত ব্যৱহাৰ কৰিছিল। প্ৰাকৃতিকভাবে নিৰ্মাণ কৰা এই চিয়াঁহী সাঁচিপাতত ব্যৱহাৰৰ কৰাৰ ফলত ৬০০ বছৰৰ পাছতো সেয়া আজিও স্পষ্ট হৈ আছে আৰু সেই সাঁচিপতীয়া পুথি এতিয়াও সংৰক্ষণযুক্ত হৈ আছে। সঁচা অৰ্থত শ্ৰীমন্ত শংকৰদেৱেই আছিল বৈজ্ঞানিকভাবে গ্ৰন্থ সংৰক্ষণৰ বাটকটীয়া।’ “অসমীয়া সাহিত্য সন্মিলনী”ৰ ৰাজ্যিক সমিতিৰ কাৰ্য্যক্ৰমণিকা ক্ৰমে নগাঁও জিলা সাহিত্য সভাই আয়োজন কৰা এই অনুষ্ঠানত সভাপতিত্ব কৰে সন্মিলনীৰ সভাপতি ডাঃ ঋষেশ্বৰ ঠেঙাল শইকীয়াই। সন্মিলনীৰ সম্পাদিকা নিজৰা শইকীয়াই আঁত ধৰা অনুষ্ঠানটি উদ্বোধন কৰে দ্ৰোণাচাৰ্য উচ্চ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ চন্দ্ৰকান্ত বৰাই। অনুষ্ঠানত নগাঁও শিক্ষণ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষা ডঃ তুলুমণি দেৱী, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী তথা লেখিকা বৈজয়ন্তী খাউণ্ড, প্ৰীতি চৌধুৰীৰ উপৰি শিক্ষাৰ্থীসকলৰ মাজৰ পৰা জইছ উইন বৰা, স্মৃতা বৰা আৰু দৰ্শনা ভূঞাই নিৰ্দিষ্ট বিষয়বস্তুৰ প্ৰসঙ্গত বক্তব্য আগবঢ়ায়। উক্ত অনুষ্ঠানত শিক্ষাবিদ ৰাতুল নেওগ, বিজ্ঞান শিক্ষক জ্যোতিপ্ৰসাদ শইকীয়া, মুকুল বৰা, কিশোৰ দাস, গুণকান্ত শৰ্মা প্ৰমুখ্যে বহু গণ্য-মান্য ব্যক্তিৰ উপৰি শিক্ষানুষ্ঠানখনৰ শিক্ষক- শিক্ষয়িত্ৰী, অভিভাৱক, ছাত্ৰ- ছাত্ৰীসকল উপস্থিত থাকে। অনুষ্ঠানত সভাপতিৰ ভাষণত ডাঃ ঋষেশ্বৰ ঠেঙাল শইকীয়াই ছাত্ৰ-ছাত্ৰীসকলৰ মাজত হতাশা দূৰ কৰা, ইতিবাচক চিন্তা, সজীৱ মন গঢ়ি তোলাৰ ক্ষেত্ৰত উৎকৃষ্ট মানৰ গ্ৰন্থ অধ্যয়নৰ বাবে বিশেষকৈ ডেল কাৰ্নেগী, ড° নেপ'লিয়ন হ'লে, ড° নমেন ভিনচেণ্টত দৰে বিখ্যাত মনোবিজ্ঞানীসকলৰ গ্ৰন্থসমূহ অধ্যয়ন কৰিবলৈ পৰামৰ্শ আগবঢ়ায়।

# ডিব্ৰুগড়ৰ জ্যোতি ললিতা কানৈ ফাউণ্ডেশ্যনৰ মাজুলী মহাবিদ্যালয়লৈ পঞ্চাশ হাজাৰ টকা দান

**অসম বাৰ্তা, মাজুলী, ২৩ মে' ঃ** মাজুলী মহাবিদ্যালয়ে একাধাৰে ৰূপায়ণ কৰি অহা ‘গ্ৰন্থদান মহান দান’ কাৰ্যসূচীত ভাগ লৈ ডিব্ৰুগড়ৰ জ্যোতি-ললিতা কানৈ ফাউণ্ডেশ্যনে আগবঢ়াইছে পঞ্চাশ হাজাৰ টকা। আজি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়ালৈ দিয়া এখন পত্ৰযোগে ফাউণ্ডেশ্যনটোৰ অধ্যক্ষ জ্যোতি প্ৰসাদ কানৈয়ে সেই কথা অৱগত কৰে। অলপতে ডিব্ৰুগড়ৰ অগ্ৰণী দাতা পৰিয়ালৰ হৈ জ্যোতি প্ৰসাদ কানৈক মাজুলী মহাবিদ্যালয়ৰ তৰফৰ পৰা অধ্যক্ষ ড° দেৱজিৎ শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সম্পাদক অধ্যাপক তুলসী ৰাজখোৱা আৰু গ্ৰন্থাগাৰিক প্ৰদীপ চন্দ্ৰ দাসৰ নেতৃত্বত যোৱা এটা সঁজাতী দলে মহাবিদ্যালয়খনে বিগত বছৰবোৰত ৰূপায়ণ কৰি অহা গ্ৰন্থ সংগ্ৰহৰ কাৰ্যসূচীত অংগ্ৰহণ কৰি মাজুলীৰ দৰিদ্ৰ শিক্ষাৰ্থীৰ উপকাৰ সাধিবলৈ

## ‘গ্ৰন্থধন অদ্ৰাব্য আৰু অদহনীয় সম্পদ’

অনুৰোধ জনাইছিল। সেই মৰ্মেই আজি পত্ৰ যোগে ফাউণ্ডেশ্যনটোৰ অধ্যক্ষ জ্যোতি প্ৰসাদ কানৈয়ে তেওঁলোকৰ বদান্যতা প্ৰকাশ কৰি পঞ্চাশ হাজাৰ টকা আগবঢ়োৱাৰ কথা ঘোষণা কৰাত ফাউণ্ডেশ্যনটোৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিবলৈ দিনৰ ১ বজাত অধ্যক্ষৰ কক্ষত আহ্বান কৰা হয় গ্ৰন্থাগাৰ পৰিচালনা সমিতিৰ এখন বিশেষ সভা। সভাৰ আঁত ধৰি উদ্দেশ্য ব্যাখ্যা কৰে মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক প্ৰদীপ চন্দ্ৰ দাসে। সভাখনিত সভাপতিত্ব কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই জ্যোতি ললিতা ফাউণ্ডেশ্যনৰ হৈ জ্যোতি প্ৰসাদ কানৈ আৰু ললিতা দেৱী কানৈক কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে মহাবিদ্যালয়লৈ আগবঢ়োৱা এই দানে দুখীয়া শিক্ষাৰ্থীসকলৰ পৰম উপকাৰ সাধিব বুলি মন্তব্য কৰে। জ্যোতি ললিতা ফাউণ্ডেশ্যনৰ এই বদান্যতাৰ কথা মাজুলীবাসীয়ে কেতিয়াও নাপাহৰে বুলি মন্তব্য কৰি ড° শইকীয়াই কয়, “গ্ৰন্থধন অদ্ৰাব্য আৰু অদহনীয় সম্পদ। এই সম্পদ দানৰ তুল্য আন একো হ'ব নোৱাৰে। এনে অনুপম দানকৰ্ম সম্পাদন কৰি কানৈ ফাউণ্ডেশ্যন নিজেই ধন্য হ'ল।” সভাত মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ নৰেন চন্দ্ৰ ঠাকুৰীয়া, পীতাম্বৰদেৱ গোস্বামী কনিষ্ঠ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ঘনকান্ত নাথ, শিক্ষক গোটৰ সভাপতি ড° ব্ৰজেন চন্দ্ৰ নেওগ, অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক বসন্ত বৰা, গ্ৰন্থাগাৰ পৰিচালনা সমিতিৰ সদস্যস ক্ৰমে ইংৰাজী বিভাগৰ মূৰব্বী অপূৰ্বজ্যোতি হাজৰিকা, অসমীয়া বিভাগৰ মুৰব্বী ড° দুলাল হাজৰিকা, অধ্যাপক নৰজিৎ চেলেং, কৰ্মচাৰী গোটৰ সভাপতি দেৱজিৎ বৰুৱা প্ৰমুখ্যে লোকসকল উপস্থিত থাকে। কানৈ ফাউণ্ডেশ্যনে প্ৰদৰ্শন কৰা বদান্যতাৰ বাবে মাজুলীবাসীৰ হৈ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তথা আউনীআটীয় সত্ৰাধিকাৰ ড° পীতাম্বৰদেৱ গোস্বামী, ভোগপুৰ সত্ৰৰ অধিকাৰ দত্তদেৱ গোস্বামী, নতুন কমলাবাৰী সত্ৰৰ অধিকাৰ সত্যজিত মহন্ত, মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, শিক্ষক গোটৰ উপ-সভাপতি ড° ৰূপজ্যোতি বৰা, সম্পাদক ড° অনুপ কুমাৰ দলে, সঞ্চয় আৰু ঋণদান সমবায় সমিতিৰ সম্পাদক ড° ৰাজেন চন্দ্ৰ বৰা, ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযানৰ মহাবিদ্যালয়ৰ নডেল বিষয়া দেৱজ্যোতি খাটনিয়াৰ, প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সভাপতি সুৰেন্দ্ৰ নাথ মুদৈ, সম্পাদক অধ্যাপক তুলসী ৰাজখোৱা, জিলা সাংবাদিক সন্থাৰ সভাপতি দিবাকৰ শইকীয়া, সম্পাদক ডিম্বেশ্বৰ দত্ত, জিলা নাট্য সন্মিলনৰ সভাপতি ৰঞ্জিত কুমাৰ ভূঞা, জিলা কবি সন্মিলনৰ সভাপতি যুগল হাজৰিকা, জিলা মইনা পাৰিজাতৰ সভাপতি খগেন হাজৰিকা, ৰূপবৰণ চিত্ৰকলা বিদ্যালয়ৰ অধ্যক্ষ দীপু বৰা, ‘আপকু’ৰ ৰাজ্যিক উপ-সভাপতি জীৱন বৰুৱা, জিলা আপকুৰ সভাপতি ৰঞ্জন বৰা, অসম কলেজ শিক্ষক সংস্থা, মাজুলী মণ্ডলৰ সম্পাদক ডঃ দেৱজ্যোতি ভট্টাচাৰ্য প্ৰমুখ্য বিশিষ্ট ব্যক্তিসকলে কৃতজ্ঞতা প্ৰকাশ কৰি বাৰ্তা প্ৰেৰণ কৰিছে।

**□ সমস্যা সমাধানৰ ক্ষেত্ৰত গুৰুত্ব দিবলৈ আহ্বান □**

# এজাক বৰষুণতে বিদ্যুৎ কৰ্তনক লৈ অতিষ্ঠ জনতা

**অসম বাৰ্তা, দেৰগাঁও, ২৩ মে' ঃ** দেৰগাঁৱত বিদ্যুৎ বিভাগৰ কৰ্ম কাণ্ডই অতিষ্ঠ কৰি তুলিছে জনসাধাৰণক। সঘনাই বিদ্যুৎ কৰ্তন, গ্ৰাহকে নিয়মিতভাৱে বিদ্যুৎ মাচুল পৰিশোধ কৰাৰ পাছতো অধিক বিদ্যুতৰ বিল প্ৰেৰণ কৰা, নিয়মিতভাৱে গ্ৰাহকৰ মিটাৰ ৰিডিং নোলোৱা আদিকে ধৰি বহু অভিযোগ উত্থাপিত হৈ থকা দেৰগাঁৱৰ বিদ্যুৎ বিভাগে সঘনাই বিদ্যুৎ কৰ্তন কৰি জনসাধাৰণক জলা কলা খুৱাইছে। বিশেষভাৱে দেৰগাঁও নগৰৰ পৰা পশ্চিম দিশৰ নদী কাষৰীয়া মিচিং জনগোষ্ঠী অধ্যুষিত আমগুৰি, বৰমুকলি, বামুণীবিল, বেলগুৰি, কলিয়া, চিনাইচুক, বোকোৱা আদি কৰি অৰ্ধশতাধিক গাঁৱৰ লগতে বৃহত্তৰ ধোদাং অঞ্চলৰ বিদ্যুৎ সঘনাই কৰ্তন কৰি জনসাধাৰণক জীয়াতু ভোগাইছে। ৰাইজৰ অভিযোগ অনুসৰি সাধাৰণ এজাক বৰষুণ বা বতাহ আহি গছৰ পাত লৰে মানে ইফালে কাৰেণ্ট কৰ্তন কৰেই। বতাহ অলপ বেছি হ'লে এসপ্তাহলৈকে বিদ্যুৎ যোগান ব্যাহত হৈ পৰে। অভিযোগ অনুসৰি, এই ক্ষেত্ৰত নিৰ্দিষ্ট লাইনমেনগৰাকীকো যোগাযোগ কৰি কোনো সদুত্তৰ নাপায়। দেৰগাঁও বিদ্যুৎ উপ-সংমণ্ডল কাৰ্যালয়ৰ লগত যোগাযোগ কৰিলে বিষয়টো কোনো গুৰুত্ব নিদিয়াৰ অভিযোগ উত্থাপন কৰিছে ভুক্তভোগী ৰাইজে। ফলত বৃহত্তৰ অঞ্চলটোৰ ৰাইজে নিশা হ'লেই মমবাতি জ্বলাই যিকোনো কাম কৰিবলগীয়া হোৱাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলেও অতি কষ্টৰে মমবাতি জ্বলাই পঢ়া-শুনা কৰিব লগা পৰিস্থিতিৰ সৃষ্টি হয়। দীৰ্ঘদিন ধৰি উল্লিখিত গাঁও আৰু অঞ্চলবাসীয়ে এই সমস্যাৰ সন্মুখীন হৈ আহিছে। এজাক বৰষুণৰ পাছতে সৃষ্টি হোৱা বিদ্যুৎ বিভাগৰ এই সমস্যা কেতিয়া সামাধান হ'ব তাকে লৈ অঞ্চলটোৰ সচেতন ৰাইজে প্ৰশ্ন অৱতাৰণা কৰিছে। একপ্ৰকাৰ দেৰগাঁও বিদ্যুৎ বিভাগৰ অকৰ্মণ্যতাৰ বাবেই সঘনাই এনে সমস্যাৰ সৃষ্টি হৈ আহিছে বুলি বিভিন্নজনে অভিযোগ উত্থাপন কৰিছে। শীঘ্ৰে বৃহত্তৰ অঞ্চলটোৰ ৰাইজৰ বিদ্যুতৰ এই সমস্যা সমাধান কৰিবলৈ দেৰগাঁও বিদ্যুৎ উপ সংমণ্ডলৰ বিষয়াক সংবাদ মাধ্যমৰ যোগেদি আহ্বান জনাইছে অঞ্চলটোৰ সচেতন ৰাইজে।

# তিনিচুকীয়া জিলাত অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য আৰু মজুত সম্পৰ্কত জিলা পৰ্যায়ৰ টাস্ক ফৰ্চৰ বৈঠক সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৩ মে' ঃ** তিনিচুকীয়া জিলাৰ অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য আৰু মজুত সম্পৰ্কীয় জিলা পৰ্যায়ৰ টাস্ক বৈঠক আজি জিলা আয়ুক্ত সুমিত ছাত্তাৱানৰ সভাপতিত্বত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। জিলা আয়ুক্ত গৰাকীয়ে সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি সকলোৱে দায়বদ্ধতা আৰু জনসেৱাৰ মনোভাৱেৰে দায়িত্ব পালন কৰিবলৈ আহ্বান জনায়। তেখেতে কয় যে পেট্ৰ'ল, ডিজেলৰ মূল্য বৃদ্ধিৰ অচিলাৰে কোনো ব্যৱসায়ীয়ে অবাঞ্চিত সুযোগ সুবিধা যাতে লাভ কৰিব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব। তেখেতে সকলো পাইকাৰী আৰু খুচুৰা বিক্ৰেতা প্ৰতিষ্ঠানত মূল্য সূচী নিশ্চিতভাৱে আৰি ৰখাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট বিভাগৰ বিষয়াসকল নিৰ্দেশ দিয়ে। সামাজিক মাধ্যমৰ ওপৰত সতৰ্ক দৃষ্টি ৰখাৰ লগতে সামগ্ৰীৰ আন্তঃৰাজ্যিক সৰবৰাহ, সকলো ব্যৱসায়িক প্ৰতিষ্ঠানত সক্ৰিয় চিচিটিভি কেমেৰা সংস্থাপন, সৰ্বসাধাৰণ ৰাইজৰ সহায় হোৱাকৈ বিনামূলীয়া সহায়ক নম্বৰ প্ৰৱৰ্তন কৰিবলৈ তেখেতে সংশ্লিষ্ট বিভাগৰ বিষয়া সকলক নিৰ্দেশ দিয়ে। আজিৰ সভাত অতিৰিক্ত আয়ুক্ত পংকজ কুমাৰ নাগবংশী, অতিৰিক্ত আৰক্ষী অধীক্ষকদ্বয় মৃণ্ময় দাস আৰু ড° দিগন্ত বৰুৱা, সহকাৰী আয়ুক্ত প্ৰণামী গগৈ, খাদ্য ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ উপ সঞ্চালক বিৰিঞ্চি কুমাৰ দত্ত, জিলা কৃষি বিষয়া ৰজিত দত্ত প্ৰমুখ্যে শীৰ্ষ বিষয়াবৰ্গ উপস্থিত থাকে।

# সৰুপথাৰ সমজিলাৰ বৰপথাৰত অচিনাক্ত মৃতদেহ উদ্ধাৰ

**অসম বাৰ্তা, সৰুপথাৰ, ২৩ মে' ঃ** গোলাঘাট জিলাৰ সৰুপথাৰ সমজিলাৰ অন্তৰ্গত বৰপথাৰত এটা অচিনাক্ত মৃতদেহ উদ্ধাৰ হোৱাক কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। বৰপথাৰ নগৰৰ ১০ নং ৱাৰ্ডৰ এটা নৱনিৰ্মিত উন্মুক্ত নলাৰ কাষত এজন লোকৰ মৃতদেহ তললৈ মূৰ কৰি অতি ৰহস্যজনকভাৱে পৰি থকা অৱস্থাত স্থানীয় ৰাইজে প্ৰত্যক্ষ কৰে। স্থানীয় লোকৰ মুখদাপত এই খবৰ বিয়পি পৰাৰ লগে লগে উক্ত স্থানত বহু লোক সমবেত হয়, যদিও বৰ্তমান সময়লৈকে উদ্ধাৰ হোৱা মৃতদেহটো কাৰোৱে চিনাক্ত কৰিব পৰা হোৱা নাই আৰু লোকজনৰ পৰিচয় সম্পূৰ্ণৰূপে অজ্ঞাত হৈয়েই আছে। ইফালে ঘটনা সন্দৰ্ভত স্থানীয় লোকে খবৰ দিয়াত বৰপথাৰ আৰক্ষীৰ এটা দল ততাতৈয়াকৈ ঘটনাস্থলিত উপস্থিত হয় আৰু পৰিস্থিতিৰ বুজ লৈ মৃতদেহটো নিজৰ জিম্মাত লয়। আৰক্ষীয়ে প্ৰাথমিক তদন্ত চলোৱাৰ পিছত মৃত্যুৰ প্ৰকৃত কাৰণ আৰু ৰহস্য ফাদিল কৰাৰ উদ্দেশ্যে মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে গোলাঘাটলৈ প্ৰেৰণ কৰে আৰু ঘটনাটোৰ সন্দৰ্ভত এক গভীৰ তদন্ত আৰম্ভ কৰিছে। স্থানীয় মহিলা এগৰাকীয়ে কয়, ‘‘এজন লোকে মোক খবৰ দিলতহে মই গম পাইছিলোঁ। মানুহ এজন তললে মুখ কৰি পৰি আছে। নাই মূৰ দেখিছো, নাই হাত দেখিছো। কোন হয় কোনেও ক'ব নোৱাৰো, খালি তলত মানুহ এজন পৰি আছে, সেইটোৱে হয়। নলাৰ কাষত পৰি আছিল। গেঞ্জী পিন্ধি পৰি আছে। লোকজনৰ মুখখনো দেখা নাই, সম্পূৰ্ণ ডাঙৰ নে সৰু, বুঢ়া একোৱেই দেখা নাই। অকল হাতটো আৰু অকল গাতোহে ওলাই আছে। এতিয়া পুলিচ আহিছে, ৰাইজ গোট খাইছে, মুখখন দেখিলেহে চাগে কোনোবাই চিনি পাব।”

## নগাঁৱৰ ঘাইপথত ৰখাই থ'ব নোৱাৰিব গধুৰ, বাণিজ্যিক যানবাহন

**অসম বাৰ্তা, পুৰণিগুদাম, ২৩ মে' ঃ** ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত দুৰ্ঘটনা হ্ৰাস কৰাৰ উপায় হিচাপে দেশৰ সৰ্বোচ্চ ন্যায়ালয়ে দিয়া নিৰ্দেশ অনুসৰি এতিয়াৰে নগাঁও জিলাৰো ঘাইপথ চোৱাত গধুৰ আৰু বাণিজ্যিক যানবাহন ৰখাই থব নোৱাৰিব। আজি জিলা আয়ুক্ত দেৱাশিস শৰ্মাই ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ ধাৰাৰ বিধি অনুসৰি এই ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰিছে। সেই অনুসৰি গধুৰ যানবাহন আৰু বাণিজ্যিক যানবাহন কোনো কাৰণতে ৰাষ্ট্ৰীয় ঘাইপথত ৰখাই থব নোৱাৰিব। এই যানবাহন ৰখোৱাৰ বাবে থকা নিৰ্দিষ্ট ঠাইতহে সেইবোৰ ৰখাব পৰা যাব। এই নিৰ্দেশ অমান্য কৰিলে আইনৰ বিধি অনুসৰি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি নিৰ্দেশটোৰ সকীয়াই দিয়া হৈছে।

# নাজিৰাৰ নৱনিৰ্বাচিত বিধায়ক ময়ূৰ বৰগোহাঁইক সম্বৰ্ধনা

**অসম বাৰ্তা, গেলেকী, ২৩ মে' ঃ** ২০২৬ ৰ বিধানসভা নিৰ্বাচনত কংগ্ৰেছ দলৰ দুৰ্গ স্বৰূপ ৯৭ নং নাজিৰা বিধানসভা সমষ্টিত বিজেপি দলৰ বিজয়ধ্বজা উৰুৱাবলৈ সক্ষম হোৱা নৱ নিৰ্বাচিত বিধায়ক ময়ূৰ বৰগোহাঁইক সম্বৰ্ধনা জনোৱাৰ উদ্দেশ্যেৰে নাজিৰা এম চি ক্লাৱৰ প্ৰেক্ষাগৃহত অসম গণ পৰিষদৰ নাজিৰা সমষ্টি সমিতিৰ উদ্যোগত এখনি সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। অসম গণ পৰিষদ নাজিৰা সমষ্টি সমিতিৰ সম্পাদক ইন্দ্ৰজিৎ দোলাকাষৰীয়াই আঁতধৰা সভাপতি মৃদুল মহন্তৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত অগপৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতিদ্বয় তুলসী গগৈ, বলোৰাম কুৰ্মী, দলটোৰ ভাতৃ সংগঠন অসম যুৱ পৰিষদৰ কেন্দ্ৰীয় সম্পাদক সুদৰ্শন হাজৰিকা, বিজেপি নাজিৰা মণ্ডলৰ সভাপতি ৰূপজ্যোতি লাহন, অসম গণ পৰিষদ নাজিৰা সমষ্টি



সমিতিৰ সম্পাদক সম্পাদক দুৰ্লভ মহন, উপ-সভাপতি শ্যামল মহন, অসম মহিলা পৰিষদ নাজিৰা সমষ্টি সমিতিৰ সভানেত্ৰী অমিয়া চাংমাই, সম্পাদিকা তথা ৱাৰ্ড কমিচনাৰ চিলমী বৰা, অসম কৃষক পৰিষদ শিৱসাগৰ জিলাৰ সম্পাদক নাজিম আলী, অগপ শিৱসাগৰ জিলা সমিতিৰ সম্পাদক নিত্য কলিতা আৰু শান্তনু বৰগোহাঁই, অসম যুৱ পৰিদৰ নেতা আইফালান গগৈ, অৰুণ কোঁৱৰ, সংখ্যালঘু পৰিষদ, মহিলা পৰিষদ, চাহ কোষৰ বিষয়ববীয়াসকলৰ লগতে অগপ দলৰ পৰা নিৰ্বাচিত পঞ্চায়ত আৰু নাজিৰা নগৰৰ ৱাৰ্ড সদস্য সকল উপস্থিত থাকে। অনুষ্ঠানতে অসম গণ পৰিষদৰ নাজিৰা বিধানসভা সমষ্টিৰ সমিতি, মহিলা পৰিষদ, যুৱ পৰিষদকে ধৰি সমষ্টিটোৰ কেওখন আঞ্চলিক সমিতিৰ তৰফৰ পৰা বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ নৱ নিৰ্বাচিত বিধায়ক ময়ূৰ বৰগোহাঁইক বিপুল সম্বৰ্ধনা জ্ঞাপন কৰে। সম্বৰ্ধনা গ্ৰহণ কৰি নৱ নিৰ্বাচিত বিধায়ক ময়ূৰ বৰগোহাঁয়ে ভাষণ প্ৰসংগত সমষ্টিৰ সৰ্বাংগীণ উন্নয়নৰ বাবে জনগণে বিপুল ভোটত জয়ী কৰোৱাৰ পিছত জনগণৰ আশা-আকাংক্ষা পূৰণৰ বাবে দল-সংগঠন পৰিহাৰ কৰি সৰ্বটো প্ৰকাৰে নিঃস্বাৰ্থভাৱে ৰাইজৰ বাবে কাম কৰি যোৱাৰ পোষকতা কৰে। লগতে শিক্ষা, স্বাস্থ্য, ক্ৰীড়া আদি সকলো দিশতে উন্নয়নৰ হকে কাম কৰি যাম বুলি কয়। নৱ-নিৰ্বাচিত বিধায়ক গৰাকীয়ে সমষ্টিটোৰ উন্নয়নৰ স্বাৰ্থত জনগণৰ প্ৰতিনিধি, সংবাদসেৱী, দল-সংগঠনৰ প্ৰতিনিধি সকলোকে একলগ কৰি আলোচনাত মিলিত হৈ সুপৰিকল্পিতভাৱে আঁচনি প্ৰস্তুত কৰি সমষ্টিটোৰ উন্নয়নৰ ক্ষেত্ৰত কৰিবলগীয়া কাম - কাজ আগবঢ়াই নিম বুলি ভাষণ প্ৰসংগত ব্যক্ত কৰে।

# অভিভাৱকেই হৈছে সন্তানৰ মূল ভেটি আৰু উন্নতিৰ দিশে আগবঢ়োৱা প্ৰথমটো ঢাপ ঃ অধ্যক্ষ ৰূপক বৈশ্য

## ১০০ শতাংশ উপস্থিতিৰে নলবাৰীৰ বনগাঁৱৰ জেকেকে শিক্ষা প্ৰতিষ্ঠানৰ প্ৰথমখন অভিভাৱক সভা

**অসম বাৰ্তা, চামতা, ২৩ মে' ঃ** অভিভাৱকেই হৈছে সন্তানৰ মূল ভেটি আৰু উন্নতিৰ দিশে আগবঢ়োৱা প্ৰথমটো ঢাপ। এই মন্তব্য নলবাৰীৰ কুমাৰীকাটাস্থিত ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ তথা বনগাঁৱৰ জেকেকে শিক্ষা প্ৰতিষ্ঠানৰ কাৰ্যবাহী পৰিচালন সঞ্চালক ৰূপক বৈশ্যৰ। ২১ মে'ৰ সন্ধিয়া ৬ বজাত নলবাৰী জিলাৰ ৪০ নং টিহু বিধানসভা সমষ্টিৰ অন্তৰ্গত ২৩ নং বনগাঁও গাঁও পঞ্চায়তৰ ওপৰ মহলাত থকা জেকেকে শিক্ষা প্ৰতিষ্ঠানৰ প্ৰথমখন অভিভাৱক সভাত এই মন্তব্য প্ৰদান কৰি অধ্যক্ষ ৰূপক বৈশ্যই বহুকেইটা অতি গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়ায়। অধ্যক্ষ ৰূপক বৈশ্যই শিক্ষা প্ৰতিষ্ঠানখনৰ এমাহ সম্পূৰ্ণ হোৱাৰ পৰিপ্ৰেক্ষিতত আয়োজিত উক্ত প্ৰথমখন অভিভাৱক সভাত সময়ৰ সৈতে খোজ মিলাই চলিবই লাগিব বুলি উল্লেখ কৰি শিক্ষাৰ্থীসকলে সম্পূৰ্ণ ১০০ শতাংশ নম্বৰলাভৰ লগতে নৈতিকতাৰ দিশেৰেও মানৱ সম্পদ হোৱাৰ বাবে শিক্ষকসকলৰ সমান্তৰালভাৱে অভিভাৱক-অভিভাৱিকাৰো গুৰুদায়িত্ব থকাৰ কথা মুকলিকৈ প্ৰকাশ কৰি অৰ্থৱহ ভাষণ প্ৰদান কৰে। লগতে অধ্যক্ষ ৰূপক বৈশ্যই ম'বাইলৰ আসক্তিৰ পৰা পৰিত্ৰাণ পাবলৈ বিশেষকৈ মাতৃসকলে নিজেও ম'বাইলৰ পৰা আঁতৰি থাকি সচেতনতা বৃদ্ধিত অৰিহণা যোগাই যাব লাগিব বুলি আহ্বান জনায়। শিক্ষা প্ৰতিষ্ঠানখনৰ মুখ্য পৰিচালন সঞ্চালক মীৰা ৰাণী ডেকাৰ সভাপতিত্বত অনুষ্ঠিত হৈ যোৱা সভাখনত পৰিচালন সঞ্চালক চিত্তৰঞ্জন শৰ্মাই অত্যাধুনিক প্ৰযুক্তিবিদ্যাৰ প্ৰতি ধাউতি বৃদ্ধি হোৱাটো শুভলক্ষণ যদিও পাঠ্যপুথি অধ্যয়নৰ ওপৰতহে অধিক গুৰুত্ব প্ৰদান কৰিব লাগিব বুলি পৰামৰ্শ দিয়াৰ লগতে অভিভাৱকেই মূল চালিকা শক্তি বুলি বক্তব্য আগবঢ়ায়। ২৩ নং বনগাঁও গাঁও পঞ্চায়তৰ সৌজন্যত চলি থকা শিক্ষা প্ৰতিষ্ঠানখনৰ সভাকক্ষত শিক্ষক কমল কুমাৰ তালুকদাৰে আঁত ধৰা সভাখনত শিক্ষা প্ৰতিষ্ঠানখনৰ মুখ্য পৰিচালন সঞ্চালক মীৰা ৰাণী ডেকাই বিষয় আৰু পাঠদান প্ৰক্ৰিয়া সম্পৰ্কে বিতংকৈ বৰ্ণনা দাঙি ধৰি সকলোৰে সম্পূৰ্ণ সহযোগিতা কামনা কৰাৰ উপৰি প্ৰায় ১০০ শতাংশ উপস্থিতিৰে সভাখন সফল কৰি তোলাৰ দিশত অংশগ্ৰহণ কৰা বাবে অভিভাৱক-অভিভাৱিকাসকলক ধন্যবাদ জনোৱাৰ লগতে শলাগ লয়। শিক্ষাৰ্থী, শিক্ষক তথা অভিভাৱক-অভিভাৱিকা মিলি মুঠ প্ৰায় শতাধিক শিক্ষানুৰাগীৰ উপস্থিতিত সভাপতিৰ আসনৰ পৰা শিক্ষা প্ৰতিষ্ঠানখনৰ মুখ্য পৰিচালন সঞ্চালক মীৰা ৰাণী ডেকাই নৈতিক সংস্কাৰ তথা আচৰণবিধিৰ ওপৰত অধিক গুৰুত্ব দিবলৈ বিশেষভাৱে মাতৃসকলক অনুৰোধ জনায়। এই প্ৰতিষ্ঠানখনে সুদূৰপ্ৰসাৰী উন্নত ফলাফল প্ৰদৰ্শন কৰাত গুৰুত্ব আৰোপ কৰি শ্ৰেণী পৰীক্ষা, সাপ্তাহিক পৰীক্ষাৰ উপৰি প্ৰতিমাহে নিৰ্দিষ্ট বিষয়ৰ ওপৰত লিখিত মাহিলী পৰীক্ষাসমূহ নিয়মীয়াকৈ অনুষ্ঠিত কৰি যাব বুলি অঙ্গীকাৰ গ্ৰহণেৰে বদ্ধ পৰিকৰ বুলি জেকেকে শিক্ষা প্ৰতিষ্ঠানৰ কাৰ্যবাহী পৰিচালন সঞ্চালক ৰূপক বৈশ্যই জানিবলৈ দিয়ে। উল্লেখনীয় যে, উন্নত মানবিশিষ্ট শিক্ষাদানৰ ফলশ্ৰুতিত এমাহ সম্পূৰ্ণ নৌহওঁতেই দ্বিতীয় শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ প্ৰায় অৰ্ধশতাধিক শিক্ষাৰ্থীৰ নামভৰ্তি য়ে শিক্ষা প্ৰতিষ্ঠানখনলৈ এক আশাব্যঞ্জক বাৰ্তা কঢ়িয়াই অনা পৰিলক্ষিত হৈছে। উল্লেখ্য যে, সভাখনৰ পূৰ্বে শিক্ষাৰ্থীসকলৰ মাজত গণিত বিষয়ৰ ওপৰত প্ৰথম মাহিলী পৰীক্ষাটি অনুষ্ঠিত কৰা হয়।

# কৃতী প্ৰধান শিক্ষক, সাংস্কৃতিক কৰ্মী লংকেশ্বৰ শৰ্মাৰ বিদায় সম্বৰ্ধনা

**অসম বাৰ্তা, পাথৰিঘাট, ২৩ মে' ঃ** স্বাধীনতা লাভৰ ৮ বছৰ পুৰ্বেই ১৯৩৯ চনতেই দৰং জিলাৰ বৃহত্তৰ হাজৰিকাপাৰাৰ ঐতিহাসিক ৰাইনাপিত পুখুৰীৰ উত্তৰ পাৰত স্থাপিত ছিপাঝাৰ শিক্ষা খণ্ডৰ অন্তৰ্গত হাজৰিকাপাৰা মণ্ডল সমল কেন্দ্ৰৰ ১৪৬নম্বৰ হাজৰিকাপাৰা বালিকা বুনিয়াদী বিদ্যালয়ৰ প্ৰধান শিক্ষক লংকেশ্বৰ শৰ্মাই চলিত বৰ্ষৰ ৩১ মাৰ্চ তাৰিখে চৰকাৰী ভাবে শিক্ষকতা জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে। তদুপলক্ষে আজি বিদ্যালয় পৰিচালনা সমিতি, শিক্ষক, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু আঞ্চলিক ৰাইজৰ উদ্যোগত বিদ্যালয় প্ৰাংগণত এখনি বিদায় সম্বৰ্ধনা সভা অনুষ্ঠিত কৰা হয়। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি নিলাংক চহৰীয়া আৰু ৰাজ্যিক কৃতী শিক্ষকৰ বঁটা প্ৰাপক অৱসৰ প্ৰাপ্ত শিক্ষক শিৱ প্ৰসাদ শৰ্মাই আঁত ধৰা আৰু বিশিষ্ট সমাজকৰ্মী তাৰিণী চহৰীয়াৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনৰ আৰম্ভণিতে বিদ্যালয়ৰ শিক্ষাৰ্থী সকলৰ দ্বাৰা এটি সমবেত সংগীত পৰিবেশন কৰা হয়। উল্লেখ্য যে সভাৰ অন্তত সুদীৰ্ঘ ২৮ বছৰ একেৰাহে একেখন বিদ্যালয়তে শিক্ষকতা কৰা আৰু ২০২৫ বৰ্ষৰ জিলা কৃতী শিক্ষকৰ বঁটা প্ৰাপক, সাংস্কৃতিক কৰ্মী তথা অভিনেতা লংকেশ্বৰ শৰ্মাক বেণ্ড পাৰ্টী, আই নামৰ দলৰ সহিতে বিদ্যালয় পৰিচালনা সমিতি, শিক্ষক, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু আঞ্চলিক ৰাইজে বিশাল শোভাযাত্ৰাৰে নিজ গৃহলৈ আদৰি লৈ যায়। বিদায়ী প্ৰাৰ্থী লংকেশ্বৰ শৰ্মাক ফুলাম গামোচা, শৰাই, মানপত্ৰ, জাপি আদিৰে সম্বৰ্ধনা জ্ঞাপন কৰা সভাখনত বিদ্যালয়ৰ শিক্ষক-শিক্ষয়ত্ৰী ক্ৰমে প্ৰণীতা বৰুৱা, পূৰৱী শৰ্মা, বিকাশ চহৰীয়া, অনামিকা দাস, ধনজিতা দাস আৰু সিতিস্মা কলিতা প্ৰমুখ্যে বৃহত্তৰ হাজৰিকাপাৰা অঞ্চলৰ কেবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকি ভাষণ প্ৰদান কৰাৰ লগতে কেবাগৰাকীও বিদ্যালয়ৰ শিক্ষাৰ্থীয়ে একোটিকৈ গীত পৰিৱেশন কৰি উপস্থিত ৰাইজক আপ্লুত কৰে।

## সম্পাদকীয়

# NTAৰ সময়সীমা

**দে**শৰ অন্যতম বৃহৎ পৰীক্ষা সংস্থা নেশ্যনেল টেষ্টিং এজেন্সীয়ে (NTA) সম্প্ৰতি UGC-NET জুন ২০২৬ পৰীক্ষাৰ বাবে অনলাইন আবেদন পত্ৰ দাখিলৰ অন্তিম তাৰিখ বৃদ্ধি কৰি এক গুৰুত্বপূৰ্ণ আৰু ছাত্ৰ-ছাত্ৰীৰ হিতৰ পক্ষে সিদ্ধান্ত গ্ৰহণ কৰিছে। পৰীক্ষাৰ্থীসকলৰ সুবিধাৰ্থে লোৱা এই পদক্ষেপে দেশজুৰি উচ্চশিক্ষাৰ বাবে আগ্ৰহী লক্ষাধিক প্ৰাৰ্থীক স্বস্তি প্ৰদান কৰিছে। ছ'চিয়েল মিডিয়া প্লেটফৰ্ম এক্সত (X) এয়া 'ভাল খবৰ' বুলি শ্বেয়াৰ কৰি NTA-ই স্পষ্টীকৰণ দিছে যে আবেদন কৰাৰ এয়াই শেষ সুযোগ আৰু ইয়াৰ পিছত কোনো ধৰণৰ সময় বৃদ্ধি কৰা নহ'ব। এই স্পষ্টতাৰে সংস্থাটোৱে পৰীক্ষাৰ্থীসকলৰ মাজত সজাগতা আৰু দায়বদ্ধতা দুয়োটাকে নিশ্চিত কৰিব বিচাৰিছে।

নতুন নিৰ্ধাৰিত সময়সূচী অনুসৰি, UGC-NET জুন ২০২৬ পৰীক্ষাৰ বাবে আবেদন পত্ৰ জমা দিয়াৰ অন্তিম তাৰিখ ২৪ মে', ২০২৬ (ৰাতি ১১.৫০ বজালৈ) স্থিৰ কৰা হৈছে। একেদিনাই ৰাতি ১১.৫০ বজালৈকে মাছুল পৰিশোধৰো সময়সীমা বৰ্ধিত কৰা হৈছে। ইয়াৰ উপৰিও আবেদন পত্ৰৰ ভুল সংশোধনৰ বাবে আগন্তুক ২৬ মে'ৰ পৰা ২৮ মে', ২০২৬ (ৰাতি ১১.৫০ বজালৈ) পৰ্যন্ত এখন সংশোধন উইণ্ড' (Correction Window) খোলা থাকিব। এই তিনিদিনীয়া সংশোধনী সময়ছোৱাত প্ৰাৰ্থীসকলে যিকোনো অনিচ্ছাকৃত ভুল শুধৰাব পাৰিব, যাৰ ফলত ভুল তথ্যৰ বাবে পৰীক্ষাত অপাত অযোগ্য ঘোষিত হোৱাৰ আশংকা বহুলাংশে হ্ৰাস পাইছে। এণ্ট্ৰান্স পৰীক্ষাৰ ক্ষেত্ৰত এইধৰণৰ অন্তিম সুযোগ প্ৰদান কৰাটো সততে দেখা নাযায়; সেয়ে NTA-ৰ এই পদক্ষেপক সন্মান জনাবই লাগিব। উল্লেখ্য যে, ২০১৮ চনৰ ডিচেম্বৰ মাহৰ পৰা NTA-ই কম্পিউটাৰ ভিত্তিক টেষ্ট (CBT) মাধ্যমত UGC-NET পৰীক্ষা অনুষ্ঠিত কৰি আহিছে। ভাৰতীয় বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়সমূহত সহকাৰী অধ্যাপক পদত নিযুক্তি আৰু জুনিয়ৰ ৰিচাৰ্চ ফেল'শ্বিপ (JRF) লাভৰ যোগ্যতা নিৰূপণৰ বাবে এই পৰীক্ষাটো এটা প্ৰৱেশদ্বাৰস্বৰূপ। পৰীক্ষাৰ প্ৰথম আৰু দ্বিতীয় দুয়োখন পত্ৰৰ সামগ্ৰিক প্ৰদৰ্শনৰ ভিত্তিতেই এই যোগ্যতা নিৰ্ণয় কৰা হয়। গতিকে এনে এক গুৰুত্বপূৰ্ণ পৰীক্ষাৰ বাবে সময়সীমা বৃদ্ধিয়ে প্ৰাৰ্থীসকলক অধিক পৰিপক্কভাৱে প্ৰস্তুতি লোৱাৰ আৰু প্ৰয়োজনীয় নথিপত্ৰ সংগ্ৰহ কৰাৰ সুযোগ দিছে।


কেৱল UGC-NETৰ বাবেই নহয়, আন এক জাননীযোগে NTA-ই NEET (UG)-২০২৬ৰ পঞ্জীয়ন পৰ্টেলত পৰীক্ষাৰ মাছুল ঘূৰাই পোৱাৰ (Fee Refund) বাবেও এক নতুন লিংক সক্ৰিয় কৰিছে। এই লিংকৰ জৰিয়তে যোগ্য প্ৰাৰ্থীসকলে নিজৰ পছন্দৰ বেংক একাউণ্টৰ সবিশেষ তথ্য জমা দিব পাৰিব। বেংক একাউণ্টৰ তথ্য জমা দিয়াৰ অন্তিম সময়সীমা ২৭ মে', ২০২৬ (ৰাতি ১১.৫০ বজালৈ) বুলি নিৰ্ধাৰণ কৰা হৈছে। মাছুল ঘূৰাই লোৱাৰ ব্যৱস্থা এণ্ট্ৰান্স পৰীক্ষাসমূহত সততে জটিল আৰু দীৰ্ঘসূত্ৰী হয়, কিন্তু NTA-ই এই ক্ষেত্ৰতো এটা সহজ আৰু স্বচ্ছ পদ্ধতিৰ সূচনা কৰি পৰীক্ষাৰ্থীসকলৰ প্ৰতি নিজৰ প্ৰতিশ্ৰুতি পুনৰ দোহাৰিছে।

এই পদক্ষেপসমূহে NTAক এগৰাকী দায়বদ্ধ আৰু ছাত্ৰ-বান্ধৱ পৰীক্ষা সংস্থা হিচাপে প্ৰতিষ্ঠিত কৰাত সহায় কৰিছে। অৱশ্যে এয়া স্মৰণীয় যে সময়সীমা বৃদ্ধিৰ সুযোগ সদ্ব্যৱহাৰ কৰাটো প্ৰাৰ্থীসকলৰ নিজা দায়িত্ব। NTA-ই কেইবাবাৰো স্পষ্ট কৰিছে যে ইয়াৰ পিছত কোনো ধৰণৰ সময় বৃদ্ধি কৰা নহ'ব। গতিকে যিসকলে এতিয়াও আবেদন কৰা নাই বা যিসকলৰ আবেদনত সংশোধনৰ প্ৰয়োজন আছে, তেওঁলোকে বিলম্ব নকৰি নতুন সময়সীমাৰ ভিতৰতে প্ৰয়োজনীয় কাম সম্পন্ন কৰি লোৱাটো অতি জৰুৰী।

শেষত ক'ব পাৰি যে NTA-ৰ এই সিদ্ধান্তই প্ৰশাসনিক কাঠিন্যৰ মাজতো প্ৰাৰ্থীসকলৰ কণ্ঠস্বৰ শুনাৰ ক্ষমতা থকাটো প্ৰমাণ কৰিছে। কিন্তু ইয়াৰ লগতে পৰীক্ষা সংস্থাটোৱে নিৰ্ধাৰিত সময়সীমাৰ কঠোৰতাৰ বিষয়েও সজাগ কৰি ৰাখিছে। আশা কৰোঁ, ভৱিষ্যতত NTA-ই এনেদৰেই স্বচ্ছতা, সময়ানুবৰ্তিতা আৰু ছাত্ৰ-কল্যাণক প্ৰাধান্য দি আগবাঢ়ি যাব। এই পদক্ষেপসমূহে উচ্চ শিক্ষাৰ পৰীক্ষা ব্যৱস্থাটোত দীৰ্ঘদিনীয়া ধাৰণা হৈ অহা প্ৰশাসনিক গোলমাল আৰু অনিশ্চয়তা কিছু পৰিমাণে নাইকিয়া কৰিবলৈ সহায় কৰিব, যাৰ চৰম লাভান্বিত হ'ব দেশৰ ভৱিষ্যৎ প্ৰজন্ম অৰ্থাৎ প্ৰতিভাশালী পৰীক্ষাৰ্থীসকল।

# চৰকাৰী কাৰ্যালয়ত মাতৃভাষাৰ গুৰুত্ব

লক্ষ্মী প্ৰসাদ ডেকা



*মাতৃভাষা গুৰুত্ব ইমানেই বেছি যে অন্য ভাষাত কোনোৱে আৰু কোনো কথা কোৱা বা লেখাবোৰ শুনি বা পঢ়ি আমাৰ মাতৃভাষাৰেহে বুজি লোৱা উচিত। আনকি কোনো লেখা সমূহ অন্য ভাষাত লেখোঁতে নিজ মাতৃভাষা মনতে গোটাই লৈহে অন্য ভাষা লিখা ভাল। কূট কৌশল কৰি বা অন্য বেলেগ ধৰণে জাপি দিয়াৰ ভাষাৰ বাবে আমাৰ ইমান দৰদ বা মোহ কিয় তাকো চিন্তাৰ বিষয়। সঁচা কথা যে বা স্পষ্ট কথা অন্য ভাষাত যিমানেই দখল নাথাকক কিয় আৰু যিমানেই সেই ভাষাত পাণ্ডিত্য নাথাকক তেওঁ চিন্তা চৰ্চা মাথোঁন নিজ মাতৃভাষাতহে কথা-বতৰা লেখা মেলা কৰাটো অতি দৰকাৰ বুলি আমাৰ অনুভৱ। নহ'লে প্ৰজন্ম বা জাতিটোৱেই কোন দিশে ধাবিত হ'ব এবাৰ গভীৰভাবে পৰ্যালোচনা কৰাটো সময়ৰ আহ্বান।*

**যি** জাতিৰ সাহিত্য, কথিত ভাষাৰ পৰা যিমান নিলগ হৈ যায় সেই জাতিৰ জাতীয় জীৱনো সিমানেই ক্ষিণাবলৈ ধৰে আৰু অন্তঃত কেতিয়াবা তাৰ অস্তিত্বও লোপ পায়গৈ। সবল অসমীয়া ভাষাক সবল অসমীয়া জাতিৰ মেৰুদণ্ড বুলিছে। এটা ভাষা সবলীকৰণৰ জৰিয়তে এটা জাতিও সবল হ'ব পাৰে। এনে সবলীকৰণৰ বাবে সংশ্লিষ্ট ভাষা সাহিত্যৰ পৰিমাণ আৰু গুণগত দিশটো বিশেষ ভাবে প্ৰণিধানযোগ্য। কোনো ভাষাৰ সবলীকৰণৰ বাবে সেই ভাষা সংশ্লিষ্ট এলেকাৰ সৰ্বত্ৰ প্ৰয়োগৰ দ্বাৰা বহল প্ৰসাৰ প্ৰচাৰ হ'বই লাগিব।

১৯৬০ চনত অসম চৰকাৰে চৰকাৰী ভাষা আইনমতে ৰাজ্যখনৰ সকলো চৰকাৰী বিভাগ, কাৰ্যালয়, নিকায়, নিগম ইত্যাদিৰ কাম-কাজত মাতৃভাষা অসমীয়া ব্যৱহাৰ কৰাটো বাধ্যতামূলক যদিও আজি ৬৬ বছৰেও এই গুৰুত্বপূৰ্ণ আইনখন যথোচিত প্ৰয়োগ নকৰা কাৰ্যত অসমৰ জাতীয় অনুষ্ঠান অসম সাহিত্য সভাই অতি গভীৰ ক্ষোভ প্ৰকাশ কৰে কিন্তু এনে কাৰ্যত আজিও সফল হোৱা নাই। অতি দুৰ্ভাগ্যজনক কথা বা পৰিতাপৰ বিষয়, কথা যে অসমত অসমীয়া ভাষা প্ৰয়োগ কৰিবলৈ স্বাভিমানী অসমীয়াক বাধ্য কৰিব লগা হৈছে আইন প্ৰয়োগ কৰি ই জাতিৰ বাবে কিমান পৰিতাপৰ কথা। কাৰ অৱহেলা আৰু হেমাহিৰ বাবে এই গুৰুত্বপূৰ্ণ আইনখন প্ৰযোজ্য হোৱা নাই।

আজি ৬৬ বছৰে কিয় যথোচিতভাৱে কাৰ্যকৰী নহ'ল ইয়াৰ বাবে দায়ী কোন! অসমীয়া ভাষা আমাৰ 'মাতৃ ভাষা' গতিকে অসমত অসমীয়া অৰ্থাৎ মাতৃ ভাষা সকলো স্থানতে স্বাভাৱিক ভাবেই প্ৰয়োগ হ'ব লাগে। অসমত বসবাস কৰা আৰু পবিত্ৰ অসমক মাতৃভূমি বুলি জ্ঞান কৰা যিকোনো ব্যক্তিয়ে অসমীয়া ভাষা ব্যৱহাৰ কৰাটো নৈতিক দায়িত্ব আৰু কৰ্তব্য বুলি ভবাটো অতিকৈ দৰকাৰ। মাতৃভাষা প্ৰয়োগৰ বাবে যাৰ অধিকাৰ আছে তেওঁলোকেই যথোচিতভাৱে অধিকাৰ সাব্যস্ত কৰিব লাগিব। সেই কাৰণেই অধিকাৰ সাব্যস্ত কৰি উক্ত আইনখনৰ লক্ষ্য উদ্দেশ্য সফল কৰিব লাগিব।

মাতৃভাষা গুৰুত্ব ইমানেই বেছি যে অন্য ভাষাত কোনোৱে আৰু কোনো কথা কোৱা বা লেখাবোৰ শুনি বা পঢ়ি আমাৰ মাতৃভাষাৰেহে বুজি লোৱা উচিত। আনকি কোনো লেখা সমূহ অন্য ভাষাত লেখোঁতে নিজ মাতৃভাষা মনতে গোটাই লৈহে অন্য ভাষা লিখা ভাল। কূট কৌশল কৰি বা অন্য বেলেগ ধৰণে জাপি দিয়াৰ ভাষাৰ বাবে আমাৰ ইমান দৰদ বা মোহ কিয় তাকো চিন্তাৰ বিষয়। সঁচা কথা যে বা স্পষ্ট কথা অন্য ভাষাত যিমানেই দখল নাথাকক কিয় আৰু যিমানেই সেই ভাষাত পাণ্ডিত্য নাথাকক তেওঁ চিন্তা চৰ্চা মাথোঁন নিজ মাতৃভাষাতহে কথা-বতৰা লেখা মেলা কৰাটো অতি দৰকাৰ বুলি আমাৰ অনুভৱ। নহ'লে প্ৰজন্ম বা জাতিটোৱেই কোন দিশে ধাবিত হ'ব এবাৰ গভীৰ ভাবে পৰ্যালোচনা কৰাটো সময়ৰ আহ্বান। আমি এই বিষয় সমূহ দ'কৈ নভবা কাৰণেই জাতিটো তথা ভাষাটো মহাসংকট তথা বিভিন্ন সমস্যাৰে জৰ্জৰিত। অসম ভূমিত আমাৰ মাতৃভাষাৰেই হেৰাই যোৱা উপক্ৰম। ভাষাৰ প্ৰগতি তথা উন্নতিৰ কথা ভাবিবলৈ হ'লে সেই বিষয়টো বা বস্তুটো স্বাভাৱিক অথবা স্থিতাৱস্থাত থাকিব লাগিব। অসমৰ চৰকাৰী বিভাগ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ কাৰ্যালয়ৰ ভাষা মাতৃভাষা তথা ৰাজ্যিক ভাষা সুনিশ্চিত হওক। ইয়াৰ বাবে অসমৰ জনসাধাৰণৰ আটাইতকৈ গুৰুত্বপূৰ্ণ অসমৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠান, চৰকাৰী-বেচৰকাৰী আদিত কৰ্মৰত কৰ্মচাৰী সকলোৱে বিষয়টো গুৰুত্ব প্ৰদান কৰি অতি সদিচ্ছা আৰু আগ্ৰহেৰে বিষয়টো চোৱা প্ৰয়োজন। যদি ভাষাটোৰ প্ৰতি সদিচ্ছা আগ্ৰহ আৰু গুৰুত্ব নাথাকে ভাষাৰ শ্বহীদ অনিল বৰা, মোজাম্মিল হককে আদি কৰি মাতৃভূমিৰ হকে প্ৰাণ আহুতি দিয়া শ্বহীদ, নিৰ্যাতিতৰ মূল্যই বা ক'ত। সুজলা-সুফলা, সুৱদি অমিয়া ভাষাটো অৱহেলাৰ পাত্ৰ হোৱাটো চিন্তাৰ বিষয়। আইৰ কোলাত সিদিনাখনেই ভূমিষ্ঠ হোৱাৰ পৰা ভাষাটো অৱহেলিত হোৱাটো কিমান বেদনাদায়ক তাক অসমৰ জনগণে গুৰুত্ব দিয়াটো ভাল। এই ক্ষেত্ৰত বিষয়া-কৰ্মচাৰী, আমোলা আদিয়ে নিজৰ মাতৃভাষাটোৰ প্ৰতি অধিক মনোনিবেশ কৰাটো অতি প্ৰয়োজন। অসমৰ নানান কাৰ্যালয়ত কাম-কাজ, নথি-পত্ৰ, যোগাযোগ আৰু যিকোনো নিৰ্দেশনাৰ প্ৰশ্ন উত্তৰ মাতৃভাষা অসমীয়াত তৈয়াৰ কৰাত সৰ্বাধিক গুৰুত্ব প্ৰদান কৰক। আজি ৬৬ বছৰে আইন প্ৰণয়ন কৰা পাছতো কোনো সুফল আৰু ভাল ফলাফল নোহোৱাটো অতিশয় আশ্চৰ্য কথা। আজি কেৰেলা, তামিলনাডু, বিহাৰ আদি ৰাজ্যৰ মাতৃভূমিৰ প্ৰাধ্যনতাকিমান গুৰুত্ব ভাবিলে আচৰিত লাগে। এই ক্ষেত্ৰত আমিবোৰে আনৰ বস্তু অনুকৰণ কৰি বা লৈ বৰ গৌৰৱবোধ কৰোঁ।

১৯৬০ চনত অসম চৰকাৰী ভাষা আইন কিয় প্ৰয়োগ কৰিব লগা হ'ল। কাৰ চক্ৰান্ত আৰু চৰম হেমাহিৰ বাবে আজিও অৱহেলা পাত্ৰ হ'বলগীয়াত হ'ল। ইয়াৰ যথোচিত প্ৰয়োগ নোহোৱাৰ বাবে আইন প্ৰয়োগ কৰা সত্ত্বেও ৬৬ বছৰে কিয় যথোচিত কাৰ্যকৰী কৰা নহ'ল সফল ৰূপত। অসমৰ চৰকাৰী কাৰ্যালয়কে আদি কৰি সকলোতে অসমীয়া ভাষা প্ৰয়োগৰ সফলতা নিৰ্ভৰ কৰিব শিক্ষক, কৰ্মচাৰী, বিষয়া-কৰ্মচাৰী, আমোলা আদি সকলৰ ওপৰত। চৰকাৰী বেচৰকাৰী কৰ্মচাৰী সকলেই ভাষা ব্যৱহাৰৰ একমাত্ৰ চালিকা শক্তি। আমি সকলোৱে গভীৰ ভাবে অনুভৱ কৰিব লাগিব যে আমাৰ মাতৃভাষা, ৰাজ্যৰ নানান কাৰ্যালয়ত বাধ্যতামূলক ভাবে প্ৰয়োগ আৰু ব্যৱহাৰ কৰিবলৈ কিয় আইন বাধ্য কৰাব লাগে। নিশ্চয় এই ক্ষেত্ৰত সজাগ আৰু সচেতন হোৱাটো অতিকৈ বাঞ্ছনীয়। ভাষা ৰক্ষা হয় ইয়াৰ বহল প্ৰয়োগত আৰু ইয়াৰ প্ৰগতি উন্নতি, বিকাশ ঘটে বিশ্বজনীন সাহিত্য সৃষ্টিত। ভাষাৰ মৌলিক সৃষ্টি আৰু প্ৰচাৰ প্ৰসাৰত। প্ৰচাৰ প্ৰসাৰ সংশ্লিষ্ট ভাষা সাহিত্যৰ মহান মূল্যবান গ্ৰন্থবোৰ চৰ্চা বা অধ্যয়নত। কিন্তু দিনক দিনে অসমীয়া ভাষাৰ পঢ়ুৱৈৰ ভীষণ অভাৱ হৈছে। এই সম্পৰ্কত প্ৰায় মানুহেই ক'ব বিচাৰে ই জাতি ভাষাৰ বাবে শুভ লক্ষণ নহয়। অসমীয়া হিচাপে আমাৰ বৰ্তমান পৰিৱেশ পৰিস্থিতিত আমি ভালকৈ সু হৃদয়ৰে হৃদয়ংগম কৰিব লগা হৈছে। সবল আৰু সফল অসমীয়া ভাষা আৰু অসমীয়া সাহিত্যইহে সবল বৃহৎ অসমীয়া জাতিৰ মূল মেৰুদণ্ড। সবল আৰু সফল শুৱলা অসমীয়া ভাষাক উজ্জ্বলাই তোলাটো প্ৰতিজন অসমীয়াৰে হৃদয়ত সঁচা ভাবে জাগ্ৰত হ'ব লাগিব। বিশ্বৰ কোনো ঠাইতে এই সুজলা সুফলা আইমাতৃ অসমৰ অতি সুৱদি ভাষাটো পাবলৈ বিৰল। বিৰল স্বাভিমানে ওফন্দি উঠা অসমীয়া ভাষাটো প্ৰাণ প্ৰতিষ্ঠা কৰি নিজকে অসমী আইৰ সুযোগ্য সন্তান বুলি ভবাটো সকলোৱে কাম্য।

মাতৃভাষা-জন্মদাত্ৰী মাতৃ বা আইনৰ ভাষা। প্ৰতিগৰাকী মাতৃৰো মাতৃ অৰ্থাৎ পৰম্পৰাগত ভাবে নিজ নিজ দেশ, প্ৰদেশ জাতি জনগোষ্ঠী আদিৰ প্ৰচলিত যি ভাষা সিয়েই জানো মাতৃভাষা নহয়। সেয়ে জন্মৰ পৰা অসমীয়া ভাষা শুনিছোঁ কৈছোঁ লিখিছোঁ দেখিছোঁ। গতিকে ই আমাৰ জাতীয় ভাষা আটাইতকৈ দৰকাৰী তথা গুৰুত্বপূৰ্ণ কথাটো হ'ল অসম ৰাজ্য বিভাজন হৈছে ভাষাৰ ভিত্তিত। অসমত অসমীয়া ভাষা, উৰিষ্যাত উৰিয়া ভাষা, পশ্চিমবংগত বঙালী ভাষা তামিলনাডুত তামিল তেলেগু ইত্যাদি ইত্যাদি। কিন্তু বংগ বা উৰিষ্যাত অসমীয়াগিৰি চলিবই। অসমত অসমীয়া তথা মাতৃভাষা সকলোৱে প্ৰয়োজ্য হ'বই লাগিব ই অতিকৈ দৰকাৰী বা বাধ্যতামূলক। বিশ্ববৰেণ্য সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকা দেৱে কোৱাৰ দৰে নিজৰ ঠাইতে আমিবোৰ ভগনীয়া। ভগনীয়াৰ দৰে অৱহেলিত লাঞ্চিত বঞ্চিত হোৱাটো জাতিৰ বাবে শুভ লক্ষণ নহয় আৰু হ'বও নোৱাৰে। যাৰ ফলত নতুন প্ৰজন্ম কোন দিশে ধাবিত হ'ব এবাৰ গভীৰ ভাবে পুনৰ বিষয়টো চোৱাটো সময়ৰ আহ্বান। সাহিত্য ৰথী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা দেৱৰ সুৰতে কব বিচাৰিছোঁ -

বাজক ডবা বাজক শংখ
বাজক মৃদং খোল
অসম আকৌ উন্নতি পথত
জয় আই অসম বোল।

অসম সদায় বিশ্ব বিজয়ী। বিশ্বৰ ওচৰত সদায় সৰ্বশ্ৰেষ্ঠ। ইয়াৰ মান অভিমান আৰু স্বাভিমানে সোঁৱৰাই দিয়ে কিমান শৌৰ্য্য-বীৰ্য। সেয়ে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, মাধৱ দেৱ, হৰিদেৱ, মাধৱ কন্দলী, দামোদৰ দেৱ, চন্দ্ৰ কুমাৰ আগৰৱালা, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, নটসূৰ্য ফণী শৰ্মা আদি কৰি অসমৰ মহান গুণনিধি সকলে মহীয়ান কৰা আই মাতৃ অসমীয়া ভাষাটোক মহীয়ান কৰা সুৱদি মাতৃভাষাটো কিমান অমূল্য।

সেই অমূল্য গুণৰাশিক নিজৰ জন্ম ভূমিতে কাৰ্যালয় আদিত শীৰ্ষ স্থানত ৰাখিবলৈ অসমৰ জাতীয় দল সংগঠনসমূহে মুখ্য ভূমিকা লোৱাটো অতিকৈ প্ৰয়োজন আৰু দৰকাৰ। তাতোকৈ দৰকাৰ অসমৰ কৰ্মচাৰী সমাজখনে ভাষাটোক অধিক গুৰুত্ব দিবই লাগিব। এই ক্ষেত্ৰত অসমৰ সৰ্ববৃহৎ জাতীয় অনুষ্ঠান অসম সাহিত্য সভাই অতি গুৰুত্বসহকাৰে বিষয়টো ওপৰত অধিক তৎপৰতাৰে কাম সমূহত গুৰুত্বপূৰ্ণ ভূমিকা লোৱা দৰকাৰ। তেতিয়াহে সন্মান মাৰ্যাদা সহকাৰে বিশ্বৰ বুকুত সদায় উজ্জ্বল জ্যোতিষ্কৰ দৰে জিলিকি থাকিব। আহক আমি আমাৰ অতি হেঁপাহৰ আদৰৰ ভাষাটো আগুৱাই নিয়াৰ একো একোগৰাকী সহযাত্ৰী হওঁ।

# শিক্ষা বিষয়াৰ নিৰ্দেশনাত শিক্ষকৰ ক্ষোভ কিয় ?

ব্ৰজেন দাস

**আ**জি কেইদিনমানৰ পৰা শিক্ষকৰ বিদ্যালয়ত উপস্থিতিৰ সময় আৰু প্ৰস্থানৰ সময়ৰ ওপৰত কেইখনমান মুষ্টিমেয় জিলাৰ শিক্ষা বিষয়াই দিয়া নিৰ্দেশনাত বহু শিক্ষক আৰু শিক্ষক সংগঠনৰ মাজত ক্ষোভ প্ৰকাশ পোৱা পৰিলক্ষিত হৈছে। উক্ত নিৰ্দেশনাত উল্লেখ আছে যে কোনো শিক্ষকে বিদ্যালয়ত উপস্থিতি স্বাক্ষৰ ১৫ মিনিটৰ পাছত আৰু ছুটীৰ নিৰ্দিষ্ট সময়ৰ পোন্ধৰ মিনিটৰ আগতে বিদ্যালয় এৰিলে শিক্ষক গৰাকীৰ এবেলা কেজুৱেল লীভ বা নৈমিত্তিক ছুটী কৰ্তন কৰা হ'ব। তদুপৰি কোনো শিক্ষকৰে অৰ্ধ ছুটীৰ ব্যৱস্থা নাথাকিব, আনকি সহকাৰী শিক্ষকে শিক্ষাসেতু এপত নৈমিত্তিক ছুটী ল'বলৈ হ'লে প্ৰধান শিক্ষকে অনুমোদন দিব লাগিব। শিক্ষাসেতু এপৰ যোগেদি ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষকৰ উপস্থিতি নিয়মীয়াকৈ দিয়াতো বাধ্যতামূলক।

এই নিৰ্দেশাৱলীক আওপকীয়াকৈ সমৰ্থন জনোৱা একাংশ শিক্ষকৰ মতে- হা দৈ বোলোতেই হাৰডাল ওলাই পৰাৰ ভয়তে হৈ চৈ লগাইছে পাল মৰা শিক্ষক সকলৰ এচামে। আন একাংশ সমৰ্থকৰ মতে চৰকাৰীভাৱে দিয়া টেবলেটসমূহ আৰু শিক্ষা সেতুৰ এপচটোৰ কেৰুণসমূহ শিক্ষক সংগঠন সমূহে দাঙি ধৰি চৰকাৰক অত'দিনে লিখিতভাবে অভিযোগ নিদিয়াৰ বাবেহে শিক্ষা বিষয়াসকলে তেনেধৰণৰ নিৰ্দেশ দিবলৈ বাধ্য হৈছে। বহু শিক্ষকে স্ব-ইচ্ছাই উপস্থিতি নিদিয়া উদাহৰণো বিৰল।

অন্যহাতে জিলা শিক্ষা বিষয়াৰ নিৰ্দেশনাক মানি ল'ব নিবিচৰা একাংশ শিক্ষকে কৈছে যে সমীপৰ বিদ্যালয়ৰ শিক্ষকৰ কথা সুকীয়া, কিন্তু যিসকলে দৈনিক ৮০-১০০ কিঃমিঃ দূৰত্ব অতিক্ৰম কৰি, দুই তিনিখন নাও বগাই, দুৰ্গম পথেদি যাতায়ত কৰিব লগা হয়, সেইসকল সময় মতে উপস্থিত হোৱাতো কেতিয়াও সম্ভৱ নহয়। তদুপৰি প্ৰায় বিদ্যালয়তে ইণ্টাৰনেটৰ সমস্যা আছেই। বতাহ বৰষুণৰ কথা নকলোৱেইবা। গতিকে বিভাগীয় কৰ্তৃপক্ষই শাস্তি হিচাপে বছৰেকত পোৱা বাৰটা দিনৰ ছুটী হস্তক্ষেপ কৰাটো শিক্ষক সকলে অসন্তুষ্টি প্ৰকাশ কৰাটো স্বাভাৱিক। কেইজনমান প্ৰাক্তন শিক্ষকে আমাক কৈছে যে শিক্ষা বিষয়াসকলে খেনোক দেখি ৰান্ধে- বাঢ়ে, খেনোক দেখি দুৱাৰ দাং মৰা কাম কিছুমান কৰা পৰিলক্ষিত হৈছে। উদাহৰণ হিচাপে তেওঁলোকে কোৱামতে চি আৰ চি চি, আৰ পি, বি আৰ পি, বি এল অ' আদি যিসকল নিয়মীয়া শিক্ষকক চৰকাৰে নিযুক্তি কৰি বেলেগ বেলেগ কামত খটুৱাই আছে, সেইসকলৰ উপস্থিতি নিৰ্দেশনা স্পষ্ট নহয় বা শিক্ষক হৈও শিক্ষকক নিৰ্দেশ দিয়াৰ বাদে নিজে কিন্তু উপস্থিতি দিয়া পৰিলক্ষিত নহয়। শিক্ষাসেতু এপত শিক্ষক হিচাপে সেইসকলেও উপস্থিতি (আগমন আৰু প্ৰস্থান) নিজৰ নিজৰ এলেকাধীন বিদ্যালয়ত দিয়া উচিত। এই ক্ষেত্ৰত অৱশ্য দুই এজনৰ কথা সুকীয়া। তদুপৰি চি আৰ চি চি আৰু বি আৰ পি সকলে উচ্চ শিক্ষাৰে শিক্ষিত আৰু বিভিন্ন অভিজ্ঞতাৰে পুষ্ট বুলি নিজকে বখানে। অৱশ্যে সেইটো বহুতে স্বীকাৰো কৰে। প্ৰণিধানযোগ্য যে একোটা শিক্ষা খণ্ডত ২০ জনৰ পৰা ৩০ গৰাকী এনে উচ্চ শিক্ষাৰে শিক্ষিত নিয়মীয়া শিক্ষকে চি আৰ চি চি আৰু বি আৰ পি হিচাপে নিযুক্ত হৈ আছে। সেই হিচাপত অসমত প্ৰায় বিশ হাজাৰোধিক শিক্ষকক এনে চিৰ আৰ চি চি আৰু বি আৰ পি পদত চৰকাৰে নিযুক্তি কৰি ৰাখিছে। সম্প্ৰতি অসম চৰকাৰৰ যি বিত্তীয় নাটনীৰ কথা কৈ থকা হৈছে, ঠিক একেদৰে বিদ্যালয়বোৰত শিক্ষকৰ যি নাটনীয়ে দেখা দিছে তাক উপশম ঘটাবলৈ অসম চৰকাৰে এই চি আৰ চি চি আৰু বি আৰ পি পদসমূহ বিলুপ্ত কৰিব পাৰে। আৰু সেই সকলক বিদ্যালয়লৈ পঠিয়াই দি শ্ৰেণী অনুপাতে শিক্ষক নথকাৰ অভাৱ সমূহ পূৰণ কৰিব পাৰে। বৌদ্ধিক মহলৰ মতে একোখন বিদ্যালয় ভাল হয় একোজন ভাল শিক্ষকৰ বাবে। এই চি আৰ চি চি আৰু বি আৰ পি সকলে নিজৰ স্কুলখনলৈ ঘূৰি গ'লে সেই স্কুলখন নিশ্চয় সুন্দৰ হৈ থাকিব আৰু হুৰাহুৰে বন্ধ হ'ব খোজা বিদ্যালয় বিলাকো ৰক্ষা পৰিব।

সেয়ে বিভাগীয় কৰ্তৃপক্ষৰ লগতে শিক্ষক সংগঠনসমূহে এই বিষয়সমূহ হস্তক্ষেপ কৰি শিক্ষকৰ পক্ষত থিয় দিয়াতো উচিত। বহু প্ৰধান শিক্ষকেই চি আৰ চি চি সকলে ব্যক্তিগত মবাইললৈ দৈনিক পঠিয়াই থকা নিৰ্দেশাৱলীবোৰ দেখি শিক্ষক সংগঠনৰ মুখলৈ চাই থাকে, অভিযোগ কৰে, কিয় শিক্ষক সংগঠনে মাত নেমাতে?

প্ৰশ্ন হয়, শিক্ষক সংগঠনসমূহে চি আৰ চি চি ৰ লগতে শিক্ষা বিষয়াৰ নিৰ্দেশনাৰ বিৰোধিতা কৰিব কিয়? যিহেতু বিদ্যালয়ত সময়মতে উপস্থিত হোৱা আৰু সময়মতে বিদ্যালয় এৰাটো শিক্ষকৰ দায়িত্ব আৰু কৰ্তব্য। সেয়ে এই ব্যৱস্থাক কোনো কাৰণতে বিৰুদ্ধাচৰণ কৰা যুক্তিসংগত নহয়। বিৰুদ্ধাচৰণ হ'ব পাৰে বিভাগীয় কৰ্তৃপক্ষই যোগান ধৰা টেবলেট আৰু এপচৰ বিসঙ্গতিৰ বাবে। কিন্তু টেবলেট আৰু শিক্ষা সেতু এপচটো যে বেয়া তাৰ কোনো শিক্ষকে দিয়া অভিযোগ আজিলৈকে চৰকাৰৰ হাতত নাই আৰু শিক্ষক সন্থা সমূহৰ হাততো নাই। তেনেস্থলত সংগঠন সমূহৰ আপত্তি কৰাৰ যুক্তি নাই। জানিব পৰা মতে সন্থাসমূহে শিক্ষক সকলক বাৰম্বাৰ জনাইছিল যে টেবলেট আৰু এপচৰ কিবা বিসঙ্গতি দেখিলে তৎক্ষণাত সমীপৱৰ্তী শিক্ষাবিষয়াক লিখিত অভিযোগ দিব লাগে আৰু এটা কপি নিজৰ হাতত ৰাখিব লাগে। তাকে নকৰি বহু শিক্ষকে চি আৰ চি চিৰ হেঁচাত নিজৰ ব্যক্তিগত মবাইলৰ পৰাই নিজৰ উপস্থিতি দি আহিছে। শিক্ষক সকলে তেনে নকৰা হ'লে সম্ভাব্য বিপদৰ পৰা সকলো পৰিত্ৰাণ পাবলৈ সক্ষম হ'লহেঁতেন। বিদ্যালয় সমূহৰ পৰা যিহেতু কোনো অভিযোগ নাই, সেয়ে চৰকাৰৰ মতে শিক্ষকৰ উপস্থিতি আৰু অন্যান্য কামবোৰ টেবলেটৰ দ্বাৰা নিয়াৰিকৈ চলি আছে। একাংশ শিক্ষকৰ মতে তেখেতসকল দায়িত্বৰ প্ৰতি সদাসচেতন আৰু সেয়ে তেখেতসকলে চৰকাৰে যোগানধৰা টেবলেটেই হওক বা নিজৰ মোবাইলেৰ হওক উপস্থিত দিয়াৰ পাৰ্থক্য বিচাৰি নেপায়। অপ্ৰিয় হ'লেও সত্য যে একাংশ শিক্ষক আকৌ আই.টি চে"ৰত তেওঁলোক কিমান পাৰ্গত তাক পতিয়ন নিয়াবলৈ চৰকাৰৰ আহ্বান জনোৱাৰ লগে লগেই তাক সমাপন কৰাত কৃপনালি নকৰে। এইটো শিক্ষকৰ মানসীকতা বুলি ক'লেও চাগে অত্যুক্তি কোৱা নহ'ব।




এইখিনিতে আৰু এটা কথা সংযোগ কৰিব বিচাৰিছোঁ। প্ৰথম অৱস্থাত সৰ্বশিক্ষাত এ বি আৰ চি চি নামৰ এটা পদত এজন নিয়মীয়া শিক্ষক নিয়োগ কৰা হৈছিল। অৱশ্যে সেই সময়ত কামৰ তাগিদাৰ প্ৰতি লক্ষ্য ৰাখি সেই পদ সৃষ্টি কৰা হৈছিল। কিন্তু পৰৱৰ্তী সময়ত সেই পদটো বিলুপ্ত ঘটোৱা হ'ল। আনকি সময়ৰ আহ্বানত চি আৰ চি চি পদত নিযুক্ত বিজ্ঞান শিক্ষক সকলক নিজৰ বিদ্যালয়লৈ পঠিয়াই দিয়া হ'ল। সৌ সিদিনা মাননিয় মুখ্য মন্ত্ৰীয়ে ইচ্ছা থকা স্বত্বেও বিদ্যালয়ত শ্ৰেণী অনুপাতে শিক্ষক দিবলৈ শিক্ষকৰ অভাৱ বুলি কোৱা সকলোৱে অৱগত। এতিয়াও অসমৰ বহু বিদ্যালয় এজনীয়া আৰু দুজনীয়া শিক্ষকেৰে পৰিচালিত হৈ আছে। অন্যহাতে প্ৰাথমিক বিদ্যালয়ত স্থায়ী প্ৰধান শিক্ষক নাই। ইফালে বৰ্তমানৰ চি আৰ চি চি সকলৰ কামো বিশেষ দেখা নাই। বিভাগীয় আদেশবোৰ প্ৰধান শিক্ষকলৈ পঠাবলৈ খণ্ড প্ৰাথমিক শিক্ষা বিভাগৰ কৰ্মচাৰীয়ে যথেষ্ট। যিহেতু অসম চৰকাৰে এ ডি আৰ ই পৰীক্ষাৰ নিকা নিযুক্তিৰে নিযুক্ত উচ্চ শিক্ষাৰে শিক্ষিত বহু কৰ্মচাৰী এতিয়া শিক্ষা বিভাগৰ কাৰ্যালয়ত সুলভ। চৰকাৰে এই বিষয়সমূহ অনুধাৱন কৰিলে শিক্ষা বিভাগৰ সমস্যাবোৰ অলপ হ'লেও সাম কাটিব।

মোৰ ব্যক্তিগত অনুভৱ এইযে চৰকাৰে তাহানিতে দিয়া ৱাটচএপ বিহীন টেবলেটৰ সলনি প্ৰতিজন প্ৰধান বা জ্যেষ্ঠ শিক্ষকে নিজৰ ব্যক্তিগত ম'বাইলৰ ৱাটচএপৰ যোগেদি বিভাগীয় কৰ্তৃপক্ষই দিয়া সকলো কাম-কাজ বছৰ বছৰ ধৰি কৰি অহাৰ কাৰণ হৈছে- চৰকাৰে যোগান ধৰা টেবলেটত ৱাটচএপৰ সুবিধা নাই। তদুপৰি টেবলেটটোৰ মিমৰি ডাটা একেবাৰে কম, ৩ জি সেৱাহে উপলব্ধ, টেবলেটটোৱে ৫ জি নেটৱৰ্কৰ কাম নকৰে। গতিকে শিক্ষকৰ ভৱিষ্যত এটা বিসঙ্গতিপূৰ্ণ এপচ্ আৰু দুৰ্বল টেবলেটৰ ওপৰত নিৰ্ভৰ নকৰি সময় থাকোঁতেই ভৱিষ্যতে হ'ব পৰা বিপদত নিজকে সুৰক্ষিত কৰি ৰাখিবলৈহে শিক্ষক সকল জাগ্ৰত হৈছে বুলি মনে হয়। মোৰ আশা, শিক্ষকসকলক এইক্ষেত্ৰত মনোকষ্ট নিদি চৰকাৰে 'শিক্ষাসেতু এপ' কেন্দ্ৰিক নিৰ্দেশনা কিছু শিথিল কৰিব লাগে আৰু ৫ জি যুক্ত আধুনিক টেবলেট শিক্ষকক যোগান ধৰি শিক্ষক সমাজক আসন্ন সমস্যাৰ পৰা সকাহ দিব লাগে। কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাই শিক্ষকৰ এখন সভাত প্ৰথমবাৰৰ বাবে উপস্থিত থাকি বক্তৃতা প্ৰদান কৰি কৈছিল - "শিক্ষকসকল প্ৰকৃত মানুহ গঢ়া একোটা যন্ত্ৰ, সেয়ে শিক্ষক সকলৰ সমস্যা সমাধান কৰাটো চৰকাৰৰ দায়িত্বই নহয় ই কৰ্তব্যৰ ভিতৰতো পৰে।" শিক্ষক সমাজৰ অসন্তুষ্টি বিভাগীয় কৰ্তৃপক্ষই নিশ্চয় সমাধান কৰিবলৈ আগবাঢ়ি আহিব বুলি মোৰ বিশ্বাস।

## স্ক্ৰেপিং নীতি আৰু নিম্ন-মধ্যবিত্তৰ জীৱন-সংগ্ৰাম

**সা**ম্প্ৰতিক সময়ত পৰিৱেশ সুৰক্ষা আৰু আধুনিকীকৰণৰ দোহাই দি দেশত ৰূপায়ণ কৰিবলৈ লোৱা পুৰণি বাহন বাতিলকৰণ বা 'স্ক্ৰেপিং নীতি'য়ে সমাজৰ এক বৃহৎ সংখ্যক নিম্ন আৰু মধ্যবিত্ত শ্ৰেণীৰ মাজলৈ চৰম দুশ্চিন্তা কঢ়িয়াই আনিছে। প্ৰদূষণ নিয়ন্ত্ৰণ আৰু পথ সুৰক্ষাৰ স্বাৰ্থত গ্ৰহণ কৰা এনে নীতিগত সিদ্ধান্তই তাত্ত্বিকভাৱে এক ইতিবাচক বাৰ্তা প্ৰেৰণ কৰিলেও, ইয়াৰ বাস্তৱিক প্ৰভাৱ কিন্তু সৰ্বসাধাৰণ অৰ্থনীতিত অতিশয় মৰ্মান্তিক ৰূপত প্ৰতিভাত হৈছে। আমাৰ সমাজৰ এক বৃহৎ অংশই আজিও এখন পুৰণি বাণিজ্যিক বা ব্যক্তিগত বাহনৰ ওপৰত নিৰ্ভৰ কৰিয়েই নিজৰ দৈনিক জীৱিকা সংস্থান কৰাৰ লগতে সমগ্ৰ পৰিয়ালটোক পোহপাল দি আহিছে। এনে এক প্ৰেক্ষাপটত, কেৱল সময়ৰ সীমাৰেখা টানি দি বাহনসমূহ পথৰ পৰা আঁতৰাই পঠোৱাৰ যি প্ৰক্ৰিয়া আৰম্ভ হৈছে, সি বিত্তীয়ভাৱে দুৰ্বল এইসকল লোকৰ জীয়াই থকাৰ মৌলিক অধিকাৰৰ ওপৰত এক গভীৰ আঘাত হানিছে।

নতুন এখন বাহন ক্ৰয় কৰাৰ সামৰ্থ্য নথকা এজন সাধাৰণ চালক বা মধ্যবিত্ত নাগৰিকৰ বাবে নিজৰ পুৰণি আৰু একমাত্ৰ সম্বলস্বৰূপ বাহনখন হেৰুৱাই পেলোৱাৰ অৰ্থ হৈছে নিবনুৱা জীৱনৰ এক অন্ধকাৰ দিশলৈ গতি কৰা। বৰ্তমানৰ বজাৰ ব্যৱস্থাত নতুন বাহনৰ আকাশলংঘী মূল্য আৰু বেংক ঋণৰ জটিল প্ৰক্ৰিয়াই এই শ্ৰেণীটোক নতুনকৈ চিন্তা কৰাৰ থল নোহোৱা কৰি পেলাইছে। যি সময়ত দেশত জীৱন ধাৰণৰ ব্যয় ক্ৰমাৎ বৃদ্ধি পাইছে, তেনে সময়ত এনেধৰণৰ কঠোৰ নিয়মে সৰ্বসাধাৰণক সঁকাহ দিয়াৰ পৰিৱৰ্তে অধিক ঋণগ্ৰস্ততাৰ গৰাহলৈহে ঠেলি দিব। এখন উন্নয়নকামী ৰাষ্ট্ৰৰ কোনো আঁচনিয়েই সমাজৰ আটাইতকৈ নিষ্পেষিত শ্ৰেণীটোক জীৱিকাৰ পৰা বঞ্চিত কৰি সফল হ'ব নোৱাৰে। গতিকে, প্ৰশাসনিক কৰ্তৃপক্ষই কেৱল আইনৰ যান্ত্ৰিক প্ৰয়োগ কৰাৰ পৰিৱৰ্তে এই দৰিদ্ৰ আৰু কষ্টসহিষ্ণু পৰিয়ালসমূহৰ আৰ্থিক সীমাবদ্ধতাৰ কথা সহানুভূতিৰে বিবেচনা কৰাটো অতি প্ৰয়োজনীয়। পুৰণি বাহনসমূহ সম্পূৰ্ণ বাতিল কৰাৰ সলনি চৰকাৰী সাহায্যত সেইবোৰৰ মেৰামতি আৰু প্ৰদূষণমুক্তকৰণৰ বিকল্প ব্যৱস্থা কৰাহে সাম্প্ৰতিক সময়ৰ আটাইতকৈ মানৱীয় আৰু যুক্তিসংগত দাবী।

*কুণ্ডিল হাজৰিকা*
*ভগামুখ, টীয়ক, যোৰহাট*

□ ২১ জনীয়া পূৰ্ণাংগ কমিটিৰ শপত গ্ৰহণ □

# ডিব্ৰুগড়ত আই ডি এছ এফ (এনজিঅ’)ৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৩ মে’ ঃ** ডিব্ৰুগড়ত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ভৱনৰ ৰূপকোঁৱৰ প্ৰেক্ষাগৃহত সামাজিক সংগঠন আই ডি এছ এফ (এনজিঅ’)ৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা কালি অনুষ্ঠিত হয়। সংগঠনৰ ভৱিষ্যতৰ কৰ্মপন্থা নিৰ্ধাৰণ কৰাৰ উদ্দেশ্যে অনুষ্ঠিত এই গুৰুত্বপূৰ্ণ সভাখনত সভাপতিত্ব কৰে আইডিএছএফৰ সভাপতি অনন্ত বৰুৱাই। সভাত সংগঠনৰ লক্ষ্য, উদ্দেশ্য আৰু আগন্তুক দিনত ল’বলগীয়া সামাজিক পদক্ষেপসমূহৰ সন্দৰ্ভত ব্যাখ্যা দাঙি ধৰে সম্পাদক বাবুল গোহাঁইয়ে। প্ৰথমখন কাৰ্যনিৰ্বাহক সভাৰ গুৰুত্বপূৰ্ণ কাৰ্যসূচী আছিল সংগঠনটোৰ পূৰ্ণাংগ সমিতি গঠন আৰু শপত গ্ৰহণ অনুষ্ঠান। সভাত সংগঠনৰ সভাপতি অনন্ত বৰুৱা আৰু সাধাৰণ সম্পাদক বাবুল গোহাঁই প্ৰমুখ্য কৰি মুখ্য উপদেষ্টা খগেন্দ্ৰ নাথ বৰগোহাঁই, মুখপাত্ৰ পবিত্ৰ খনিকৰ, কোষাধ্যক্ষ কুলপদ দাস আৰু সহকাৰী সাধাৰণ সম্পাদক প্ৰদীপ চন্দ্ৰ বড়াৰ লগতে মুঠ ২১ জনীয়া কাৰ্যনিৰ্বাহক কমিটিখনে আনুষ্ঠানিকভাৱে শপতগ্ৰহণ কৰে। এই শপতগ্ৰহণ কাৰ্যসূচীৰ জৰিয়তে স্বেচ্ছাসেৱী সংগঠনটোক এক পূৰ্ণাংগ আৰু শক্তিশালী ৰূপ প্ৰদান কৰা হয়, যিয়ে আগন্তুক দিনত সমাজসেৱাৰ ক্ষেত্ৰখনত অধিক সক্ৰিয়তাৰে কাম কৰিবলৈ সক্ষম হ’ব বুলি আশা কৰা হৈছে। সভাত শিৱসাগৰ জিলাৰ ডিমৌৰ এগৰাকী বিশিষ্ট সন্তান, ৰাষ্ট্ৰীয় বঁটা প্ৰাপক তথা অসম চৰকাৰৰ অভিলাষী আঁচনি “এডভাণ্টেজ আছাম”ৰ নিৰ্বাচিত সফল অসমীয়া যুৱ উদ্যোগী তথা বিখ্যাত ‘লুকলাও ৱাইন’ৰ স্বত্বাধিকাৰী দীপজ্যোতি দুৱৰীক আইডিএছএফৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। যুৱ প্ৰজন্মৰ বাবে প্ৰেৰণাৰ উৎসস্বৰূপ উদ্যোগী দুৱৰীক তেওঁৰ ব্যতিক্ৰমী কৰ্মৰাজিৰ বাবে সন্মানিত কৰি সংগঠনটোৰ তৰফৰ পৰা সুস্বাস্থ্য আৰু উজ্জ্বল ভৱিষ্যৎ কামনা কৰা হয়। সভাত সংগঠনৰ কাৰ্যকৰ্তা তথা স্থানীয় কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# কামৰূপ জিলা উন্নয়ন সমিতিৰ বৈঠক; বিভিন্ন উন্নয়নমূলক আঁচনিৰ অগ্ৰগতি পৰ্যালোচনা



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৩ মে’ ঃ** কামৰূপ জিলাৰ জিলা উন্নয়ন সমিতিৰ মে’ মাহৰ বৈঠক আজি ৰঙিয়াস্থিত সম-জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ সভাপতিত্বত অনুষ্ঠিত হয়। বৈঠকত ৰঙিয়া সমষ্টিৰ বিধায়ক ভবেশ কলিতা উপস্থিত থাকে। বৈঠকত জিলাখনত ৰূপায়ণ হৈ থকা বিভিন্ন উন্নয়নমূলক আঁচনি আৰু প্ৰকল্পসমূহৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰা হয়। বিশেষকৈ আঁচনিসমূহ সময়মতে সম্পন্ন কৰা, বিভাগসমূহৰ মাজত সমন্বয় বৃদ্ধি কৰা আৰু চৰকাৰী সেৱাসমূহ অধিক ফলপ্ৰসূভাৱে ৰূপায়ণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। বৈঠকত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, লোক নিৰ্মাণ বিভাগ (পথ আৰু গৃহ), শিক্ষা বিভাগ, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ, সমাজ কল্যাণ বিভাগ, জনস্বাস্থ্য কাৰিকৰী বিভাগ, পশুপালন আৰু পশু চিকিৎসা বিভাগ, মীন বিভাগ, নগৰ উন্নয়ন বিভাগ, জলসম্পদ বিভাগ আদি বিভিন্ন বিভাগৰ দ্বাৰা চলি থকা আঁচনি আৰু প্ৰকল্পসমূহৰ স্থিতিৰ ওপৰত বিস্তৃত প্ৰতিবেদন দাখিল কৰে। বৈঠকত জিলা আয়ুক্তগৰাকীয়ে সকলো বিভাগক সক্ৰিয় আৰু দায়িত্বশীলভাৱে কাম কৰি চৰকাৰী আঁচনি আৰু প্ৰকল্পসমূহ সময়মতে সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ লগতে আগন্তুক বৰ্ষাকাল আৰু সম্ভাব্য দুৰ্যোগজনিত পৰিস্থিতিৰ বাবে সকলো বিভাগকে পূৰ্বপ্ৰস্তুতি গ্ৰহণ কৰি সজাগ থাকিবলৈ আৰু যিকোনো পৰিস্থিতিত তৎপৰতাৰে সঁহাৰি জনাব পৰাকৈ ব্যৱস্থা সুনিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। বৈঠকত কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সিদ্ধাৰ্থ গোস্বামী, জিলা উন্নয়ন আয়ুক্ত সুশান্ত কুমাৰ দত্ত, অতিৰিক্ত জিলা আয়ুক্ত বিশ্বজিৎ শইকীয়া, সম-জিলা আয়ুক্তসকল ক্ৰমে মৃদুস্মিতা বৰা আৰু ভাস্কৰজ্যোতি কলিতাৰ লগতে বিভিন্ন বিভাগৰ মূৰব্বী বিষয়াসকল উপস্থিত থাকে।

# ডবকাত স্কুল-কলেজীয়া ছাত্ৰীক আমনি কৰাৰ অভিযোগ; সচেতন মহলত উদ্বেগ

**অসম বাৰ্তা, ডবকা, ২৩ মে’ ঃ** হোজাই জিলাৰ ডবকা চহৰৰ বিভিন্ন স্থানত স্কুল-কলেজীয়া ছাত্ৰীক একাংশ দুৰ্বৃত্তই বাইক আৰু গাড়ী লৈ আমনি কৰাৰ অভিযোগ উত্থাপিত হোৱাত অভিভাৱক, শিক্ষক আৰু সচেতন মহলৰ মাজত তীব্ৰ উদ্বেগৰ সৃষ্টি হৈছে। অভিযোগ অনুসৰি, ডবকাৰ পানবজাৰ, পুলিচ পইণ্ট, ষ্টেট বেংক এলেকা, কলেজ ৰোড আৰু ইমামবাৰী মছজিদৰ সন্মুখৰ পথত বিদ্যালয় আৰু মহাবিদ্যালয় চলি থকা সময়ত ছাত্ৰী সকল অহা-যোৱাৰ সময়ত একাংশ উদণ্ড যুৱকে বাইক আৰু গাড়ী লৈ ছাত্ৰী সকলক অনুসৰণ কৰা, অশোভনীয় আচৰণ কৰা তথা বিভিন্ন ধৰণে আমনি কৰাৰ ঘটনা সংঘটিত কৰি আহিছে। এই ঘটনাসমূহে অভিভাৱক সকলৰ মাজত গভীৰ উদ্বেগৰ সৃষ্টি কৰাৰ লগতে ছাত্ৰী সকলৰ সুৰক্ষাক লৈ প্ৰশ্ন উত্থাপন কৰিছে। স্থানীয় ৰাইজৰ মতে, শিক্ষানুষ্ঠানলৈ অহা-যোৱা কৰা ছাত্ৰী সকলৰ বাবে এক সুৰক্ষিত পৰিবেশ নিশ্চিত কৰাটো অত্যন্ত জৰুৰী হৈ পৰিছে। এনে পৰিস্থিতিত ডবকা একাডেমীৰ অধ্যক্ষ ইকৰাম উদ্দিনে সমগ্ৰ বিষয়টো লিখিতভাৱে ডবকা আৰক্ষীক অৱগত কৰিছে। তেওঁ ছাত্ৰী সকলক আমনি কৰা আৰু অসামাজিক কাৰ্যকলাপত জড়িত উদণ্ড যুৱক সকলৰ বিৰুদ্ধে কঠোৰ আইনগত ব্যৱস্থা গ্ৰহণৰ আহ্বান জনোৱাৰ লগতে উক্ত এলেকাসমূহত নিয়মীয়া আৰক্ষী টহল বৃদ্ধি কৰি দোষী সকলক চিনাক্ত কৰাৰ ব্যৱস্থা ল’বলৈ দাবী জনাইছে। আনহাতে উদণ্ড যুৱক সকলৰ অভিভাৱক সকলকো নিজৰ সন্তানৰ চলন-ফুৰণ আৰু আচৰণৰ ওপৰত অধিক নজৰ ৰাখিবলৈ আহ্বান জনোৱা হৈছে। স্থানীয় সচেতন মহলৰ মতে, সামাজিক শৃংখলা অটুট ৰখা আৰু ছাত্ৰী সকলৰ সুৰক্ষা নিশ্চিত কৰাৰ ক্ষেত্ৰত প্ৰশাসন, অভিভাৱক আৰু সমাজৰ সমন্বিত প্ৰচেষ্টা অতি প্ৰয়োজনীয়। ঘটনাটোত আৰক্ষী প্ৰশাসনে শীঘ্ৰে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব বুলি ৰাইজে আশা প্ৰকাশ কৰিছে।

# বৰপেটা আৰক্ষীৰ ড্ৰাগছৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ

**অসম বাৰ্তা, বৰপেটা সদৰ, ২৩ মে’ ঃ** চাইবাৰ অপৰাধীৰ লগতে ড্ৰাগছ সৰবৰাহকাৰী চক্ৰৰ বিৰুদ্ধে বৰপেটা আৰক্ষীৰ অভিযান অব্যাহত আছে। বৰপেটাত ড্ৰাগছৰ বিৰুদ্ধে কঠোৰ পদক্ষেপত বৰপেটা আৰক্ষীৰ বৃহৎ সফলতা। কুখ্যাত ড্ৰাগছ মাফিয়া ছফিকুল ইছলামক আটক কৰিছে বৰপেটা আৰক্ষীয়ে। বৰপেটা জিলাত অব্যাহত আছে আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিযান। এই ড্ৰাগছ বিৰোধী অভিযানত বৰপেটা সদৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া শৈলেন কুমাৰ কলিতাৰ নেতৃত্বত বৰপেটা আৰক্ষীয়ে কুখ্যাত ড্ৰাগছ ব্যৱসায়ী ছফিকুল ইছলামক আটক কৰিবলৈ সক্ষম হৈছে। জানিব পৰা মতে, বৰপেটা মৌখাৰিত থকা নিজ বাসগৃহৰ পৰা ছফিকুল ইছলামক আটক কৰিবলৈ সক্ষম হয় বৰপেটা আৰক্ষীয়ে। ছফিকুল ইছলামৰ পৰা মুঠ ২২৮ গ্ৰাম হিৰ’ইন আৰু ২০০০টা ইয়’বা টেবলেট আৰক্ষীয়ে জব্দ কৰে। ড্ৰাগছ মাফিয়া ধৃত ছফিকুলৰ বিৰুদ্ধে বৰপেটা আৰক্ষীয়ে নিজা ববীয়া কৈ গোচৰ ৰুজু কৰিব তদন্ত আৰম্ভ কৰা বুলি জানিব পৰা গৈছে বৰপেটাত পৰৱৰ্তী সময়তো ড্ৰাগছৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ অব্যাহত থাকিব বুলি বৰপেটা সদৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া শৈলেন কলিতাই জানিবলৈ দিয়ে।


□ শিক্ষা বিভাগ, ব্যক্তিগত বিদ্যালয়বে গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত □

# HPV টিকাকৰণ অভিযান সফল কৰাৰ লক্ষ্যৰে গোৱালপাৰাত গুৰুত্বপূৰ্ণ সভা

**অসম বাৰ্তা, গোৱালপাৰা সদৰ, ২৩ মে’ ঃ** HPV ৰোগৰ টিকাকৰণ কাৰ্যসূচী সফলভাৱে ৰূপায়ণৰ লক্ষ্যৰে গোৱালপাৰা জিলা প্ৰশাসনে শিক্ষা বিভাগ আৰু ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহৰ সৈতে এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত কৰে। বুধবাৰে গোৱালপাৰা জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাগৃহত অনুষ্ঠিত সভাখন জিলা আয়ুক্ত তথা জিলা স্বাস্থ্য সমিতিৰ সভাপতি প্ৰদীপ টিমুঙৰ সভাপতিত্বত অনুষ্ঠিত হয়। সভাখনত HPV টিকাকৰণ অভিযান সফল কৰাৰ বাবে লক্ষ্যভিত্তিক উপভোক্তা চিনাক্তকৰণ, জনসচেতনতা বৃদ্ধি আৰু ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহৰ সহযোগিতাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। বিশেষকৈ ১৪ৰ পৰা ১৫ বছৰ বয়সীয়া কিশোৰীসকলক টিকাকৰণৰ আওতালৈ অনাৰ ক্ষেত্ৰত বিদ্যালয়সমূহক সক্ৰিয় ভূমিকা গ্ৰহণৰ আহ্বান জনোৱা হয়। সভাত জিলা আয়ুক্ত প্ৰদীপ টিমুং-এ HPV টিকাকৰণ সম্পৰ্কে কোনো ধৰণৰ অপপ্ৰচাৰ যাতে সৃষ্টি নহয়, সেই বিষয়ে সজাগ থকাৰ আহ্বান জনায়। লগতে তেওঁ কয় যে, এই টিকাকৰণে কিশোৰীসকলৰ ভৱিষ্যৎ স্বাস্থ্য সুৰক্ষিত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। উল্লেখযোগ্য যে, HPV (Human Papillomavirus) ভাইৰাছৰ ফলত বিশেষকৈ মহিলাসকলৰ মাজত জৰায়ুৰ মুখৰ কেঞ্চাৰ (Cervical Cancer) হোৱাৰ সম্ভাৱনা থাকে। এই টিকাই আগতীয়াকৈ শৰীৰত সুৰক্ষা গঢ়ি তুলি ভৱিষ্যতে এনে গুৰুতৰ ৰোগৰ আশংকা বহু পৰিমাণে হ্ৰাস কৰাত সহায় কৰে। স্বাস্থ্য বিশেষজ্ঞসকলৰ মতে, কৈশোৰ বয়সতেই এই টিকা গ্ৰহণ কৰিলে অধিক ফলপ্ৰসূ হয়। বিশ্ব স্বাস্থ্য সংস্থা আৰু চৰকাৰেও HPV টিকাক সুৰক্ষিত আৰু উপকাৰী বুলি স্বীকৃতি দিছে। সভাখনত অতিৰিক্ত জিলা আয়ুক্ত নিৰ্মালি বৰুৱা, জগদীশ ব্ৰহ্ম আৰু বিভাস মেধী, সহকাৰী আয়ুক্ত অনুপম দাস, মহকুমা স্বাস্থ্য বিষয়া ড° লিলি ফুকন, জিলা টিকাকৰণ বিষয়া ডং জয়দ্বীপ ভট্টাচাৰ্য, বিদ্যালয়সমূহৰ পৰিদৰ্শক ক্ষিৰুছ মিছং আৰু জিলা সমাজ কল্যাণ বিষয়া এ এম এ হুছেইন-কে ধৰি বিভিন্ন বিভাগৰ বিষয়াসকল উপস্থিত থাকে। লগতে গোৱালপাৰাৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহৰ প্ৰতিনিধিসকলেও সভাখনত অংশগ্ৰহণ কৰে। সভাৰ অন্তত জিলা আয়ুক্ত প্ৰদীপ টিমুং-এ সকলো বিভাগক সমন্বিতভাৱে কাম কৰি গোৱালপাৰা জিলাত HPV টিকাকৰণ অভিযান সফল কৰাৰ আহ্বান জনায়।

# ভোমোৰাগুৰিত বৰো ধানত ভেঁকুৰজাতীয় ৰোগ হোৱা পথাৰ পৰিদৰ্শন জিলা কৃষি বিভাগৰ

**অসম বাৰ্তা, তেজপুৰ সদৰ, ২৩ মে’ ঃ** ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে শোণিতপুৰ জিলাৰ কেইবাটাও কৃষি চক্ৰত শেহতীয়াকৈ বৰো ধানত ভেঁকুৰজাতীয় ৰোগৰ আবিৰ্ভাৱ হোৱাৰ ঘটনা পোহৰলৈ আহিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত জিলা কৃষি বিষয়াৰ নেতৃত্বত বিভাগীয় বিষয়াসকলে দলে ক্ষতিগ্ৰস্ত পথাৰসমূহত পৰিদৰ্শন কৰে। বিভাগীয় অনুসন্ধানত দেখা গৈছে যে, জিলাখনৰ কেৱল কিছুমান নিৰ্দিষ্ট পথাৰতহে এই ভেঁকুৰজাতীয় ৰোগৰ প্ৰাদুৰ্ভাৱ ঘটিছে। উল্লেখ্য যে, আক্ৰান্ত এই ধানখিনি কৃষি বিভাগৰ দ্বাৰা যোগান ধৰা বীজ নাছিল, বৰঞ্চ কৃষকসকলে বিভাগীয় অনুজ্ঞাপত্ৰ প্ৰাপ্ত বিপণীৰ পৰাহে ক্ৰয় কৰিছিল বুলি কৃষি বিভাগে প্ৰকাশ কৰিছে। অনুসন্ধানত প্ৰকাশ পোৱা মতে, পথাৰসমূহত বৰো ধানৰ ‘নেক ব্লাষ্ট’ (Neck Blast) নামৰ ভেঁকুৰজাতীয় ৰোগৰ প্ৰাদুৰ্ভাৱ ঘটিছে। কৃষকসকলে প্ৰাৰম্ভিক পৰ্যায়ত বীজ শোধন কৰা নাছিল, লগতে ধান গছত আগতীয়াকৈ লবলগীয়া প্ৰতিৰোধমূলক ঔষধ সময়মতে প্ৰয়োগ কৰা নাছিল। বিপৰীতে, যিসকল কৃষকে বিভাগীয় পৰামৰ্শমতে বীজ শোধন আৰু সঠিক সময়ত প্ৰতিৰোধমূলক ব্যৱস্থা লৈছিল, তেওঁলোকৰ পথাৰসমূহ সুৰক্ষিত হৈ আছে বুলি কৃষি বিভাগৰ তৰফৰ পৰা জনাইছে। জিলা কৃষি বিষয়া প্ৰদীপ তালুকদাৰে জানিবলৈ দিয়ে যে, ভৱিষ্যতে এনে লোকচানৰ পৰা বাচিবলৈ কৃষকসকলে কঠীয়া পৰাৰে পৰা কৃষি বিভাগৰ কাৰিকৰী পৰামৰ্শসমূহ পালন আহ্বান জনাই। বৰ্তমান এই ৰোগ হোৱা পথাৰসমূহত প্ৰতিটো কৃষি চক্ৰৰ কৃষি উন্নয়ন বিষয়া (ADO) আৰু কৃষি সম্প্ৰসাৰণ সহায়ক (AEA) সকলক উপস্থিত হৈ কৃষকসকলক অনুমোদিত কৃষি পদ্ধতি অৱলম্বনৰ পদ্ধতিসমূহ অৱগত কৰিবলৈ নিৰ্দেশনা প্ৰদান কৰিছে। কৃষকসকলক প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত শস্যৰ বীমা কৰিবলৈ আহ্বান জনাই মহকুমা কৃষি বিষয়া সদৰ ড° জাকিৰ হুছেইনে। এনে ধৰণৰ সমস্যা হ’লে কৃষকসকলে ফচল বীমা যোজনাৰ অধীনত উপযুক্ত ক্ষতিপূৰণ লাভ কৰে বুলি সদৰি কৰে মহকুমা কৃষি বিষয়া গৰাকীয়ে। লগতে জিলাখনৰ কৃষক ৰাইজক কোনো ধৰণৰ উৰাবাতৰিত ভীতিগ্ৰস্ত নহৈ পথাৰত যিকোনো অস্বাভাৱিক লক্ষণ দেখিলেই লগে লগে নিজৰ অঞ্চলৰ স্থানীয় কৃষি উন্নয়ন বিষয়া বা কৃষি সম্প্ৰসাৰণ সহায়কসকলক তাৎক্ষণিকভাৱে যোগাযোগ কৰিবলৈ বিভাগীয়ভাৱে আহ্বান জনালে। পৰিদৰ্শনকালত উপস্থিত থাকে প্ৰতিটো কৃষি চক্ৰৰ কৃষি উন্নয়ন বিষয়া, কৃষি সম্প্ৰসাৰণ সহায়কসকলৰ লগতে অঞ্চলটোৰ কৃষক ৰাইজ।



# অনলাইন ঔষধ বিক্ৰীৰ বিৰুদ্ধে হাউলীত ফাৰ্মাচীসমূহৰ সৰ্বাত্মক বন্ধ

**অসম বাৰ্তা, কুমুল্লী পৰা, ২৩ মে’ ঃ** অনলাইনযোগে ঔষধ বিক্ৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবীত সমগ্ৰ দেশজুৰি আহ্বান কৰা ফাৰ্মাচী বন্ধৰ প্ৰভাৱ আজি হাউলীতো স্পষ্টভাৱে পৰিলক্ষিত হয়। দেশৰ বিভিন্ন ফাৰ্মাচী সংগঠনৰ আহ্বানত অনুষ্ঠিত এই প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰি বৰপেটা জিলাৰ হাউলী আৰু ইয়াৰ আশে-পাশে থকা অঞ্চলত প্ৰায় সকলোবোৰ ঔষধৰ দোকান সম্পূৰ্ণৰূপে বন্ধ ৰাখে। ফাৰ্মাচী ব্যৱসায়ীসকলৰ অভিযোগ অনুসৰি, অনলাইন প্লেটফৰ্মসমূহৰ জৰিয়তে নিয়ম-নীতি উলংঘা কৰি অবাধে ঔষধ বিক্ৰী কৰা হৈছে, যাৰ ফলত সাধাৰণ গ্ৰাহকৰ স্বাস্থ্য সুৰক্ষা বিপদাপন্ন হোৱাৰ লগতে স্থানীয় ফাৰ্মাচী ব্যৱসায় গভীৰ সংকটৰ সন্মুখীন হৈছে। বিশেষকৈ চিকিৎসকৰ পৰামৰ্শ অবিহনে ঔষধ লাভ কৰাৰ সুবিধাই বহুক্ষেত্ৰত অপব্যৱহাৰৰ আশংকা বৃদ্ধি কৰিছে বুলি তেওঁলোকে মত প্ৰকাশ কৰে। হাউলীৰ ফাৰ্মাচী ব্যৱসায়ীসকলে কয় যে, চৰকাৰে অনলাইন ঔষধ বিক্ৰীৰ ক্ষেত্ৰত কঠোৰ নীতি গ্ৰহণ নকৰিলে আগন্তুক দিনত ক্ষুদ্ৰ আৰু মধ্যমীয়া ফাৰ্মাচীসমূহ সম্পূৰ্ণৰূপে অস্তিত্ব সংকটত পৰিব। সেয়েহে অনলাইন ঔষধ বিক্ৰী তৎকালে বন্ধ কৰাৰ লগতে ঔষধ বিক্ৰীৰ ক্ষেত্ৰত কঠোৰ আইন প্ৰয়োগৰ দাবী জনায়। ফাৰ্মাচীসমূহ বন্ধ থকাৰ ফলত বহু ৰোগী আৰু সাধাৰণ লোক সাময়িক অসুবিধাৰ সন্মুখীন হোৱা দেখা যায়। যদিও জৰুৰী চিকিৎসা সেৱাৰ সৈতে জড়িত কিছু প্ৰতিষ্ঠানে সীমিতভাৱে সেৱা আগবঢ়াই যায় বুলি জানিব পৰা গৈছে।

# চেঙাত বৃহৎ পৰিমাণৰ গাঞ্জাসহ আৰক্ষীৰ জালত গাঞ্জা ব্যৱসায়ী ভৱেন ৰয়

**অসম বাৰ্তা, চেঙা, ২৩ মে’ ঃ** বৰপেটা জিলাত অব্যাহত আছে আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিযান। বৰপেটা জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক পুস্কিন জৈন আৰু অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্যৰ তৎপৰতাত জিলাখনত তীব্ৰতৰ হৈ উঠিছে নিচাজাতীয় দ্ৰব্যৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান। এই অভিযানৰ অংশ হিচাপে জিলাখনৰ তাৰাবাৰী আৰক্ষী থানাৰ আৰক্ষীয়েও ধাৰাবাহিকভাৱে চলাই গৈছে ড্ৰাগছৰ বিৰুদ্ধে অভিযান। তাৰাবাৰী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সঞ্জয় কুমাৰ ৰয়ৰ নেতৃত্বত গোপন খবৰৰ ভিত্তিত আজি বিয়লিৰ ভাগত চেঙাত চলিছিল নিচাজাতীয় দ্ৰব্যৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান। অভিযানকালত আৰক্ষীয়ে ১১ কিঃ গ্ৰাঃ ২০০ গ্ৰাম নিষিদ্ধ গাঞ্জা জব্দ কৰে। গাঞ্জাখিনি এখন ই ৰিস্কাৰ পৰা জব্দ কৰে আৰক্ষীয়ে। গাঞ্জা সৰবৰাহ আৰু ব্যৱসায়ৰ লগত জড়িত থকাৰ অভিযোগত এজন লোকক আটক কৰিছে আৰক্ষীয়ে। ধৃত গাঞ্জা ব্যৱসায়ীজন বৰপেটা জিলাৰ তাৰাবাৰী থানাৰ অন্তৰ্গত চেঙাৰ মাজপাৰাৰ ভৱেন ৰয় (৭০) বুলি জানিব পৰা গৈছে। গাঞ্জা সৰবৰাহত ব্যৱহৃত ই-ৰিস্কাখনো আৰক্ষীয়ে জব্দ কৰিছে বুলি জানিব পৰা গৈছে। ভৱেন ৰয় দীৰ্ঘদিন ধৰি গাঞ্জাৰ ব্যৱসায় চলাই আহিছিল বুলি অভিযোগ উত্থাপন হৈছে। ধৃত ভৱেন ৰয়ৰ বিৰুদ্ধে আৰক্ষীয়ে নিজাববীয়াকৈ গোচৰ ৰুজু কৰিব বুলি জানিব পৰা গৈছে।



# ডিব্ৰুগড়তো ঔষধ বিক্ৰেতা ফাৰ্মাচী বন্ধৰ প্ৰভাৱ

**অসম বাৰ্তা, ডিব্ৰুগড়, ২৩ মে’ ঃ** অনলাইন ঔষধ যোগান, ই-ফাৰ্মাচীৰ ব্যৱসায় বন্ধ ৰখাৰ দাবীত ডিব্ৰুগড়তো বন্ধ প্ৰভাৱ পৰে। সমগ্ৰ দেশজুৰি আজি স্তব্ধ ঔষধৰ দোকানসমূহ। ই-ফাৰ্মাচী বা অনলাইন ঔষধ বিক্ৰীৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰি ‘অল ইণ্ডিয়া অৰ্গেনাইজেশ্যন অৱ কেমিষ্ট এণ্ড ড্ৰাগিষ্ট’ৰ আহ্বানত পালন কৰা হৈছে দেশজোৰা ফাৰ্মাচী বন্ধ। দেশৰ লাখ লাখ ঔষধ ব্যৱসায়ীয়ে এই প্ৰতিবাদত অংশগ্ৰহণ কৰে। ব্যৱসায়ীসকলৰ অভিযোগ- অনলাইন ঔষধ ব্যৱসায়ৰ অবাধ সম্প্ৰসাৰণে স্থানীয় ফাৰ্মাচীসমূহৰ ওপৰত গভীৰ নেতিবাচক প্ৰভাৱ পেলাইছে। ইয়াৰ ফলত অৰ্থনৈতিক সংকটৰ দিশে গতি কৰিছে পৰম্পৰাগত ঔষধ বিক্ৰেতাসকল। কেৱল ব্যৱসায়িক লোকচানৰ কথাই নহয়, ৰাইজৰ স্বাস্থ্যৰ সুৰক্ষাৰ প্ৰতিও চিন্তিত ব্যৱসায়ীসকল। তেওঁলোকৰ মতে, যথাযথ নজৰদাৰী অবিহনে অনলাইন মাধ্যমত যিদৰে ঔষধ বিক্ৰী কৰা হৈছে, সেয়া ৰোগীৰ বাবে অতি বিপদজনক হৈ উঠিব পাৰে। দৰবৰ মানদণ্ড আৰু বিক্ৰী প্ৰক্ৰিয়াৰ ওপৰত নিয়ন্ত্ৰণ নথকাটো ভৱিষ্যতে এক বৃহৎ প্ৰত্যাহ্বান হ’ব বুলিও তেওঁলোকে সকিয়াই দিয়ে। চৰকাৰে শীঘ্ৰে ই-ফাৰ্মাচীৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ নকৰিলে আৰু ভৱিষ্যতেও এনে ধৰণৰ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিবলৈ বাধ্য হ’ব বুলি সংগঠনটোৱে স্পষ্ট কৰে। এই বন্ধৰ বাবে এতিয়া সাধাৰণ ৰোগী তথা গ্ৰাহকসকল যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে। আনহাতে ফাৰ্মাচী বন্ধৰ সমৰ্থন কৰা আৰু নকৰা কেন্দ্ৰ কৰি দুটা পক্ষৰ মাজত হুলস্থূলীয়া পৰিবেশ সৃষ্টি হয়। ডিব্ৰুগড় ডিলাৰ্ছ এচ’ছিয়েছনৰ এটা পক্ষই বন্ধ বিৰোধিতা কৰা পক্ষৰ মাজত এক উত্তপ্ত পৰিস্থিতিৰ হয়।

## আৱক্ষ মূৰ্তি, স্মৃতি সৌধ আৰু স্মৃতিগ্ৰন্থ ‘স্মৃতিৰ অনুৰণন’ উন্মোচন

# চেলেংহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়ত্ৰী, কৰ্মচাৰী সমাৰোহ আৰম্ভ

**অসম বাৰ্তা, চেলেংহাট, ২৩ মে’ ঃ** যোৰহাট জিলাৰ ভিতৰতে এখন পুৰনি আৰু ঐতিহ্যমণ্ডিত শিক্ষা প্ৰতিষ্ঠান চেলেংহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ ছাত্ৰী, শিক্ষক শিক্ষয়ত্ৰী আৰু কৰ্মচাৰী সমাৰোহ আজিৰে পৰা আৰম্ভ হৈছে। কাৰ্যসূচীৰ অনুসৰি আজি পুৱা বিদ্যালয়ৰ পতাকা ভাৰপ্ৰাপ্ত অধ্যক্ষা প্ৰীতিৰানী গগৈ আৰু উদযাপন সমিতিৰ পতাকা প্ৰাক্তন অধ্যক্ষ তথা উদ্‌যাপন সমিতিৰ সভাপতি জানুৰাম কুৰ্মীয়ে উত্তোলন কৰে। অন্যতম প্ৰাক্তন অধ্যক্ষ তথা উদ্‌যাপন সমিতিৰ উপ-সভাপতি লোকেশ্বৰ গগৈয়ে স্মৃতি তৰ্পণ কৰে। সেইদৰে প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে স্বৰ্ণপ্ৰভা দত্ত, জীৱন চন্দ্ৰ বড়া, অখিল প্ৰদীপ নেওগ আৰু ডিম্বেশ্বৰ গগৈয়ে। গছপুলি ৰোপণ কাৰ্যসূচী মুখ্যতঃ ৰূপায়ণ কৰে কালিনাথ পাত্ৰ, দেৱজিৎ দুৱৰা, নিজামুদ্দিন আহমেদ, নিলীমা দত্ত আৰু জ্যোতিপ্ৰসাদ গগৈয়ে। ইয়াৰ পাছতেই বিদ্যালয় খনৰ প্ৰথম গৰাকী প্ৰধান শিক্ষক দুৰ্গেশ্বৰ বৰুৱাৰ আৱক্ষ মূৰ্তি উন্মোচন কৰে অৱসৰপ্ৰাপ্ত অতিৰিক্ত আৰক্ষী অধীক্ষক তথা বিদ্যালয় খনৰ প্ৰাক্তন ছাত্ৰী ইলা গগৈ চক্ৰৱৰ্তীয়ে। বৰুৱাৰ নাতি নৱজ্যোতি বৰুৱা আৰু প্ৰাক্তন অধ্যক্ষা সন্ধ্যাৰানী গগৈয়ে আৱক্ষ মূৰ্তিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে। স্মৃতিসৌধ উন্মোচন কৰে প্ৰাক্তন ছাত্ৰ তুগণমল আগৰৱালাই। বন্তিপ্ৰজ্বলন কৰে হৰিপ্ৰিয়া গগৈ আৰু প্ৰাক্তন ছাত্ৰ সৰোজ গগৈয়ে। দিনৰ ১১ বজাত সমাৰোহৰ মঞ্চ আৰু মণ্ডপ উদ্বোধন কৰে প্ৰাক্তন ছাত্ৰ তথা অৱসৰী শিক্ষক ধৰ্ম বৰুৱাই। দিনৰ ১২বজাত বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা অৱসৰপ্ৰাপ্ত খণ্ড উন্নয়ন বিষয়া বিনোদ গগৈৰ সঞ্চালনাত অনুষ্ঠিত হয় “হেৰুৱা স্মৃতিৰ মিঠা আবেলি” শীৰ্ষক প্ৰাক্তন শিক্ষাৰ্থী সন্মিলন আৰু গুৰু সেৱা অনুষ্ঠান। ইয়াৰ পিছতে প্ৰাক্তন ছাত্ৰী তথা অৱসৰী প্ৰশাসনিক বিষয়া গীতাঞ্জলী দত্তৰ সভাপতিত্বত স্মৃতিগ্ৰন্থ উন্মোচনী অনুষ্ঠানত অনুষ্ঠিত হয়। স্মৃতি গ্ৰন্থ উন্মোচন কৰে প্ৰাক্তন ছাত্ৰ তথা অৱসৰী প্ৰশাসনিক বিষয়া নিৰোদ ৰঞ্জণ বিশ্বাসে। সন্ধিয়াৰ সাংস্কৃতিক অনুষ্ঠানৰ উদ্বোধন কৰে প্ৰাক্তন ছাত্ৰী অমিয়া গগৈয়ে।

# বিপ্লৱী সত্তা গোপাল দাসৰ স্মৃতিত শতবৰ্ষ উদ্‌যাপনৰ বাবে আদৰণি সমিতি গঠন

**অসম বাৰ্তা, সোণাপুৰ, ২৩ মে’ ঃ** কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ একান্ত সহযোগী বিপ্লৱী সত্তা গোপাল দাস স্মৃতি ৰক্ষা সমিতিৰ উদ্যোগত অহা ২৪ জুন তাৰিখ দেওবাৰে অসম সাহিত্য সভাৰ লক্ষ্মীৰাম বৰুৱা সদনত অনুষ্ঠিত হ’ব শতবৰ্ষৰ শুভাৰম্ভণি অনুষ্ঠান। কালি অসম সাহিত্য সভাৰ নেহা আগৰৱালা সভাকক্ষত কবি মিহিৰ কুমাৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা ৰাজহুৱা সভাত আদৰণি সমিতিৰ মুখ্য পৃষ্ঠপোষক হিচাপে দেৱজিৎ বৰা, ধীৰেন শৰ্মা, মিহিৰ কুমাৰ বৰুৱা আৰু অলক অধিকাৰীৰ লগতে উপদেষ্টা হিচাপে অৰুণ মহন্ত, কিশোৰ কুমাৰ জৈন, ধনঞ্জয় শৰ্মা, শংকৰ গোহাঁইক সভাই মনোনীত কৰে। আনহাতে আদৰণি সমিতিৰ সভাপতি হিচাপে প্ৰফুল্ল বৰ্মন, কাৰ্যকৰী সভাপতি কমল চন্দ্ৰ লহকৰ, উপসভাপতি প্ৰমোদ চন্দ্ৰ ঠাকুৰীয়া, দীপক কুমাৰ বৰ্মন, অনিল কুমাৰ কলিতা আৰু অনিল ডেকাক সাধাৰণ সম্পাদক হিচাপে দায়িত্ব অৰ্পণ কৰে। গোপাল দাসৰ জীৱনৰ ওপৰত প্ৰকাশ পাব লগ পুস্তিকাখনৰ দায়িত্ব গ্ৰহণ কৰে এন. এল. পাব্লিকেচনৰ স্বত্বাধিকাৰী অলগ অধিকাৰীয়ে। ইফালে, উক্ত সভাই এগৰাকী যোগ্য ব্যক্তিক গোপাল দাস স্মাৰক বঁটা প্ৰদানৰ ব্যৱস্থা কৰা হ’ব বুলি সিদ্ধান্ত গ্ৰহণ কৰে। সমাজৰ বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তি, সাহিত্যিক, শিল্পী, সাংস্কৃতিক কৰ্মী আৰু ৰাভা-অনুৰাগীয়ে অংশগ্ৰহণ কৰিব লগা শতবৰ্ষৰ শুভাৰম্ভণী অনুষ্ঠানটিৰ জৰিয়তে বিপ্লৱী গোপাল দাসৰ জীৱন-সংগ্ৰাম, অৱদান আৰু আদৰ্শ নতুন প্ৰজন্মৰ আগত উন্মোচিত কৰাৰ প্ৰয়াস কৰা হ’ব বুলি এক সংবাদ বিজ্ঞপ্তিত জানিবলৈ দিয়ে। ইফালে, আদৰণি সমিতিৰ সহকাৰী সম্পাদক অপূৰ্ব দাস আৰু ৰঞ্জিৎ কুমাৰ বৰ্মনক মনোনীত কৰাৰ পাছত সভাই গঠন কৰি দিয়া সাংস্কৃতিক উপসমিতিৰ সভাপতি বিতুমণি গোস্বামী, সম্পাদক ৰুমী ভূঞা, সহযোগী সম্পাদক ইন্দিৰা বৰা আৰু মাৰুফ হুছেইনক মনোনীত কৰে। তদুপৰি তথ্য আৰু প্ৰচাৰ উপশমিতিৰ সম্পাদকদ্বয় স্বৰ্গজ্যোতি চেতিয়া আৰু অঞ্জনা গগৈক নিৰ্বাচিত কৰাৰ লগতে সাহিত্য বিভাগত মৌচুমী ডেকা আৰু মহীধৰ কলিতাক দায়িত্ব প্ৰদান কৰে। মুখ্য ব্যৱস্থাপক হিচাপে বাবুল ৰাজংবশীক মনোনীত কৰা সভাখন জাতীয় সংগীতেৰে সমাপ্তি কৰে।

## লখিমপুৰৰ নাওবৈচাত দুৰ্ঘটনাগ্ৰস্ত যাত্ৰীবাহী নৈশ

ভাস্কৰ বৰাৰ একমাত্ৰ কনিষ্ঠ ভাতৃ বুলিও জানিব পৰা গৈছে। প্ৰাপ্ত তথ্য অনুসৰি, গুৱাহাটীৰ পৰা মাজুলীৰ কমলাবাৰীলৈ আহি থকা AR-01 W-1144 নম্বৰৰ 'যাত্ৰা' নামৰ নৈশ বাছখন পুৱতি নিশা প্ৰায় ৪.৩০ বজাত লখিমপুৰৰ নাওবৈচাৰ দ'লহাটত নিয়ন্ত্ৰণ হেৰুৱাই এজোপা গছত প্ৰচণ্ড জোৰেৰে খুন্দা মৰাৰ পিছত পথতে বাগৰি পৰে। ভয়ংকৰ সংঘৰ্ষৰ ফলত বাছখন বহুদূৰ চুচৰি যোৱাৰ লগতে বাছখনত থকা প্ৰায় ১৭ গৰাকী যাত্ৰীৰ ভিতৰত ১৩ গৰাকী যাত্ৰী আহত হোৱাৰ লগতে মাজুলীৰ দ্বীপ জ্যোতি বৰাৰ থিতাতে নিহত হয়। জানিব পৰা মতে দ্বীপ জ্যোতিয়ে গুৱাহাটীত এটা ইণ্টাৰভিউত অংশগ্ৰহণ কৰি ঘৰলৈ উভতি আহিছিল। ঘৰ পাবলৈ মাত্ৰ দুই ঘণ্টা বাকী থকা অৱস্থাত নিয়তিয়ে তেওঁক চিৰদিনৰ বাবে কাঢ়ি নিলে। দুৰ্ঘটনাৰ সময়ত বাছখনৰ পিছফালৰ আসনত থকা দ্বীপজ্যোতি প্ৰচণ্ড আঘাতত গ্লাছ ভাঙি বাহিৰলৈ চিটিকি পৰে আৰু বাছখনৰ চেপাত থিতাতে তেওঁৰ মৃত্যু ঘটে। ইফালে, বাছখনত থকা একাংশ যাত্ৰীয়ে অভিযোগ কৰা মতে, নাওবৈচা সোমোৱাৰ বহু আগৰে পৰাই বাছখন নিয়ন্ত্ৰণহীনভাৱে ইফাল-সিফাল কৰি আহিছিল। ফলত যাত্ৰীসকলৰ মাজত হুৱাদুৱা পৰিস্থিতিৰ সৃষ্টি হৈছিল। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি, চালকৰ ভুল আৰু অনভিজ্ঞতাৰ বাবেই এই ভয়ংকৰ দুৰ্ঘটনা সংঘটিত হ'বলৈ পালে। ইফালে উক্ত দুৰ্ঘটনাত মাজুলীৰ ২নং কড়াল গাঁৱৰ অনুৰাগ বৰা (১৯), ফুলনিৰ ধনমণি নাথ (২৫) আৰু গড়মূৰৰ ফুটুকী গাঁৱৰ ৰাজীৱ গামো (৪১) আহত হয় বুলি জানিব পৰা গৈছে। আহতসকলক লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰোৱা হয়। ইফালে, মৰণোত্তৰ পৰীক্ষাৰ অন্তত দ্বীপজ্যোতিৰ মৃতদেহ পৰিয়ালৰ হাতত গতাই দিয়া হয়। আজি বিয়লি তেওঁৰ নশ্বৰ দেহ মাজুলীৰ পোহাৰদিয়াস্থিত নিজ বাসগৃহত উপস্থিত হোৱাৰ পিছতেই অঞ্চলটোত এক শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। গাঁৱৰ সৰ্বসাধাৰণ ৰাইজ, মাজুলী জিলা আপকু, মাজুলী জিলা ছাত্ৰ সন্থাৰ বিষয়ববীয়া আদিকে ধৰি অগণন গুণমুগ্ধই অশ্ৰুসজল নয়নেৰে যুৱকজনক শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অঞ্চলটোৰ গুণমুগ্ধ তথা শুভাকাংক্ষীসকলে প্ৰিয় যুৱকজনক হেৰুৱাই চকুৰ পানী ধৰি ৰাখিব পৰা নাছিল। বিশেষভাৱে হৃদয়বিদাৰক দৃশ্যৰ অৱতাৰণা হয় সেই সময়ত, যেতিয়া জীৱনৰ নতুন সপোন ৰচনা কৰিবলৈ ওলাই থকা হ'বলগীয়া পত্নীগৰাকী দ্বীপজ্যোতিৰ নিথৰ দেহত পৰি হিয়া উজাৰি কান্দি উঠে। জানিব পৰা মতে, পৰিয়ালৰ সন্মতিমৰ্মে চৰকাৰী নীতি অনুসৰি এগৰাকী যুৱতীৰ সৈতে ইতিমধ্যে আদালতৰ জৰিয়তে 'ক'ৰ্ট মেৰেজ' সম্পন্ন হৈছিল দ্বীপজ্যোতিৰ। চলিত বৰ্ষতেই সামাজিকভাৱে বিবাহপাশত আৱদ্ধ হোৱাৰ কথা আছিল যুৱকজনৰ। কিন্তু বিবাহৰ মণ্ডপত বহাৰ পূৰ্বেই নিয়তিৰ নিষ্ঠুৰ পৰিহাসৰ বলি হৈ চিৰবিদায় দিবলগীয়া হয় তেওঁক। হ'বলগীয়া স্বামীৰ নিথৰ দেহত শেষ শ্ৰদ্ধাঞ্জলি জনাই কান্দি ভাঙি পৰা যুৱতীগৰাকীৰ সেই হিয়াভঙা কান্দোনে তাত উপস্থিত প্ৰতিগৰাকী লোকৰ বুকু জোকাৰি যায়। যাৰ সৈতে জীৱনৰ নতুন অধ্যায় আৰম্ভ কৰাৰ কথা আছিল, সেইজন ব্যক্তিক এইদৰে হেৰুৱাই যুৱতীগৰাকী সম্পূৰ্ণ ভাঙি পৰে। উল্লেখ্য যে, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা দ্বীপজ্যোতি বৰা আছিল অত্যন্ত পৰিশ্ৰমী আৰু স্বাৱলম্বী যুৱক। তেওঁ জিলা সদৰ গড়মূৰৰ মাজমজিয়াত থকা এটা চৰকাৰী কম্পিউটাৰ প্ৰতিষ্ঠানত কম্পিউটাৰ শিক্ষক হিচাপে কৰ্মৰত আছিল। ইয়াৰ উপৰিও, নিজ ভৰিৰ ওপৰত থিয় দি অলপতে 'মাজুলী আড্ডা' নামৰ এখন কেফেও আৰম্ভ কৰিছিল তেওঁ। প্ৰতিভাৱান তথা অমায়িক স্বভাৱৰ যুৱকজনৰ এই অকাল কৰা বিয়োগত মাজুলী বিভিন্ন দল-সংগঠন, অনুষ্ঠান প্ৰতিষ্ঠানে শোকঁ প্ৰকাশ কৰাৰ লগতে বৰ্তমান সমগ্ৰ মাজুলী জিলাতে গভীৰ শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত দ্বীপজ্যোতিয়ে পিতৃ-মাতৃ, জ্যেষ্ঠ ভাতৃ, নবৌৱেকৰ লগতে আত্মীয়-স্বজন আৰু গুণমুগ্ধক এৰি থৈ যায়।

## পৰাজয়ৰ পাছত প্ৰথমবাৰ যোৰহাটত গৌৰৱ গগৈ

সকলৰ সৈতে এক গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। বৈঠকৰ পাছত সাংবাদিকৰ লগত হোৱা আলোচনাত গৌৰৱ গগৈয়ে কয়, "প্ৰদেশ কংগ্ৰেছৰ ফালৰ পৰা ৰাজ্যৰ প্ৰতিখন জিলাতে জ্যেষ্ঠ নেতাসকলক দায়িত্ব দিয়া হৈছে। তেওঁলোকে প্ৰত্যেক জিলাত গৈ দলীয় সতীৰ্থ আৰু নেতাসকলৰ সৈতে নিৰ্বাচনী ফলাফল সম্পৰ্কত বিশদ আলোচনা কৰিব। আমি ৰাইজৰ পৰা কি শুনা পাইছো, তৃণমূল কৰ্মীয়ে কি বিচাৰে — সেই সকলো দিশ সামৰিয়েই কংগ্ৰেছ দল আগুৱাই যাব।" বিৰোধী দলপতি নিৰ্বাচনৰ প্ৰশ্নত গৌৰৱ গগৈয়ে স্পষ্টকৈ উত্তৰ দিবলৈ সক্ষম নহয়। তেওঁ কেৱল ইমানেই কয়, "আমাৰ দলৰ ভিতৰত বিৰোধী দলপতি নিৰ্বাচনৰ বাবে এক নিৰ্দিষ্ট প্ৰক্ৰিয়া আছে। সেই প্ৰক্ৰিয়াৰ মাজেৰেই অতি সোনকালে বিৰোধী দলপতি নিৰ্বাচন কৰা হ'ব।" কিন্তু 'কোনজন ব্যক্তি সম্ভাব্য বিৰোধী দলপতি' — এই সন্দৰ্ভত তেওঁ একো উত্তৰ দিয়া নাই। এই প্ৰসংগত তেওঁক সাংবাদিকসকলে সোধা প্ৰশ্নৰ উত্তৰ 'চালে-বেৰে কৈ (অৰ্থাৎ পৰোক্ষভাৱে বা বাঁকি দি) সামৰি যোৱা দেখা যায়। অৱশ্যে 'চিপৰাং মৰা ৰাজনীতি'ৰ প্ৰসংগত গৌৰৱ গগৈয়ে বেছ স্পষ্ট মন্তব্য কৰে। তেওঁ কয়, "চিপৰাং মৰা ৰাজনীতিৰ অভিযোগ আমি বিজেপি দলৰ ভিতৰতে শুনা পাইছিলো। যোৰহাট জিলা বিজেপিৰ ভিতৰতো এনে অভিযোগ আছিল, বিজেপিৰ কিছু বিধায়কৰ মুখত এই কথা আমি শুনিছো। বিজেপি সভাপতিগৰাকীয়ে সেই বিষয়ত হস্তক্ষেপ কৰিছিল বুলিও আমি জানো। কিন্তু অসমৰ ৰাইজে পুনৰ কংগ্ৰেছক বিৰোধী দল হিচাপে গ্ৰহণ কৰিছে।" বিৰোধী দল হিচাপে কংগ্ৰেছৰ ভূমিকা সন্দৰ্ভত গৌৰৱ গগৈয়ে কয়, "আমি ৰাইজৰ সমস্যা আৰু ৰাজ্যৰ মূল বিষয়বস্তু লৈ আগবাঢ়ি যাম। মূল্যবৃদ্ধিৰ দৰে জ্বলন্ত সমস্যাৰ লগতে আন আন বিষয়ত আমি চৰকাৰক হেঁচা দিব আৰু বাধ্য কৰাম। ইতিমধ্যে আমি মূল্যবৃদ্ধিৰ বিৰুদ্ধে প্ৰতিবাদ দাখিল কৰিছো। ৰাজ্যজুৰি আমাৰ পৰ্যালোচনা বৈঠক অব্যাহত থাকিব।" উল্লেখযোগ্য যে, যোৰহাট কংগ্ৰেছৰ এই সভাত কংগ্ৰেছৰ এজন বিধায়ক জুবেৰ আনমে সাম্প্ৰতিক সময়ত গৌৰৱ গগৈক অপদস্থ কৰা বুলি প্ৰচাৰিত হোৱা প্ৰসংগটোৰ কথা সুধিলে গৌৰৱ গগৈয়ে কোনো উত্তৰ দিয়া নাই। তেওঁ পোনপটীয়াকৈ সেই প্ৰশ্ন এৰাই মূল্যবৃদ্ধি, নীট আৰু সাংগঠনিক দিশৰ কথাহে উল্লেখ কৰি যায়। সভাৰ শেষত গৌৰৱ গগৈয়ে স্পষ্ট কৰে যে অহা কেইদিনমানত ৰাজ্যৰ প্ৰতিখন জিলাতে দলীয় পৰ্যালোচনা বৈঠক অনুষ্ঠিত হ'ব, আৰু সেই বৈঠকৰ পৰা পোৱা পৰামৰ্শৰ ভিত্তিতে কংগ্ৰেছে আগলৈ কাৰ্যসূচী গ্ৰহণ কৰিব।

## দহ দিনৰ ভিতৰতে

১০ দিনৰ ভিতৰতে পেট্ৰ'ল আৰু ডিজেলৰ দাম তৃতীয়বাৰৰ বাবে বৃদ্ধি কৰা হৈছে। শনিবাৰে তেল সংস্থাসমূহে প্ৰতি লিটাৰ পেট্ৰ'লৰ দাম ৮৭ পইচা আৰু প্ৰতি লিটাৰ ডিজেলৰ দাম ৯১ পইচা বঢ়োৱাৰ কথা ঘোষণা কৰে। ইয়াৰ ফলত ৰাজধানী দিল্লীত পেট্ৰ'লৰ মূল্য ৯৮.৬৪ টকাৰ পৰা বৃদ্ধি পাই ৯৯.৫১ টকা হোৱাৰ লগতে ডিজেলৰ মূল্য ৯১.৫৮ টকাৰ পৰা ৯২.৪৯ টকালৈ উঠে। আনহাতে মুম্বাইত পেট্ৰ'ল প্ৰতি লিটাৰ ১০৮.৪৯ টকা আৰু ডিজেল ৯৫.০২ টকা হৈছে। কলকাতাত পেট্ৰ'ল ১১০.৬৪ টকা আৰু ডিজেল ৯৭.০২ টকা, চেন্নাইত পেট্ৰ'ল ১০৫.৩১ টকা আৰু ডিজেল ৯৬.৯৮ টকা দৰত বিক্ৰী হৈছে। উল্লেখযোগ্য যে, মে' মাহৰ ১৫ তাৰিখে প্ৰায় চাৰি বছৰৰ মূৰত প্ৰথমবাৰৰ বাবে পেট্ৰ'ল-ডিজেলৰ দাম বৃদ্ধি কৰা হৈছিল। সেইদিনা প্ৰতি লিটাৰ পেট্ৰ'ল আৰু ডিজেল দুয়োটাতে ৩ টকাকৈ দাম বাঢ়িছিল। তাৰ পিছৰে পৰা অহৰহ বৃদ্ধি অব্যাহত আছে। ১৯ মে'ত পুনৰ পেট্ৰ'লত ৮৭ পইচা আৰু ডিজেলত ৯১ পইচা বৃদ্ধি কৰা হয়। আজি ২৩ মে'ত তৃতীয় বাৰৰ বাবে একে পৰিমাণে দাম বঢ়োৱা হ'ল। অৰ্থাৎ কেইদিনমানৰ ভিতৰতে পেট্ৰ'ল আৰু ডিজেল প্ৰতি লিটাৰত প্ৰায় ৫ টকাকৈ বেছি দাম দিবলগীয়া হৈছে সাধাৰণ উপভোক্তাই।

## কেমেৰাৰ লেন্সত বিশ্ব ফুটবল; ডুমডুমাৰ পৰা

বিশ্ব ক্ৰীড়া জগতৰ সৰ্ববৃহৎ মহোৎসৱ— 'ফিফা বিশ্বকাপ ফুটবল'ৰ বাতৰি আৰু আলোকচিত্ৰ সংগ্ৰহ কৰিবলৈ আন্তঃৰাষ্ট্ৰীয় ফুটবল ফেডাৰেচন (FIFA)ৰ পৰা আনুষ্ঠানিক স্বীকৃতি লাভ কৰিছে গীতিকাই। গুৰুত্বপূৰ্ণ কথাটো হ'ল, এই সৰ্ববৃহৎ ফুটবল মঞ্চত সমগ্ৰ দেশৰ ভিতৰত তেৰেঁই একমাত্ৰ নিৰ্বাচিত ভাৰতীয় মহিলা ফটো সাংবাদিক। কেৱল এয়াই নহয়, পুৰুষৰ ফিফা বিশ্বকাপৰ বাবে এয়া তেওঁৰ একেৰাহে তৃতীয়টো আমন্ত্ৰণ। স্বাভাৱিকতে এই খবৰে এতিয়া আনন্দৰ জোৱাৰ তুলিছে ৰাজ্যখনত। নিজৰ এই সাফল্যক লৈ অতিশয় উৎফুল্ল গীতিকা তালুকদাৰে সংবাদ মাধ্যমৰ আগত কয়: "এইবাৰ ভাৰতৰ একমাত্ৰ মহিলা ফটো সাংবাদিক হিচাপে মই ভাৰতীয় সংবাদ মাধ্যমৰ দলটোক প্ৰতিনিধিত্ব কৰিম। স্বাভাৱিকতে এয়া মোৰ ফটো সাংবাদিকতাৰ কেৰিয়াৰৰ বাবে এটা অতি উৎসাহজনক আৰু আৱেগিক মুহূৰ্ত।" গীতিকা তালুকদাৰৰ এই যাত্ৰা সহজ নাছিল, ই আছিল তীব্ৰ ইচ্ছা আৰু কঠোৰ পৰিশ্ৰমৰ ফচল। পিতৃ ধীৰেন্দ্ৰনাথ তালুকদাৰ সশস্ত্ৰ সীমা বল (SSB)ত কৰ্মৰত থকাৰ সূত্ৰে গীতিকাৰ শৈশৱ আৰু যৌৱন অতিবাহিত হৈছিল তিনিচুকীয়া জিলাৰ চাহ নগৰী ডুমডুমাত। ডুমডুমাতেই তেওঁ স্কুলীয়া আৰু কলেজীয়া শিক্ষা সমাপ্ত কৰে। কেমেৰাক কেৰিয়াৰ হিচাপে গঢ়ি তোলাৰ সপোন বুকুত বান্ধি তেওঁ ২০০৫ চনত 'অসম মিডিয়া ট্ৰাষ্ট'ৰ পৰা সাংবাদিকতাৰ আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰে। ইয়াৰ পিছত ২০০৭ চনত 'জি এল পাব্লিকেচন'ত যোগদান কৰাৰ লগতে 'ইষ্টাৰ্ণ প্ৰজেকচন' নামৰ প্ৰতিষ্ঠানটোত ইণ্টাৰ্ণশ্বিপ কৰে। বৰ্তমান তেওঁ এখন আগশাৰীৰ ৰাষ্ট্ৰীয় কাকতৰ লগতে জাৰ্মানীৰ এটা আন্তঃৰাষ্ট্ৰীয় সংবাদ সংস্থাৰ বাবে নিয়মীয়াকৈ ক্ৰীড়া সংবাদ আৰু ফটো যোগান ধৰি আহিছে। দক্ষিণ এছিয়াৰ ক্ৰীড়া সংবাদ মাধ্যমৰ এক চিনাকি মুখ হৈ পৰা গীতিকাই ইয়াৰ পূৰ্বেও বিশ্বৰ কেইবাখনো আগশাৰীৰ ক্ৰীড়া ক্ষেত্ৰত নিজৰ দক্ষতা প্ৰমাণ কৰিছে। তেওঁৰ কেমেৰাৰ লেন্সত বন্দী হৈছে বিশ্ব ক্ৰীড়াৰ বহু ঐতিহাসিক মুহূৰ্ত: ফিফা বিশ্বকাপ (পুৰুষ): ৰাছিয়া (২০১৮), কাটাৰ (২০২২) আৰু আগন্তুক আমেৰিকা-কানাডা-মেক্সিকো (২০২৬)। ফিফা বিশ্বকাপ (মহিলা): ফ্ৰান্স (২০১৯), অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ড (২০২৩)। অলিম্পিক গেমছ: টকিঅ' অলিম্পিক (২০২০) আৰু পেৰিছ গ্ৰীষ্মকালীন পেৰালিম্পিক গেমছ (২০২৪)। ২০২৬ চনৰ ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাখন ইতিহাসৰ আটাইতকৈ বৃহৎ সংস্কৰণ হ'বলৈ গৈ আছে, য'ত প্ৰথমবাৰৰ বাবে ৪৮টা দেশে অংশগ্ৰহণ কৰিব। সমগ্ৰ বিশ্বৰ বাছনি কৰা সংবাদ মাধ্যমৰ এটা অভিজাত দলৰ সৈতে একেলগে কাম কৰিব অসম কন্যা গীতিকাই। ক্ৰমাগত তৃতীয়বাৰৰ বাবে ফিফাৰ এই স্বীকৃতিয়ে গীতিকাৰ পেছাদাৰী বিশ্বাসযোগ্যতা আৰু ফুটবল কভাৰেজৰ প্ৰতি থকা তেওঁৰ অপৰিসীম নিষ্ঠাকে প্ৰমাণ কৰে। অহা জুন মাহত তেওঁ উৰা মাৰিব বিশ্ব ফুটবলৰ এই মহাৰণৰ সাক্ষী হ'বলৈ। অসমীয়াৰ ক্ৰীড়া সাংবাদিকতাক বিশ্ব দৰবাৰত এক সুকীয়া মাত্ৰা প্ৰদান কৰা গীতিকা তালুকদাৰৰ এই যাত্ৰা সঁচাকৈয়ে প্ৰেৰণাদায়ক। 'অসম বাৰ্তা'ৰ তৰফৰ পৰা গীতিকালৈ জনালোঁ আন্তৰিক শুভেচ্ছা।

## মাউণ্ট এভাৰেষ্ট জয়

হিচাপে পৰিগণিত হয়। প্ৰাপ্ত তথ্য অনুসৰি, ভাৰত-তিব্বত সীমান্ত পুলিচ বাহিনীৰ জোৱান গৰাকীয়ে অত্যন্ত প্ৰত্যাহ্বানমূলক মাউণ্ট এভাৰেষ্ট অভিযানত বিগত এপ্ৰিল মাহৰ ২০ তাৰিখে নেপালৰ কাঠমাণ্ডু পৰা এভাৰেষ্ট জয়ৰ লক্ষ্যৰে ৰাওনা হৈ ২১ মে বৃহস্পতিবাৰে এভাৰেষ্ট শৃংগতো জয় কৰি ইতিহাস ৰচনা কৰে। লখিমপুৰ জিলাৰ কদমৰ নিবাসী জয়সিং গঁড় আৰু কমলাৱটি গড়ৰ কণ্যা ৰূপামণি গঁড়ে চৰম দুৰ্গম পথ আৰু প্ৰতিকূল বতৰ নেওচি তেওঁ বিশ্বৰ সৰ্বোচ্চ শৃংগটোৰ বুকুত সফলতাৰে ভাৰতীয় ত্ৰিৰংগা আৰু অসমীয়াৰ স্বাভিমান গামোচাখন উৰুৱাবলৈ সক্ষম হয়। দেশৰ অন্যতম আগশাৰীৰ অৰ্ধসামৰিক বাহিনী আইটিবিপিৰ কঠোৰ প্ৰশিক্ষণ আৰু নিজৰ অদম্য ইচ্ছা শক্তিৰ বলত ৰূপামণি গঁড়ে লাভ কৰা সফলতাই এতিয়া সমগ্ৰ লখিমপুৰ জিলাৰ লগতে ৰাজ্যবাসীক উৎফুল্ল কৰি তুলিছে। আদিবাসী-চাহ জনগোষ্ঠীৰ এগৰাকী জীয়ৰী হিচাপে তেওঁৰ এই অনন্য কীৰ্তি সমগ্ৰ সমাজ তথা বৰ্তমান প্ৰজন্মৰ বাবে এক ডাঙৰ অনুপ্ৰেৰণা হিচাপে চিহ্নিত হৈছে। ৰূপামণি গঁড়ৰ ঐতিহাসিক আৰু গৌৰৱময় সফলতাৰ বাবে সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ সভাপতি গডউইন হেমৰম, সদৌ অসম নিবনুৱা সন্থাৰ সাধাৰণ সম্পাদক জীৱন ৰাজখোৱা, মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সচিব ৰাজু সিংহ, আছুৰ লখিমপুৰ জিলাৰ সাধাৰণ সম্পাদক পুনম জ্যোতি বুঢ়াগোহাঁই, বীৰ লাচিত সেনাৰ কেন্দ্ৰীয় তথ্য প্ৰচাৰ সচিব প্ৰাণজিত গগৈ, জিলা সমিতিৰ মনোজ কলিতা, হিন্দু যুৱ পৰিষদ কেন্দ্ৰীয় সাধাৰণ সম্পাদক সম্ভু সিংহ, কোচঁ-ৰাজবংশী সংগ্ৰাম সমিতিৰ কাৰ্যকৰী সভাপতি ৰূপজ্যোতি দত্তই অভিনন্দন জনোৱাৰ লগতে বিভিন্ন দল-সংগঠন, বিশিষ্ট ব্যক্তি তথা ক্ৰীড়াপ্ৰেমীয়ে তেওঁলৈ আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিছে। উল্লেখযোগ্য যে, ২০২০ বৰ্ষত আইটিবিপি জোৱান হিচাপে ভৰ্তি হোৱা ৰূপামণি গঁড়ৰ সফলতাই দেশৰ সুৰক্ষা বাহিনীৰ লগতে অসমৰ নাম বিশ্ব দৰবাৰত পুনৰ এবাৰ উজ্জ্বল কৰি তুলিলে।

## অৰুণাচলৰ ৰয়িং-আনিনি পথত অব্যাহত বাঘৰ বিচৰণ

পাছত অলপতে বাঘৰ চলাচল ধৰা পেলাইছিল। ইয়াৰ পাছতে ৰয়িং-আনিনি পথৰ সকলো সংশি-ষ্ট নাগৰিক, পৰ্যটক, যাতায়ত কৰা লোকক মায়োদিয়া পাছৰ কাষৰীয়া অঞ্চলত ট্ৰেকিং, পিকনিক, ল'টাৰিং, পথত অপ্ৰয়োজনীয়ভাৱে ৰোৱা আদিত কেতবোৰ সতৰ্কতা তথা ৰাজহুৱা সুৰক্ষা পৰামৰ্শ জাৰি কৰিছে বন বিভাগৰ লগতে জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনে। লগতে যোৱা ফেব্ৰুৱাৰী মাহৰ মানুহ-বাঘ সংঘাতৰ গোচৰৰ সকলো সুৰক্ষা ব্যৱস্থাৰ পৰামৰ্শ আৰু সময়ে সময়ে আগতে জাৰি কৰা সকলো সুৰক্ষা ব্যৱস্থাৰ পৰামৰ্শ কঠোৰভাৱে মানি চলিবলৈ সকলোকে আহ্বান জনাইছে। যদি কোনো বাঘৰ গতিবিধি পৰ্যবেক্ষণ কৰা হয় তেন্তে নাগৰিকক তৎক্ষণাত মেহাও বন্যপ্ৰাণী অভয়াৰণ্যৰ এফ অ' মাগনে লিংগী ( ৯৪৩৬২-২১৮৬২), আৰ এফ অ' মনলী মেটো (৯৪৩৬২-২১৮৬২) আৰু বনৰক্ষী (৮৭৮৭৫-৫৫০৮৫)ৰ জৰিয়তে বন বিভাগক অৱগত কৰিবলৈ অনুৰোধ জনাইছে বন সংমণ্ডল বিষয়া মিটো ৰুমীয়ে। মেহাও বন্যপ্ৰাণী অভয়াৰণ্য সংমণ্ডলে জিলা প্ৰশাসন আৰু আৰক্ষীৰ সহযোগত পৰিস্থিতি তীক্ষ্ণ দৃষ্টিৰে নিৰীক্ষণ কৰি থকাৰ লগতে প্ৰয়োজনীয় সুৰক্ষা ব্যৱস্থাও গ্ৰহণ কৰিছে। ফটো, ভিডিঅ' বা বন্দী কৰাৰ উদ্দেশ্যেৰে জন্তুটোৰ ওচৰলৈ যোৱা/ খেদি যোৱাটো কঠোৰভাৱে নিষিদ্ধ কৰা লগতে যিকোনো ধৰণৰ অশুভ ঘটনা ৰোধ কৰিবলৈ সকলো নাগৰিক, পৰ্যটক আৰু যাতায়তকাৰীৰ সহযোগিতা আন্তৰিকতাৰে কামনা কৰিছে। উল্লেখ্য যে, যোৱা ৫ ফেব্ৰুৱাৰীত ৰয়িং-আনিনি পথ (৬৫ কি.মি. - ৬৯ কি.মি.)ৰ কাষেৰে এটা প্ৰাপ্তবয়স্ক বাঘ দেখাৰ এটা নতুন ভিডিঅ' ক্লিপ সামাজিক মাধ্যমত প্ৰকাশ পাইছিল। ভিডিঅ'টো পৰীক্ষা কৰি মেহাও বন্যপ্ৰাণী অভয়াৰণ্যৰ বিভাগীয় বন বিষয়াৰ অধীনস্থ এটা দলে বাঘটো ধৰিবলৈ অভিযান চলোৱাৰ লগতে কেতবোৰ সতৰ্কবাণীৰে নিষেধাজ্ঞামূলক পৰামৰ্শও জাৰি কৰিছিল। ইয়াৰ পূৰ্বে যোৱা ২ ফেব্ৰুৱাৰীত উক্ত পথচোৱাত সংঘটিত হৈছিল এক ভয়ংকৰ ঘটনা। বাঘৰ আক্ৰমণত নিহত হৈছিল এজন আৰক্ষী জোৱানৰ। ২ ফেব্ৰুৱাৰীৰ প্ৰায় মাজনিশা বাইক চলাই যাত্ৰা কৰি থকা অৱস্থাত নামচাই জিলাৰ বাসিন্দা তথা ৰয়িং ডব্লিউ টি আৰক্ষী থানাত কৰ্মৰত হেড কনিষ্টবল চিকছেং মানাপাঙে বাঘৰ আক্ৰমণত অকাল মৃত্যুক আকোঁৱালি লবলগীয়া হৈছিল। এই ঘটনাৰ পাছত ঘটনাস্থলীত দেখা পোৱা গৈছিল দুটা বাঘ আৰু আৰক্ষীৰ লোকজনৰ মটৰচাইকেল। ঘটনাক লৈ ৰাজ্যজুৰি চাঞ্চল্যৰ সৃষ্টি হৈছিল।

## কাৰ হাতলৈ অসম মৰাণ সভাৰ নেতৃত্বৰ বাঘজৰী ?

অন্যান্য বছৰৰ দৰে সহজ নহয়। ১২৫ কোটি টকাৰ প্ৰকল্পত অনিয়মৰ গুৰুতৰ অভিযোগ, বছৰ বছৰ ধৰি গেঠেলা মৰা জনজাতিকৰণৰ দাবী আৰু কেইবাগৰাকীও বলিষ্ঠ নেতাৰ প্ৰতিদ্বন্দ্বিতাই আগন্তুক সভাখনক বিশেষ তাৎপৰ্যপূৰ্ণ কৰি তুলিছে। অসম মৰাণ সভাৰ সৰ্বোচ্চ পদ সভাপতিৰ আসনখনক লৈ ইতিমধ্যে পাঁচজন প্ৰভাৱশালী নেতাৰ নাম চৰ্চালৈ আহিছে। চৰ্চাৰ শীৰ্ষত আছে একালৰ আপোচবিহীন যুৱনেতা, সদৌ মৰাণ ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি বিৰিঞ্চি নেওগ। ছাত্ৰ সন্থাৰ নেতৃত্বত থাকি তেওঁ মৰাণ জনজাতিক একত্ৰিত কৰাৰ লগতে সাংবিধানিক অধিকাৰ সাব্যস্ত কৰাৰ ক্ষেত্ৰত যি বলিষ্ঠ ভূমিকা লৈছিল, সেই অভিজ্ঞতা আৰু জনসমৰ্থনক মূলধন কৰিয়েই এইবাৰ তেওঁ পিতৃ সংগঠনৰ দায়িত্ব বিচাৰিছে। তৃণমূল পৰ্যায়ত এতিয়াও বিৰিঞ্চি নেওগৰ গ্ৰহণযোগ্যতা অপৰিসীম। আনহাতে, বৰ্তমানৰ সভাপতি ৰাজীৱ বড়াও পুনৰবাৰ প্ৰতিদ্বন্দ্বিতাৰ বাবে সাজু হৈছে বুলি বিশেষ সূত্ৰৰ পৰা জানিব পৰা গৈছে। কিন্তু তেওঁৰ কাৰ্যকালক লৈ সৃষ্টি হৈছে বিতৰ্কৰ ডাৱৰ। বিগত সময়ছোৱাত অসম চৰকাৰে মৰাণ জনজাতিৰ সৰ্বাংগীণ উন্নয়নৰ বাবে আগবঢ়োৱা ১২৫ কোটি টকাৰ বিশেষ আৰ্থিক পেকেজৰ প্ৰকল্প ৰূপায়ণত ব্যাপক অনিয়ম আৰু কেলেংকাৰীৰ অভিযোগ উত্থাপন হৈছে। এই দৌৰত কোনোগুণে পিছপৰি থকা নাই বিগত নিৰ্বাচনত মাত্ৰ চাৰিটা ভোটত পৰাজিত হোৱা জ্যেষ্ঠ নেতা সুৰেন নেওগ। পৰাজয়ৰ গ্লানি মচি এইবাৰ তেওঁ অধিক সংগঠিত ৰূপত কুচকাৱাজ আৰম্ভ কৰিছে। ইফালে, তৃণমূল পৰ্যায়ৰ সংগঠক হিচাপে পৰিচিত মাকুম আঞ্চলিক সমিতিৰ সদ্যপ্ৰাক্তন সভাপতি কুসুম্বৰ নেওগেও সভাপতিৰ আসন দখলৰ বাবে অহোৰাত্ৰে প্ৰচাৰ চলাইছে। লগতে এইবাৰ সভাপতি পদৰ বাবে চৰ্চাত আছে বৰ্তমানৰ উপ-সভাপতি বিশ্বজিত বড়া। সাংগঠনিক অভিজ্ঞতা আৰু যুৱ নেতৃত্বৰ সংমিশ্ৰণেৰে তেৰোঁ নিজৰ দাবী শক্তিশালী কৰি তুলিছে। সভাপতি পদৰ দৰেই সাধাৰণ সম্পাদকৰ পদটোক লৈয়ো চাৰিগৰাকী বলিষ্ঠ নেতাৰ নাম চৰ্চাত আছে। সাংগঠনিক দক্ষতা আৰু স্পষ্টবাদিতাৰ বাবে জনাজাত ৰণ্টু ডাঙৰীয়া এই দৌৰৰ অন্যতম প্ৰবল দাবীদাৰ। তেওঁৰ লগতে বিৰেন্দ্ৰ কুমাৰ চুতীয়া, বিজু মৰাণ আৰু দতেশ্বৰ দহোটীয়াৰ নামো প্ৰতিনিধিসকলৰ মুখে মুখে। এইবাৰৰ প্ৰতিনিধি সভাৰ আটাইতকৈ ডাঙৰ ইছ্যু হৈ পৰিছে দুটা। প্ৰথম, ১২৫ কোটি টকীয়া প্ৰকল্পৰ অনিয়মৰ অভিযোগ। মৰাণ জনজাতিৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে চৰকাৰে আগবঢ়োৱা এই বৃহৎ পুঁজিৰ সঠিক ব্যৱহাৰ হৈছেনে নাই, সেই লৈ সাধাৰণ ৰাইজ আৰু প্ৰতিনিধিৰ মাজত প্ৰশ্নৰ উদ্ৰেক হৈছে। দ্বিতীয় আৰু আটাইতকৈ স্পৰ্শকাতৰ ইছ্যুটো হ'ল গেঠেলা মৰা জনজাতিকৰণৰ দাবী। দশক দশক ধৰি মৰাণ জনজাতিয়ে জনজাতিৰ মৰ্যাদা বিচাৰি আন্দোলন কৰি আহিছে। কিন্তু আজিও এই দাবী পূৰণ নহ'ল। বিগত কাৰ্যনিৰ্বাহকে এই ক্ষেত্ৰত আশানুৰূপ ভূমিকা ল'ব নোৱাৰাৰ অভিযোগ উঠিছে। সেয়ে জনজাতিকৰণৰ এই অমীমাংসিত ইছ্যুটোৱে আগন্তুক সাধাৰণ সভাৰ নিৰ্বাচনক বৃহৎভাৱে প্ৰভাৱিত কৰিব বুলি ৰাজনৈতিক মহলত ব্যাপক চৰ্চা চলিছে। প্ৰতিনিধিসকলে এইবাৰ জনজাতিকৰণৰ ক্ষেত্ৰত স্পষ্ট স্থিতি আৰু কাৰ্যকৰী পৰিকল্পনা দাঙি ধৰিব পৰা নেতৃত্বকেই বিচাৰিব। ইয়াৰ উপৰি অসম মৰাণ সভাৰ নেতৃত্বত গঠন কৰা ৰাজনৈতিক দল 'জাতীয় গণ মঞ্চ, অসম'ৰ কৰ্মক্ষেত্ৰৰ শূন্যতায়ো বিগত কাৰ্যনিৰ্বাহকক যথেষ্ট প্ৰভাৱিত কৰিব। মৰাণ ৰাইজৰ ৰাজনৈতিক অধিকাৰ সাব্যস্ত কৰাৰ লক্ষ্যৰে গঠন কৰা এই মঞ্চখনে তৃণমূল পৰ্যায়ত কোনো ধৰণৰ কাম কৰিব নোৱাৰিলে। নিৰ্বাচনী ৰাজনীতিতো দলটোৱে একেবাৰে প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰিলে। এই ব্যৰ্থতাকো বিৰোধী শিবিৰে হাতিয়াৰ হিচাপে ব্যৱহাৰ কৰি বৰ্তমানৰ নেতৃত্বক জবাবদিহি কৰিব। অসম মৰাণ সভা কেৱল এটা সংগঠন নহয়, ই হৈছে মৰাণ জনজাতিৰ আশা-আকাংক্ষাৰ প্ৰতীক। সেয়েহে আগন্তুক দিনত কোনগৰাকী দূৰদৰ্শী, সৎ আৰু বলিষ্ঠ নেতাই এই পিতৃ সংগঠনৰ বাঘজৰী নিজৰ হাতলৈ লৈ মৰাণ জাতিটোক নতুন দিশত আগুৱাই নিব পাৰে, তাৰ ওপৰতে নিৰ্ভৰ কৰিব জাতিটোৰ ভৱিষ্যৎ। গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে নিৰ্বাচিত হ'বলগীয়া নতুন নেতৃত্বই ১২৫ কোটিৰ অনিয়মৰ অভিযোগৰ তদন্ত, গেঠেলা মৰা জনজাতিকৰণৰ দাবী পূৰণৰ বাবে স্পষ্ট ৰণনীতি আৰু অতীতৰ বিতৰ্ক পাহৰি জাতিটোক ঐক্যবদ্ধ কৰি উন্নয়নৰ বাটত আগুৱাই নিব পাৰিবনে নাই, সেয়া সময়ে ক'ব। আপাততঃ মৰাণ ৰাইজে এক শক্তিশালী আৰু স্বচ্ছ নেতৃত্বৰ অপেক্ষাত।

## চীনৰ কয়লাখনিত গেছ বিস্ফোৰণ; বৰ্তমানলৈ ৮২

বজাত (ভাৰতীয় সময় অনুসৰি ১১: ২৯ বজাত) শ্বানছি প্ৰদেশৰ লিউচেনিউ কয়লাখনিত এই বিস্ফোৰণ ঘটে। বিস্ফোৰণৰ সময়ত খনিটোৰ ভিতৰত মুঠ ২৪৭ গৰাকী শ্ৰমিক কামত ব্যস্ত আছিল। তাৎক্ষণিকভাৱে আৰম্ভ কৰা উদ্ধাৰ অভিযানত অধিকাংশ শ্ৰমিকক সুৰক্ষিত স্থানলৈ অনা সম্ভৱ হৈছিল যদিও পাছলৈ নিশ্চিত হয় যে ৮২ গৰাকী লোকৰ মৃত্যু হৈছে। এতিয়াও ৯ গৰাকী শ্ৰমিক সন্ধানহীন হৈ আছে। সন্ধানহীন লোকসকলক উদ্ধাৰ কৰিবলৈ উদ্ধাৰকাৰী দলে নিৰালস্যভাৱে অভিযান চলাই আছে। এই মৰ্মান্তিক ঘটনাত গভীৰ শোক প্ৰকাশ কৰি চীনৰ ৰাষ্ট্ৰপতি ঝিং জিনপিঙে আহত সকলৰ চিকিৎসাৰ বাবে আটাইবোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে। লগতে তেওঁ ঘটনাটোৰ সম্পূৰ্ণ আৰু নিৰপেক্ষ তদন্ত কৰি দোষী লোকক আইনৰ আওঁতাত আনি কঠোৰ শাস্তি প্ৰদান কৰিবলৈ নিৰ্দেশ দিয়ে। ৰাষ্ট্ৰপতি গৰাকীয়ে কয়, "এই দুৰ্ঘটনাৰ পৰা সকলো শিল্পখণ্ড আৰু বিভাগে পাঠ ল'ব লাগে। কৰ্মক্ষেত্ৰৰ সুৰক্ষাৰ প্ৰতি সজাগ থাকিব লাগে আৰু বৃহৎ বিপৰ্যয় সংঘটিত হোৱাটো দৃঢ়তাৰে প্ৰতিৰোধ কৰিব লাগে।" উদ্ধাৰ অভিযান প্ৰত্যক্ষভাৱে পৰিদৰ্শন কৰিবলৈ উপ-প্ৰধানমন্ত্ৰী জাং গুওকিং এক উচ্চপদস্থ দলসহ ঘটনাস্থলীত উপস্থিত হৈছে। উল্লেখযোগ্য যে, শ্বানছি প্ৰদেশ চীনৰ অন্যতম প্ৰধান কয়লা উৎপাদনকাৰী অঞ্চল, কিন্তু সুৰক্ষা ব্যৱস্থাৰ শিথিলতাৰ বাবে ইয়াত সঘনাই দুৰ্ঘটনা সংঘটিত হৈ আহিছে। ২০২৩ চনত উত্তৰ চীনৰ ইনাৰ মংগোলিয়াত এখন মুকলি খাদৰ কয়লা খনি ভাঙি পৰাত ৫৩জন লোকৰ মৃত্যু হৈছিল। ইয়াৰ পূৰ্বে ২০০৯ চনত উত্তৰ-পূবৰ হেইলংজিয়াং প্ৰদেশত হোৱা বিস্ফোৰণত ১০০ জনতকৈ অধিক লোক প্ৰাণ হেৰুৱাইছিল। শ্ৰমিকৰ পৰিয়ালৰ সদস্য আৰু স্থানীয় বাসিন্দাসকলে নিজৰ আপোনজনৰ সন্ধানত হাস্পতাল আৰু ঘটনাস্থলীৰ চৌপাশে সমবেত হৈ শোকাকুল পৰিবেশৰ সৃষ্টি কৰিছে। দুৰ্ঘটনাটোৰ সঠিক কাৰণ সন্দৰ্ভত তদন্ত চলি আছে বুলি খনি কৰ্তৃপক্ষই জানিবলৈ দিছে।

## নতুন দিল্লীত বিত্তমন্ত্ৰী সীতাৰমণক সাক্ষাৎ মুখ্যমন্ত্ৰী

ড° হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণক সাক্ষাৎ কৰে। বিগত পাঁচটা বছৰত কেন্দ্ৰীয় চৰকাৰে অসমৰ উন্নয়নৰ বাবে আগবঢ়োৱা ধাৰাবাহিক সহযোগিতাৰ বাবে মুখ্যমন্ত্ৰীগৰাকীয়ে বিত্তমন্ত্ৰীগৰাকীক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। সামাজিক মাধ্যম 'এক্স' (X)-ত এক পোষ্ট যোগে মুখ্যমন্ত্ৰী শৰ্মাই কয়, "আজি নতুন দিল্লীত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ ডাঙৰীয়ানীক সাক্ষাৎ কৰোঁ। বিগত পাঁচ বছৰত অসমলৈ আগবঢ়োৱা নিৰন্তৰ সহযোগিতাৰ বাবে মই তেওঁক ধন্যবাদ জনাও আৰু অনাগত বছৰবোৰত অসমৰ বিকাশ তথা উন্নয়নৰ যাত্ৰাৰ ৰোডমেপ সম্পৰ্কে আলোচনা কৰোঁ।" উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ এই পদক্ষেপসমূহে অসমৰ উন্নয়নৰ গতিত নতুন মেৰু সংযোগ ঘটোৱাৰ লগতে ৰাজ্যৰ ৰাজনৈতিক আৰু আন্তঃগাঁথনিগত ক্ষেত্ৰত স্থিৰতাৰ বাৰ্তা দিছে।

## হাগ্ৰামা মহিলাৰীক লগত

তুমুল আক্ৰমণ চলায়। এই সংবাদমেলত তেওঁ অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিক লৈ চৰকাৰৰ তীব্ৰ সমালোচনা কৰাৰ লগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰে। অখিল গগৈয়ে কয়, "মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই হাগ্ৰামা মহিলাৰীৰ সৈতে লগ লৈ শ্ৰীৰামপুৰ গেট আৰু বক্সিৰহাট গেটত চিণ্ডিকেট চলাই আছে। অবৈধভাৱে একোখন গাড়ীৰ পৰা হাজাৰ হাজাৰ টকা সংগ্ৰহ কৰি আছে। এই চিণ্ডিকেটৰ বাবেই বিজেপিয়ে বিপিএফক পৰিবহণ মন্ত্ৰীৰ দপ্তৰ নিজৰ হাতত ৰাখিবলৈ দিছে। মন্ত্ৰী জয়ন্ত মল্লবৰুৱা আৰু চৰণ বড়োৰ মধ্যস্থতাত এই চিণ্ডিকেটৰ কাৰ্যকলাপ অব্যাহত আছে। ফলত অসমত মূল্যবৃদ্ধি চৰম সীমাত উপনীত হৈছে।" তেওঁ লগতে কয় যে বিগত সময়ত বিজেপি চৰকাৰে মূল্যবৃদ্ধি নিয়ন্ত্ৰণৰ প্ৰতিশ্ৰুতি দি ক্ষমতালৈ আহিছিল, কিন্তু তেওঁলোকৰ শাসনকালতেই অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য অস্বাভাৱিকভাৱে বৃদ্ধি পাইছে। অখিল গগৈৰ মতে, ৰাজ্যত মূল্যবৃদ্ধিৰ অন্যতম মূল কাৰণ হৈছে চৰকাৰ পৃষ্ঠপোষক এই চিণ্ডিকেট আৰু অবৈধ ধন সংগ্ৰহ। ইফালে, পেট্ৰ'ল-ডিজেল আৰু ৰন্ধন গেছৰ মূল্য হ্ৰাসৰো দাবী উত্থাপন কৰে ৰাইজৰ দলৰ সভাপতি গৰাকীয়ে। তেওঁ দাবী কৰে, "প্ৰতি লিটাৰ পেট্ৰ'লৰ ওপৰত মুঠ ৩৮.৭০ টকা কৰ সংগ্ৰহ কৰা হয়। ইয়াৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰে ১৯.৯০ টকা আৰু ৰাজ্য চৰকাৰে ১৮.৮০ টকা কৰ লয়।" অখিল গগৈৰ মতে, ইন্ধনৰ দাম বৃদ্ধিৰ মূল কাৰণ এই অত্যধিক কৰ, আন্তঃৰাষ্ট্ৰীয় বজাৰত তেলৰ দাম নহয়। তেওঁ কয়, "চৰকাৰে ইন্ধনৰ ওপৰত আৰোপ কৰা কৰ হ্ৰাস বা সম্পূৰ্ণৰূপে প্ৰত্যাহাৰ কৰিলে পেট্ৰ'ল-ডিজেলৰ মূল্য স্বয়ংক্ৰিয়ভাৱে কমি যাব। তেতিয়া সাধাৰণ জনতাই সকাহ পাব।" লগতে অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য নিয়ন্ত্ৰণৰ বাবে ফলপ্ৰসূ পদক্ষেপ ল'বলৈও চৰকাৰক আহ্বান জনায় অখিল গগৈয়ে। ইতিমধ্যে অখিল গগৈৰ এই অভিযোগে ৰাজ্যৰ ৰাজনৈতিক মহলত চাঞ্চল্যৰ সৃষ্টি কৰিছে। চৰকাৰী পক্ষৰ পৰা কোনো আনুষ্ঠানিক প্ৰত্যুত্তৰ এতিয়ালৈকে পোৱা হোৱা নাই। কিন্তু বিজেপিৰ স্থানীয় নেতৃত্বই অখিল গগৈৰ অভিযোগক 'অভিযোগমূলক আৰু প্ৰমাণহীন' বুলি উৰাই দিবলৈ চেষ্টা চলাইছে।

## ইভাংকা ট্ৰাম্পক হত্যাৰ ষড়যন্ত্ৰ উন্মোচিত; আটক

উন্মোচিত হৈছে। ইছলামিক ৰিভল্যুচনেৰী গাৰ্ড কৰ্পছ (আই আৰ জি চি)ৰ সৈতে জড়িত এজন সন্ত্ৰাসবাদীক আটক কৰাৰ পিছত এই কথা পোহৰলৈ আহে। আমেৰিকাৰ তদন্তকাৰী সংস্থাসমূহৰ মতে, আটক অভিযুক্তজনৰ নাম মহম্মদ বাকৰ আল সাদি (৩২ বছৰ) আৰু তেওঁ ইৰাকৰ নাগৰিক। তেওঁ কাতাইব হিজবুল্লাহ নামৰ শক্তিশালী ইৰাকী সশস্ত্ৰ সংগঠনটোৰ এজন জ্যেষ্ঠ সদস্য বুলি চিনাক্ত কৰা হৈছে। এই সংগঠনটো ইৰান সমৰ্থক বুলি জনা যায়। তদন্তত উঠি অহা তথ্য অনুসৰি, আল সাদিয়ে ইৰাণৰ শক্তিশালী সামৰিক সেনাধ্যক্ষ জেনেৰেল কাচেম ছলেমানীক ২০২০ চনত আমেৰিকাৰ ড্ৰোন আক্ৰমণত হত্যা কৰাৰ প্ৰতিশোধ ল'বলৈ ইভাংকাট্ৰাম্পক হত্যা কৰাৰ পৰিকল্পনা কৰিছিল। আল সাদিৰ পৰা জব্দ কৰা সামগ্ৰীৰ ভিতৰত ইভাংকা ট্ৰাম্পৰ ফ্ল'ৰিডা অৱস্থিত বাসগৃহৰ বিস্তাৰিত ব্লুপ্ৰিণ্ট (মানচিত্ৰ) আৰু কেইবাখনো গুৰুত্বপূৰ্ণ তথ্য থকা নথি উদ্ধাৰ হৈছে। আমেৰিকা উকীল কাৰ্যালয়ৰ বক্তব্য অনুসৰি, আল সাদিয়ে নিজেই ইভাংকাক হত্যা কৰাৰ প্ৰতিশ্ৰুতি দিছিল আৰু ইয়াৰ বাবে দীৰ্ঘদিন ধৰি গোয়েন্দাগিৰি কৰি আছিল। তেওঁৰ লক্ষ্য আছিল — ড'নাল্ড ট্ৰাম্পক সেই একেই বেদনা দিয়া যি বেদনা কাচেম ছলেমানীৰ মৃত্যুত তেওঁলোকে পাইছিল। আমেৰিকাৰ নিৰাপত্তা সংস্থাসমূহে আশংকা প্ৰকাশ কৰিছে যে কাতাইব হিজবুল্লাহই আমেৰিকাৰ বিভিন্ন স্থানত বিস্ফোৰণ সংঘটিত কৰাৰ সাজু হৈ আছিল। তেওঁলোকৰ লক্ষ্য আছিল ট্ৰাম্প পৰিয়ালৰ সদস্যসকলকে ধৰি উচ্চপদস্থ ব্যক্তিসকল। সৌভাগ্যক্ৰমে সময়মতে গোপন সূত্ৰই তথ্য দিয়াত আল সাদিক আটক কৰিবলৈ সক্ষম হয়। ৱাশ্বিংটনত থকা ইৰাকৰ দূতাবাসৰ প্ৰাক্তন বিষয়া এণ্টিফাদ কানবাৰে এটা সাক্ষাৎকাৰত কয়, "কাচেম ছলেমানীৰ হত্যাৰ পিছত আল-ছাদীয়ে মানুহক কৈ ফুৰিছিল যে ড'নাল্ড ট্ৰাম্পেও যাতে সেই বেদনা অনুভৱ কৰে, তাৰ বাবে ইভাংকাট্ৰাম্পক হত্যা কৰাটো প্ৰয়োজন।" এই ঘটনাই ইৰান-আমেৰিকাৰ সম্পৰ্কত নতুন জটিলতাৰ সৃষ্টি কৰাৰ লগতে ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী ট্ৰাম্প আৰু তেওঁৰ পৰিয়ালৰ সুৰক্ষা সন্দৰ্ভত নতুন উদ্বেগৰ জন্ম দিছে। আমেৰিকাৰ ছিক্ৰেট চাৰ্ভিছে ইভাংকা ট্ৰাম্প আৰু তেওঁৰ পৰিয়ালৰ সুৰক্ষা শক্তিশালী কৰিছে বুলি জানিব পৰা গৈছে।

## ওড়িশাৰ বালেশ্বৰত অগ্নিৰ

সফল উৎক্ষেপণ কৰা হয়। এই পৰীক্ষণে দেশৰ সামৰিক প্ৰস্তুতিক এক নতুন মাত্ৰা প্ৰদান কৰাৰ লগতে ভাৰতীয় সশস্ত্ৰ বাহিনীৰ কৌশলগত প্ৰতিৰোধ ক্ষমতা যথেষ্ট শক্তিশালী কৰি তুলিছে। প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ তৰফৰ পৰা জনোৱা অনুসৰি ষ্ট্ৰেটেজিক ফৰ্চ কমাণ্ডৰ (কৌশলগত বাহিনী কমাণ্ড) প্ৰত্যক্ষ তত্ত্বাৱধানত এই পৰীক্ষণ চলোৱা হৈছিল। পৰীক্ষণত মিছাইল ব্যৱস্থাটোৰ কাৰিকৰী আৰু কাৰ্যক্ষম সকলো দিশ সুচাৰুৰূপে প্ৰমাণিত হয়। সফল এই উৎক্ষেপণে ভাৰতৰ প্ৰতিৰক্ষা প্ৰস্তুতি কিমান সক্ষম, তাৰে এক জীৱন্ত উদাহৰণ দাঙি ধৰে। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বে যোৱা ৮ মে'ত ভাৰতে ওড়িশাৰ উপকূলৰ পৰা এম আই আৰ ভি (MIRV) প্ৰযুক্তিযুক্ত এক উন্নত অগ্নি মিছাইলৰ সফল উৰণ পৰীক্ষণ সম্পন্ন কৰিছিল। এম আই আৰ ভি হৈছে 'একাধিক স্বাধীন লক্ষ্যভেদী পুনঃপ্ৰৱেশ যান' প্ৰযুক্তি, যাৰ সহায়ত এটাই মাত্ৰ মিছাইলে একেলগে বিভিন্ন স্থানত কেইবাটাও যুদ্ধাস্ত্ৰ নিক্ষেপ কৰিব পাৰে। সেই সফলতাৰ মাত্ৰ কেইদিনমানৰ পিছতে অগ্নি-১ মিছাইলৰ এই পৰীক্ষণে দেশৰ প্ৰতিৰক্ষা প্ৰণালীক আৰু অধিক সুদৃঢ় কৰিলে। প্ৰতিৰক্ষা বিশেষজ্ঞসকলৰ মতে, অগ্নি-১ মিছাইল ভাৰতৰ অগ্নি শ্ৰেণীৰ মিছাইল সমূহৰ ভিতৰত এখন সিদ্ধাস্ত্ৰ। এই মিছাইলৰ দূৰত্ব প্ৰায় ৭০০ৰ পৰা ৯০০ কিলোমিটাৰ। ই পাৰমাণৱিক অস্ত্ৰ বহন কৰিবলৈ সক্ষম আৰু বাহিনীক যিকোনো প্ৰত্যাহ্বানৰ মোকাবিলা কৰাৰ সামৰ্থ্য প্ৰদান কৰে। এই সফল পৰীক্ষণে ভাৰতৰ প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা (ডিআৰডিঅ') আৰু সশস্ত্ৰ বাহিনীৰ সমন্বয় আৰু দক্ষতাৰ স্বাক্ষৰ বহন কৰে। সামগ্ৰিকভাৱে একেটা মাহতে (মে', ২০২৬) ভাৰতে প্ৰতিৰক্ষা ক্ষেত্ৰত একাধিক সফলতা অৰ্জন কৰাটো দেশৰ বাবে এক যুগান্তকাৰী পদক্ষেপ বুলি গণ্য কৰা হৈছে।

## বিজনী আৰক্ষীৰ বৃহৎ সফলতা

**অসমবাৰ্তা, বিজনী, ২১ মে'** ঃ চিৰাং জিলাৰ বিজনীত মঙলবাৰে নিশা দুটা পৃথক পৃথক স্থান ড্ৰাগছসহ দুজনক গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে। চিৰাং জিলাৰ বিজনীৰ পানবাৰী আৰক্ষীয়ে পালেংবাৰীত আৰু বিজনী আৰক্ষীয়ে বিজনী চহৰত চলোৱা অভিযানত বৃহৎ পৰিমাণৰ ড্ৰাগছসহ গ্ৰেপ্তাৰ কৰে দুটা সৰবৰাহকাৰীক। আৰক্ষীৰ গোপন খবৰৰ ভিত্তিত বিজনী চহৰৰ ৱাৰ্ড নং ৪ ৰেলৰে উৰণীয়া সেতুৰ সমীপত কাছাৰ জিলাৰ জামালপুৰৰ বাসিন্দা ছন্নছুল হুছেইন লস্কৰ(২৫) নামৰ এটা সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰাৰ লগতে জব্দ কৰে বৃহৎ পৰিমাণৰ ড্ৰাগছ। বিজনী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ৰিতুজ্যোতি নাথসহ বিজনীৰ আৰক্ষীৰ অভিযানত গ্ৰেপ্তাৰ হোৱা সৰবৰাহকাৰীটোৰ পৰা ৭ টাকৈ ড্ৰাগছভৰ্তি চাবোনৰ বাকচ জব্দ কৰাৰ লগতে গ্ৰেপ্তাৰ কৰে ছন্নছুল হুছেইন লস্কৰক। বিজনী আৰক্ষীয়ে জব্দ কৰা ড্ৰাগছ সমূহৰ ওজন ২৬৩.০৬ গ্ৰাম। আনহাতে চিৰাং জিলাৰ বিজনী মহকুমাৰ পানবাৰী থানাৰ অন্তৰ্গত পালেংবাৰীত ড্ৰাগছসহ গ্ৰেপ্তাৰ হয় আন এটা সৰবৰাহকাৰী। পানবাৰী আৰক্ষী থানাৰ চক্ৰ আৰক্ষী বিষয়া ৰিতুল মুনিদাস আৰু পাণবাৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া বিনয় মালাকাৰৰ নেতৃত্বত চলোৱা অভিযানত ৪৪ টাকৈ ড্ৰাগছভৰ্তি প্লাষ্টিক কণ্টেইনাৰ, এটা মোবাইলসহ গাজিৰ ৰহমান ওৰফে কালু নামৰ এটা সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰা হয়। ধৃত সৰবৰাহকাৰীটোৰ ঘৰ পুৱাণ বিজনীৰ মহৰিপাৰাত।

# AIOCDৰ ২৪ ঘণ্টীয়া ধৰ্মঘটৰ বন্ধৰ প্ৰভাৱ উত্তৰ নগাঁৱত সৰ্বাত্মক

**অসম বাৰ্তা, ৰূপহীহাট, ২৩ মে'** ঃ অনলাইন ঔষধ যোগান আৰু বিক্ৰী অৰ্থাৎ 'ই-ফাৰ্মাচী'ৰ ক্ৰমবৰ্ধমান প্ৰসাৰৰ বিৰোধিতাৰে আজি সমগ্ৰ দেশ লগতে উত্তৰ নগাঁৱৰ ৰূপহী, ছাইদৰীয়া, বালিকা, শিঙিমাৰী, শালপাৰা, লাওখোৱা, লৰিৰমুখ আৰু কাৰৈমাৰীতো বন্ধৰ প্ৰভাৱ সৰ্বাত্মক। আজি উত্তৰ নগাঁৱত সকলো ফাৰ্মাচী বন্ধ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। সমগ্ৰ ভাৰত বৰ্ষৰ লগতে নগাঁও জিলাৰ চহৰ তথা গ্ৰামাঞ্চলৰ সকলো ফাৰ্মাচী আৰু ডিষ্টিবিউটৰ ২৪ ঘণ্টাৰ বাবে বন্ধ ৰাখি ব্যৱসায়ীসকলে এই ধৰ্মঘট পালন কৰে। অল ইণ্ডিয়া অৰ্গেনাইজেশ্যন অৱ কেমিষ্ট এণ্ড ড্ৰাগিষ্ট' (AIOCD)-ৰ আহ্বানত গ্ৰহণ কৰা এই কাৰ্যসূচীৰ ফলত ৰাজ্যৰ ঔষধ ব্যৱসায় সম্পূৰ্ণৰূপে স্তব্ধ হৈ পৰিছে। প্ৰতিবাদকাৰীসকলৰ অভিযোগ যে, ই-ফাৰ্মাচীৰ অনিয়ন্ত্ৰিত নীতিৰ বাবে থলুৱা ক্ষুদ্ৰ আৰু পাইকাৰী ঔষধ ব্যৱসায়ীসকল তীব্ৰ আৰ্থিক সংকটৰ দিশে গতি কৰিছে। ইয়াৰ উপৰিও চিকিৎসকৰ প্ৰেছক্ৰিপচন অবিহনে অনলাইনত ঔষধৰ সহজ উপলব্ধতাই যুৱ প্ৰজন্ম তথা জনস্বাস্থ্যৰ প্ৰতি এক ভয়াবহ বিপদ মাতি আনিব পাৰে বুলি সংগঠনটোৱে আশংকা ব্যক্ত কৰিছে। ধৰ্মঘটৰ বাবে সাধাৰণ গ্ৰাহক আৰু ৰোগীসকল কিছু সমস্যাৰ সন্মুখীন হৈছে যদিও মানৱীয়তাৰ খাতিৰত জৰুৰীকালীন চিকিৎসা সেৱাক ইয়াৰ পৰা মুক্ত ৰখা হৈছে। ৰোগীৰ চৰম অসুবিধাৰ কথা চিন্তা কৰি চিকিৎসালয় চৌহদৰ ফাৰ্মাচী আৰু বিভিন্ন গুৰুত্বপূৰ্ণ পইণ্টত ঠায়ে ঠায়ে কেইখনমান ঔষধৰ দোকান খোলা ৰখাৰ বিশেষ ব্যৱস্থা কৰা হৈছে।

**জনজাতীয় গৌৰৱ উৎসৱ ২০২৬ আৰু জন ভাগীদাৰী সপ্তাহৰ শুভাৰম্ভ**

# জনজাতীয় সমাজৰ সৱলীকৰণ

**অসম বাৰ্তা, দেৰগাঁও, ২৩ মে'** ঃ ১৮ মে' ২০২৬ তাৰিখে গোলাঘাট জিলাৰ জিলা আয়ুক্ত পূবালী গোহাঁইৰ অধ্যক্ষতাত জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এখনি গুৰুত্বপূৰ্ণ বৈঠকত 'জনজাতীয় গৌৰৱ উৎসৱ' আৰু 'জন ভাগীদাৰী সপ্তাহ' (১৮-২৫ মে', ২০২৬) আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। চৰকাৰী আঁচনিসমূহৰ সুফল যাতে তৃণমূল পৰ্যায়ৰ প্ৰতিগৰাকী জনজাতীয় লোকে লাভ কৰিব পাৰে, তাৰ বাবে জিলাখনৰ ৫৫খন জনজাতীয় গাঁৱত ৫৫টা 'আদিয়োগী সেৱা কেন্দ্ৰ' স্থাপন কৰা হয়। এই কেন্দ্ৰসমূহৰ জৰিয়তে জনজাতীয় ৰাইজে বিভিন্ন চৰকাৰী আঁচনিসমূহ সহজে লাভ কৰিব পাৰিব। ইয়াৰ উপৰি, এই অভিযান অংশ হিচাপে সপ্তাহজুৰি আটাইকেইটা ৫৫টা স্থানতে বিনামূলীয়া স্বাস্থ্য শিবিৰো আয়োজন কৰা হৈছে। এই বৈঠকত অতিৰিক্ত জিলা আয়ুক্ত আৰু বিভিন্ন বিভাগৰ বিষয়াসকল উপস্থিত থাকে, যাতে সকলো বিভাগৰ সঠিক সমন্বয়ৰ জৰিয়তে এই অভিযান সম্পূৰ্ণ সফল কৰি তুলিব পৰা যায়।

# ৰহাত পথ সুৰক্ষা সম্পৰ্কীত সজাগতা সভা অনুষ্ঠিত

**অসম বাৰ্তা, ৰহা, ২৩ মে'** ঃ নগাঁও জিলাৰ ৰহাত এখন পথ সুৰক্ষা সম্পৰ্কত সজাগতা সভা অনুষ্ঠিত হৈ যায়। নগাঁও জিলা পথ সুৰক্ষা সমিতি আৰু নগাঁও জিলা পৰিবহণ বিভাগৰ উদ্যোগত মংগলবাৰে ৰহা মহাবিদ্যালয়ত অনুষ্ঠিত হয় এই সজাগতা সভা। সভাত অংশগ্ৰহণ কৰে ৰহা সমজিলা আয়ুক্ত অংকিতা বৰা, ৰহা ৰাজহ চক্ৰ বিষয়া বিশ্বজিৎ দত্ত, নগাঁও জিলা পৰিবহণ বিষয়া সীমান্ত বৰা, ৰহা মহাবিদ্যালয়ৰ উপাধ্যক্ষ মৃণাল শৰ্মা, ৰহা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া জ্যোতিষ নাথ, লোকনিৰ্মাণ বিভাগৰ(পথ) কাৰ্যবাহী অভিযন্তা ৰৌফ আব্দুল, জিলা এনফৰ্চমেণ্ট বিষয়া প্ৰহ্লাদ হাজৰিকা প্ৰমুখ্যে কৰি বিষয়াসকল। উক্ত সভাত পথ সুৰক্ষা তথা দুৰ্ঘটনা ৰোধৰ বাবে নাগৰিকে পালন কৰিবলগীয়া আইন কানুনৰ সম্পৰ্কত বিষদ ব্যাখ্যা আগবঢ়ায়। লগতে দুৰ্ঘটনা ৰোধৰ বাবে সকলোকে সচেতন হ'বলৈও আহ্বান জনায়। সজাগতা সভাখনত গাঁও প্ৰধানসকলৰ লগতে সচেতন নাগৰিকসকল উপস্থিত থাকে।

# হাউলীত বুজন পৰিমাণৰ গাঞ্জা জব্দ; এজন আটক

**অসম বাৰ্তা, কুমুল্লী পৰা, ২৩ মে'** ঃ বৰপেটা জিলাৰ হাউলীত আৰক্ষীয়ে ২১ মে'ত এক অভিযান চলাই বজাৰ এলেকাৰ পৰা বুজন পৰিমাণৰ গাঞ্জা জব্দ কৰিবলৈ সক্ষম হয়। আৰক্ষীৰ এই অভিযানত গাঞ্জা ব্যৱসায়ৰ সৈতে জড়িত থকাৰ অভিযোগত এজন লোকক আটক কৰা হৈছে। আটকাধীন লোকজনক ছফিকুল ইছলাম বুলি চিনাক্ত কৰা হৈছে। গোপন সূত্ৰৰ ভিত্তিত হাউলী আৰক্ষীয়ে বজাৰ অঞ্চলত অভিযান চলাই লোকজনক আটক কৰাৰ লগতে তেওঁৰ কব্জাৰ পৰা গাঞ্জাখিনি উদ্ধাৰ কৰে। জানিব পৰা মতে ঘটনাটোৰ সৈতে আৰু কোনো লোক জড়িত আছে নেকি সেই দিশতো আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। হাউলী আৰক্ষীৰ এনে সফল অভিযানক স্থানীয় ৰাইজে সন্তোষ প্ৰকাশ কৰাৰ লগতে অঞ্চলটোৰ পৰা ড্ৰাগছ আৰু নিষিদ্ধ সামগ্ৰীৰ বিৰুদ্ধে আৰক্ষীয়ে কঠোৰ ব্যৱস্থা অব্যাহত ৰাখিব বুলি আশা প্ৰকাশ কৰিছে।

# গোলকগঞ্জৰ বিধায়ক অশ্বিনী ৰায় সৰকাৰক মন্ত্ৰিত্ব প্ৰদানৰ দাবী প্ৰাক্তন চাহ শ্ৰমিক (কৰ্মকাৰ) সমিতিৰ

**অসম বাৰ্তা, গোলোকগঞ্জ, ২৩ মে'** ঃ ধুবুৰী জিলাৰ গোলকগঞ্জ সমষ্টিৰ অন্তৰ্গত বিছনদই-চৰাইখোলাৰ প্ৰাক্তন চাহ শ্ৰমিক (কৰ্মকাৰ) সমিতিয়ে গোলকগঞ্জ সমষ্টিৰ বিধায়ক অশ্বিনী ৰায় সৰকাৰক অসম মন্ত্ৰীসভাত মন্ত্ৰিত্ব প্ৰদান কৰাৰ দাবী জনাইছে। এই সন্দৰ্ভত সমিতিৰ সভাপতি প্ৰদীপ কুমাৰ কৰ্মকাৰ আৰু সাধাৰণ সম্পাদক বিপ্লৱ কুমাৰ কৰ্মকাৰে আজি এক প্ৰেছ বিজ্ঞপ্তি যোগে জানিবলৈ দিয়ে। বিজ্ঞপ্তিত উল্লেখ কৰা মতে, যোৱা ২০ মে'ত অনুষ্ঠিত সমিতিৰ কাৰ্য্যনিৰ্বাহক সভাত বিধায়ক অশ্বিনী ৰায় সৰকাৰক মন্ত্ৰিত্ব প্ৰদানৰ দাবীত অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়ালৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সমিতিৰ নেতৃবৃন্দই কয় যে প্ৰাক্তন মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহৰ স্মৃতিবিজড়িত ভাৰত-বাংলাদেশ আন্তঃৰাষ্ট্ৰীয় সীমান্তৱৰ্তী ঐতিহ্যমণ্ডিত গোলকগঞ্জ সমষ্টিয়ে অতীতৰে পৰা অসমৰ ৰাজনীতিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। পূৰ্বতেও এই সমষ্টিৰ বিধায়কে অসম মন্ত্ৰীসভাৰ গুৰুত্বপূৰ্ণ বিভাগৰ দায়িত্ব পালন কৰিছিল। তেওঁলোকে লগতে কয় যে এইবাৰো গোলকগঞ্জ সমষ্টিবাসী ৰাইজে সুদক্ষ নেতৃত্ব আৰু ৰাজনৈতিক অভিজ্ঞতাৰ অধিকাৰী বিধায়ক অশ্বিনী ৰায় সৰকাৰক বিপুল ভোটত বিজয়ী কৰি বিধানসভালৈ প্ৰেৰণ কৰিছে। সেয়ে সীমান্তৱৰ্তী গোলকগঞ্জ সমষ্টি, ধুবুৰী জিলা আৰু নামনি অসমৰ বিভিন্ন জাতি-গোষ্ঠীৰ সামগ্ৰিক উন্নয়ন, সামাজিক-আৰ্থিক অগ্ৰগতি আৰু সামাজিক-আৰ্থিক অগ্ৰগতি আৰু সুৰক্ষাৰ স্বাৰ্থত অশ্বিনী ৰায় সৰকাৰক মন্ত্ৰিত্ব প্ৰদানৰ বাবে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়ালৈ আবেদন জনোৱা হৈছে।

# আন্তৰাষ্ট্ৰীয় মঞ্চত জিলিকিল গোলাঘাটৰ বিশিষ্ট লোক সংগীতৰ শিল্পী ৰুমী শইকীয়া আৰু তেওঁৰ দুই শিষ্য মৌচুমী গগৈ আৰু দৃষ্টিজীনা ৰাগিনী গগৈ




**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২৩ মে'** ঃ ভিয়েটনামত আয়োজিত 19 th Global competition গু Festival of Indian Art গু Cultureত "দেস ৰাগ" শীৰ্ষক পঞ্চ দিৱসীয় মহোৎসৱত গুৰু ৰুমী শইকীয়াই পৰিৱেশ্য কলা শিতানত অসমৰ হৈ যোগদান কৰি দেশলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়। অসমৰ চাৰিজন গুৰুৰ তত্ত্বাৱধানত মুঠ ত্ৰিশজন ছাত্ৰ-ছ। ত্ৰীয়ে ভিয়েটনামৰ ৰাজধানী হানয় চহৰত আয়োজিত International Global Competitionত যোগদান কৰে। উল্লেখযোগ্য যে ৰুমী শইকীয়াৰ দুই কৃতি ছাত্ৰী মৌচুমী গগৈ আৰু দৃষ্টিজীনা ৰাগিণী গগৈয়ে প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি প্ৰথম পুৰস্কাৰ লাভ কৰি "কলানিধি হীৰক" সন্মান কঢ়িয়াই আনিবলৈ সক্ষম হয়। ভিয়েটনামত অনুষ্ঠিত International Cultural Harmony "Desh Raag" শীৰ্ষক পঞ্চ দিৱসীয় মহোৎসৱত অসম চৰকাৰৰ শিল্পী সন্মান প্ৰাপক, বিশিষ্ট লোক সংস্কৃতিৰ সাধক, অনাতাঁৰ শিল্পী, গুৰু সন্মানেৰে সন্মানিত ৰুমী শইকীয়াই অসমৰ লোকগীত, মালিতা অৰ্থাৎ বেলাড পৰিৱেশন কৰি দৰ্শকৰ সমাদৰ আৰু প্ৰশংসা লাভ কৰে আৰু তেখেতে লোক সংস্কৃতিৰ ক্ষেত্ৰখনত আগবঢ়োৱা অৱদানৰ বাবে গুৰু সন্মান হিচাবে "মহাশ্ৰমণ" সন্মানেৰে সন্মানিত কৰে। উক্ত International Cultural Harmony- 19th International Global Competition & Festival of Indian Cultureৰ আয়োজক আছিল ছত্তীশগড়, ভিল্লাইৰ" নৃত্যধাম কলা সমিতি"ৰ নিৰ্দেশিকা ড° ৰাখী ৰয় আৰু সমৰ্থক আছিল ভাৰত চৰকাৰৰ পৰ্যটন মন্ত্ৰালয়, আয়ুস মন্ত্ৰালয়, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়, আই.এ.এফ, দৰ্পণ আদিৰ।

# গোসাঁইগাঁৱৰ পূৱ কুমগুৰী এলপি স্কুলত প্ৰধান শিক্ষকৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ

**অসম বাৰ্তা, গোসাঁইগাঁও, ২৩ মে'** ঃ গোসাঁইগাঁও শিক্ষা খণ্ডৰ অন্তৰ্গত পূৱ কুমগুৰী এল পি স্কুলত প্ৰধান শিক্ষক আব্দুল কালাম আজাদৰ বিৰুদ্ধে চৰম অৱহেলা আৰু অনিয়মৰ অভিযোগ উত্থাপন হৈছে। যি সময়ত চৰকাৰে প্ৰাথমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ বাবে মধ্যাহ্ন ভোজন বাধ্যতামূলক কৰিছে, সেই সময়তে বিদ্যালয়খনত বিগত চাৰি-পাঁচ মাহ ধৰি সম্পূৰ্ণৰূপে বন্ধ হৈ আছে মধ্যাহ্ন ভোজন ব্যৱস্থা। কেৱল মধ্যাহ্ন ভোজনেই নহয়, শিক্ষাৰ্থীসকল নিয়মীয়া শ্ৰেণী পাঠদানৰ পৰাও বঞ্চিত হৈ অহাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজ আৰু অভিভাৱকে। জানিব পৰা মতে বিদ্যালয়খনত ৪২ গৰাকী শিক্ষাৰ্থীৰ বিপৰীতে দুই গৰাকী শিক্ষক নিয়োজিত আছে যদিও প্ৰধান শিক্ষকজনে নিয়মীয়াকৈ শ্ৰেণী কাৰ্য সম্পাদন নকৰে। অভিযোগ অনুসৰি প্ৰধান শিক্ষক আব্দুল কালাম আজাদে কেৱল উপস্থিতি দাখিল কৰি বিভিন্ন ব্যক্তিগত কামৰ অজুহাত দেখুৱাই পুৱা ১১ বা ১২ বজাৰ ভিতৰতে বিদ্যালয় ত্যাগ কৰে। ফলত সহকাৰী শিক্ষকগৰাকীয়ে একেলগে কেইবাটাও শ্ৰেণীৰ দায়িত্ব বহন কৰিবলগীয়া হয়। আনকি, দুপৰীয়া ১২ বজাৰ পিছত কিছুমান শ্ৰেণী চুটি দি বাকী শিক্ষাৰ্থীক একেটা কোঠাত বহুৱাই পাঠদান চলাই আহিছে বুলি জানিবলৈ দিছে স্থানীয় লোকসকলে। ইফালে বিদ্যালয়খনত বিগত কেইমাহ ধৰি মধ্যাহ্ন ভোজন সম্পূৰ্ণৰূপে বন্ধ হৈ থকাৰ অভিযোগ উঠিছে। অভিযোগ অনুসৰি ৰান্ধনী ঘৰৰ তালা খোলা নহয় আৰু এই ক্ষেত্ৰত প্ৰধান শিক্ষকজনেই দায়ী বুলি ৰাইজে দাবী কৰিছে। স্থানীয় ৰাইজে আৰু অভিযোগ উত্থাপন কৰি কয় যে বিদ্যালয়খনত সংঘটিত বিভিন্ন অনিয়ম আৰু দুৰ্নীতিৰ বিৰুদ্ধে মাত মাতিলে প্ৰধান শিক্ষকজনে ভয়-ভাবুকি প্ৰদৰ্শন কৰে। আনহাতে বিদ্যালয়খনত নতুনকৈ এগৰাকী শিক্ষয়িত্ৰীয়ে যোগদান কৰাৰ পিছত বিদ্যালয়ৰ শৃংখলা আৰু শৈক্ষিক পৰিৱেশ অধিক অৱনতি হোৱা বুলিও অভিযোগ উত্থাপন কৰিছে স্থানীয় অভিভাৱকসকলে। এই ঘটনাক কেন্দ্ৰ কৰি অঞ্চলজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ৰাইজ আৰু অভিভাৱকসকলে শিক্ষা বিভাগক বিষয়টোত তাৎক্ষণিকভাৱে তদন্ত কৰি দোষীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে।

# আইৰণমেন দীপন মেধীক সম্বৰ্ধনা জ্যোতিষী অপূৰ্ব দেৱ শৰ্মাৰ

**অসম বাৰ্তা, মিৰ্জা, ২৩ মে'** ঃ বিশ্বৰ সন্মুখত ভাৰতক প্ৰতিনিধিত্ব কৰি অসমৰ পৰা আইৰণমেন ট্ৰাইএথলন সম্পূৰ্ণ কৰা আটাইতকৈ দ্ৰুত অসমীয়া হিচাপে পৰিগণিত হোৱা আজাৰাৰ খেলুৱৈ দীপন মেধীক সম্বৰ্ধনা বীণাপাণি জ্যোতিষ কাৰ্যালয়ৰ স্বত্বাধিকাৰী অপূৰ্ব দেৱ শৰ্মাৰ। আজাৰাৰ সেনা বিষয়া পবিত্ৰ মেধী আৰু তৰুবালা মেধীৰ একমাত্ৰ পুত্ৰৰ সাফল্যত উৎফুল্ল হৈ পৰিছে শুভাকাংক্ষী তথা আত্মীয় স্বজন। আইৰণমেন ট্ৰাইএথলন শীৰ্ষক বিশ্ববিখ্যাত সহনশীলতাৰ প্ৰতিযোগিতাত আছিল দক্ষিণ চীন সাগৰত ৩.৮ কিলোমিটাৰ মুক্তজল সাঁতোৰ, তাৰ পিছত ১৮০ কিলোমিটাৰ চাইক্লিং আৰু ৪২.২ কিলোমিটাৰ পূৰ্ণ মাৰাথন দৌৰ। ১৭ ঘণ্টাৰ ভিতৰত সকলো ইভেণ্ট কৰিব লাগিছিল উক্ত প্ৰতিযোগিতাত। কিন্তু সাতোৰ, দৌৰ আৰু চাইকেলিং সৰ্বমুঠ ১৩ ঘণ্টা ১১ মিনিট ২৪ চেকেণ্ডৰ ভিতৰতে সফলতাৰে এই দুঃসাহসিক প্ৰতিযোগিতা সম্পূৰ্ণ কৰি বিশ্বজুৰি সন্মানিত "আইৰণমেন" উপাধি লাভ কৰিছে দীপন মেধীয়ে। এই সাফল্যৰ পিছতেই দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ দখলাস্থিত বীণাপাণি জ্যোতিষ কাৰ্যালয়ৰ স্বত্বাধিকাৰী তথা বিশিষ্ট সমাজকৰ্মী জ্যোতিষী অপূৰ্ব দেৱ শৰ্মাই বিশেষ ভাৱে খেলুৱৈ গৰাকীক উৎসাহিত কৰাৰ



উদ্দেশ্যে নিজাববীয়াকৈ সম্বৰ্ধনা জনায় খেলুৱৈ দীপন মেধীক। লগতে তেওঁৰ ভৱিষ্যত জীৱন উন্নতিৰ শিখৰত ধাৱমান হওক তাৰ কামনা কৰে জ্যোতিষগৰাকীয়ে।

# দুৰাৰোগ্য ৰোগত আক্ৰান্ত জিয়াকুৰৰ ৰাতুল

**অসম বাৰ্তা, মিৰ্জা, ২৩ মে'** ঃ দক্ষিণ কামৰূপৰ পলাশবাৰী বিধান সভা সমষ্টিৰ অন্তৰ্গত কুকুৰমাৰাৰ দুই নং জিয়াকুৰৰ নিবাসী ৰাতুল মেধি বৰ্তমান ব্ৰেইনৰ এক জটিল ৰোগত আক্ৰান্ত হৈ গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যুৰ সৈতে যুঁজি আছে। পৰিয়ালটোৰ একমাত্ৰ উপাৰ্জনকাৰী ব্যক্তি ৰাতুল মেধি হঠাৎ এনে জটিল ৰোগত আক্ৰান্ত হোৱাত পৰিয়ালটো গভীৰ আৰ্থিক সংকটত পৰিছে। চিকিৎসকৰ মতে, ৰাতুল মেধিৰ উন্নত চিকিৎসাৰ বাবে বহু ধনৰ প্ৰয়োজন। স্বামীৰ চিকিৎসাৰ বাবে পত্নীয়ে পৈতৃক সম্পত্তি বিক্ৰী কৰাৰ লগতে নিজৰ সোণৰ অলংকাৰ পৰ্যন্ত বিক্ৰী কৰিছে। তথাপিও চিকিৎসাৰ সম্পূৰ্ণ ব্যয় বহন কৰাটো সম্ভৱ হৈ উঠা নাই। দুটি কণমানি সন্তানক লৈ অসহায় হৈ পৰা পত্নীয়ে অসমৰ হৃদয়ৱান ৰাইজৰ ওচৰত সহায়ৰ বাবে কাতৰ আহ্বান জনাইছে। আৰ্থিক সংকটৰ মাজত পৰিয়ালটোৱে সকলোৰে সহযোগিতা কামনা কৰিছে, যাতে ৰাতুল মেধিয়ে প্ৰয়োজনীয় চিকিৎসা লাভ কৰিব পাৰে। ৰাতুল মেধিৰ একাউণ্ট নম্বৰ: 2019200100014637 Punjab National Bank (PNB) IFSC Code: PUNB0201920।

# যোৰহাট জিলাত জিলা আয়ুক্ত জয় শিৱানীৰ মহোদয়ৰ পৌৰোহিত্যত জিলা পথ সুৰক্ষা সমিতিৰ গুৰুত্বপূৰ্ণ পৰ্যালোচনা বৈঠক সম্পন্ন

**অসম বাৰ্তা, যোৰহাট, ২৩ মে'** ঃ যোৰহাট জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভা কক্ষত আজি জিলা পথ সুৰক্ষা সমিতিৰ (District Road Safety Committee) মাহেকীয়া পৰ্যালোচনা বৈঠকখন অনুষ্ঠিত হৈ যায়। জিলা আয়ুক্ত জয় শিৱানী ডাঙৰীয়াৰ পৌৰোহিত্যত অনুষ্ঠিত এই বৈঠকত প্ৰধানকৈ ৰাষ্ট্ৰীয় ঘাইপথসমূহত সংঘটিত হোৱা পথ দুৰ্ঘটনা ৰোধ কৰাৰ সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়। পূৰ্বৰ বৈঠকসমূহত উত্থাপিত পথ সুৰক্ষা সম্পৰ্কীয় বিভিন্ন সমস্যা আৰু সেইসমূহৰ সমাধানৰ বাবে হাতত লোৱা কাৰ্যসূচীৰ অগ্ৰগতিৰ খতিয়ান লোৱাৰ উদ্দেশ্যে এই পৰ্যালোচনা বৈঠকখন আহ্বান কৰা হৈছিল। জিলাখনৰ ব্লেক স্পট সমূহ চিনাক্তকৰণ আৰু পথ সুৰক্ষাৰ নিয়মসমূহ কঠোৰভাৱে পালন কৰাৰ ওপৰত বৈঠকত গুৰুত্ব আৰোপ কৰা হয়। যোৰহাট জিলাখনক এক দুৰ্ঘটনামুক্ত আৰু সুৰক্ষিত জিলা হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে আটাইকেইটা বিভাগক সমন্বয়ৰে কাম কৰিবলৈ জিলা আয়ুক্ত ডাঙৰীয়াই বৈঠকত আহ্বান জনায়। উক্ত বৈঠকত যোৰহাটৰ জিলাৰ জেষ্ঠ আৰক্ষী অধীক্ষক, টীয়ক আৰু মৰিয়নিৰ সম-জিলা আয়ুক্তদ্বয়, অতিৰিক্ত জিলা আয়ুক্ত, যোৰহাট উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ, NHIDCLৰ মহা প্ৰবন্ধক, অতিৰিক্ত আৰক্ষী অধীক্ষক, সহকাৰী আয়ুক্ত, বিদ্যালয়সমূহৰ পৰিদৰ্শক, জিলা পৰিবহণ বিষয়াৰ লগতে সংশ্লিষ্ট বিভাগসমূহৰ অন্যান্য বিষয়াসকল উপস্থিত থাকে।

# ৰূপহীহাটৰ ফুটালজাৰ হাই স্কুলৰ দুই অৱসৰী শিক্ষক ৰফিকুল ইছলাম আৰু শিৰাজুল ইছলাম আনচাৰীক বিদায় সম্বৰ্ধনা




**অসম বাৰ্তা, ৰূপহীহাট, ২৩ মে'** ঃ ৰূপহীহাটৰ ফুটালজাৰ হাই স্কুলৰ দুই শিক্ষক ৰফিকুল ইছলাম আৰু শিৰাজুল ইছলাম আনচাৰীয়ে আজি কৰ্মজীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে। তদুপলক্ষে আজি বিদ্যালয় খনত আয়োজন কৰে বিদায় সভাৰ। বিদ্যালয়ৰ প্ৰধান শিক্ষক উকাল উদ্দিনৰ সঞ্চালনাত অনুষ্ঠিত হয় বিদায় সভাখন। সভাখনত বিদ্যালয়খনৰ প্ৰাক্তন আৰু বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক আৰু বহু গণ্য মান্য সমাজ সেৱক উপস্থিত হৈ শিক্ষক দুজনক বিপুলভাৱে সম্বৰ্দ্ধনা জনায়। ১৯৯২ চনৰ পৰাই একেখন বিদ্যালয়ত জ্ঞানৰ পোহৰ বিলাই ছিল ৰফিকুল ইছলামে। ৰফিকুল ইছলামে কৰ্মজীৱনত অতি নিষ্ঠা আৰু সততাৰে নিজৰ কৰ্তব্য পালন কৰিছিল। শিৰাজুল ইছলাম আনচাৰীয়েও অতি কম দিনত ছাত্ৰ-ছাত্ৰীৰ লগতে অভিভাৱক সকলৰ অতি আপোন হৈ পৰিছিল। একে দিনাই বিদ্যালয়খনৰ পৰা দুগৰাকী শিক্ষকক বিদায় দি সভাখনত সকলো আবেগিক হৈ পৰে। বিদ্যালয়খনৰ ফালৰ পৰা দুই অৱসৰী শিক্ষকৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰে।

# গোৱালপাৰাত মাদ্ৰাছাৰ অধ্যক্ষৰ বিৰুদ্ধে নাবালক ছাত্ৰক নিৰ্যাতনৰ অভিযোগ

**অসম বাৰ্তা, গোৱালপাৰা সদৰ, ২৩ মে'** ঃ গোৱালপাৰা জিলাৰ বগুৱান আৰক্ষী থানাৰ অন্তৰ্গত সোণাহাৰা গাঁৱত সংঘটিত এক ঘটনাই অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। সোণাহাৰাত অৱস্থিত "দাৰুল উলুম তৌহিদুল ইছলাম চ'ছাইটি" নামৰ এখন মাদ্ৰাছাৰ অধ্যক্ষ মনোৱাৰ হুছেইনৰ বিৰুদ্ধে এগৰাকী ১১ বছৰীয়া ছাত্ৰক নিৰ্যাতন চলোৱাৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ অনুসৰি, অধ্যক্ষজনে শিক্ষাৰ নামত ছাত্ৰজনৰ সৈতে ঘৃণনীয় কাণ্ড সংঘটিত কৰিছিল। ঘটনাটো পোহৰলৈ অহাৰ পিছতে ভুক্তভোগী ছাত্ৰজনৰ পৰিয়ালে মঙলবাৰে বগুৱান আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰি পক্স' আইনৰ অধীনত অভিযুক্ত মনোৱাৰ হুছেইনক আটক কৰে। পিছত তেওঁক আদালতত হাজিৰ কৰোৱা হয় আৰু আদালতে দুদিনীয়া আৰক্ষী জিম্মালৈ প্ৰেৰণ কৰে। ঘটনাক কেন্দ্ৰ কৰি অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। স্থানীয় লোকসকলে ঘটনাটোৰ সঠিক তদন্ত আৰু কঠোৰ শাস্তিৰ দাবী জনাইছে। এই সন্দৰ্ভত গোৱালপাৰা পশ্চিম সমষ্টিৰ সমজিলা আৰক্ষী অধীক্ষক অভিলাষ বৰুৱাই জনোৱা মতে, ঘটনাটোৰ তদন্ত অব্যাহত আছে।

**কীৰ্তিমানসকল জাতিৰ ভৱিষ্যত, দেশৰ সম্পদ ঃ ভূষণ চন্দ্ৰ শৰ্মা**

# বাগানপাৰাৰ বাক্সা জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত অভিনন্দন অনুষ্ঠান

**অসম বাৰ্তা, বাগানপাৰা, ২৩ মে'** ঃ কীৰ্তিমানসকল জাতিৰ ভৱিষ্যত দেশৰ সম্পদ। শিক্ষা জৰিয়তে কীৰ্তিমানসকলে নিজকে সম্পাদকৰূপে প্ৰতিষ্ঠিত কৰি এগৰাকী সুনাগৰিক হিচাপে গঢ়ি তুলিব লাগিব। তেতিয়াহে আমাৰ সমাজখনে তেওঁলোকক লৈ দেখা সপোনবোৰ বাস্তৱায়িত হ'ব।... এই মন্তব্য বাক্সা জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ভূষণ চন্দ্ৰ শৰ্মাৰ। আজি বাগানপাৰাৰ বা'ৰ জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত কৃতী ছাত্ৰ-ছাত্ৰীৰ অভিনন্দন অনুষ্ঠানত অতিথি হিচাপে অংশগ্ৰহণ কৰি অৱসৰী অধ্যক্ষগৰাকীয়ে এইদৰে কয়। বাক্সা জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা ইলাৱতী বড়োৰ সঞ্চালনাত অনুষ্ঠিত অভিনন্দন অনুষ্ঠানত বগুলামাৰী আঞ্চলিক হাইস্কুলৰ প্ৰধান শিক্ষক ৰঞ্জিত ভাণ্ডাৰী, বাপুজী বিদ্যাপীঠ হাই স্কুলৰ প্ৰধান শিক্ষক অনচুলা বড়ো, ভাস্কৰজ্যোতি ছোৱালী হাই স্কুলৰ প্ৰধান শিক্ষক প্ৰদীপ নাথ, বাগানপাৰা




আঞ্চলিক এবছুৰ সভাপতি বিক্ৰম সিং ব্ৰহ্ম, বাক্সা জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত স্নাতকোত্তৰ শিক্ষক জমেশ জে স্বৰ্গীয়াৰীয়ে অতিথি হিচাপে বক্তব্য দাঙি ধৰে। বিদ্যালয়খনৰ ছাত্ৰীৰ দলীয় নৃত্যৰে আৰম্ভ হোৱা অনুষ্ঠানটোত বাগানপাৰা হাই স্কুলৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক অতুল কুমাৰ দাসেও অতিথি হিচাপে উপস্থিত থাকে। বিদ্যালয়খনৰ জ্যেষ্ঠ স্নাতকোত্তৰ শিক্ষক ৰঞ্জিত কলিতাই আঁত ধৰা অনুষ্ঠানটোত কেইবাগৰাকীও ছাত্ৰ-ছাত্ৰীয়ে গীত আৰু নৃত্য পৰিৱেশন কৰে। অনুষ্ঠানত বিদ্যালয়খনৰ পৰা এইবাৰ উচ্চতৰ মাধ্যমিক পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ সীমা বড়ো, দিৱস ভট্টৰাই, জোংমা বড়ো, খেমৰাজ পোখৰেল, দিনো বড়ো, মইনা ব্ৰহ্ম আৰু টিনা ৰাভাক আৰনাই, অভিনন্দন পত্ৰ, ফাইল, গ্ৰন্থৰ টোপোলা আৰু কলমেৰে অভিনন্দন জনোৱা হয়। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীয়ে কৃতিত্ব প্ৰদৰ্শন কৰিবলৈ সক্ষম হোৱা বিভিন্ন বিষয়ৰ স্নাতকোত্তৰ শিক্ষক ক্ৰমে পবিত্ৰ তালুকদাৰ, দিপালী বালা বড়ো, অজয় বড়ো আৰু তপন দৈমাৰীক বিদ্যালয়খনৰ অধ্যক্ষা ইলাৱতী বড়োৱে সম্বৰ্ধনা জ্ঞাপন কৰে। তদুপৰি ৰাজনীতি বিজ্ঞান বিষয়ত লেটাৰ নম্বৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলকো পুৰস্কাৰ প্ৰদান কৰে ৰাজনীতি বিজ্ঞান বিষয়ৰ স্নাতকোত্তৰ শিক্ষক পবিত্ৰ তালুকদাৰে। অনুষ্ঠানটোত বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে তিনি শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

# গোৱালপাৰা টাউন ৰে'ল ষ্টেচনৰ উন্নয়নৰ দাবীত ৰে'ল কৰ্তৃপক্ষক স্মাৰকপত্ৰ প্ৰদান অল অসম ৰে'ল যাত্ৰী সংঘৰ

**অসম বাৰ্তা, গোৱালপাৰা সদৰ, ২৩ মে'** ঃ গোৱালপাৰা টাউন ৰে'ল ষ্টেচনৰ বিভিন্ন সমস্যা সমাধান আৰু যাত্ৰীৰ সুবিধা বৃদ্ধিৰ দাবীত অল অসম ৰে'ল যাত্ৰী সংঘ, গোৱালপাৰা জিলা ইউনিটে উত্তৰ-পূৰ সীমান্ত ৰে'লৱেৰ ৰঙিয়া বিভাগীয় ৰে'ল ব্যৱস্থাপকক এখন স্মাৰকপত্ৰ প্ৰদান কৰে। সংগঠনটোৱে গোৱালপাৰা টাউন ৰে'ল ষ্টেচনক অধিক উন্নত আৰু যাত্ৰীবান্ধৱ কৰি তুলিবলৈ কে'বাটাও গুৰুত্বপূৰ্ণ দাবী উত্থাপন কৰে। সংগঠনটোৰ মতে, গোৱালপাৰা টাউন ৰে'ল ষ্টেচনটো গোৱালপাৰা জিলাৰ লগতে পূৱ আৰু পশ্চিম গাৰো পাহাৰৰ বহু লোকৰ যাতায়াতৰ অন্যতম গুৰুত্বপূৰ্ণ কেন্দ্ৰ। ইয়াৰ উপৰিও চি আৰ পি এফ, বি এছ এফ শিবিৰ, গোৱালপাৰা সৈনিক স্কুল আৰু যোগীঘোপাত গঢ় লৈ উঠা বৃহৎ লজিষ্টিক হাবৰ ফলত ষ্টেচনটোত যাত্ৰীৰ সংখ্যা ক্ৰমাৎ বৃদ্ধি পাইছে। কিন্তু তাৰ বিপৰীতে বহু মৌলিক সুবিধাৰ অভাৱত যাত্ৰীয়ে নানান সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে বুলি সংগঠনটোৱে অভিযোগ উত্থাপন কৰে। স্মাৰকপত্ৰত বৃদ্ধ, শাৰীৰিকভাৱে অক্ষম আৰু অসুস্থ যাত্ৰীৰ সুবিধাৰ বাবে অভাৰব্ৰিজত লিফ্‌ট, ৰেম্প অথবা এছ্‌কেলেটৰ স্থাপনৰ দাবী জনোৱা হয়। লগতে প্লেটফৰ্ম নং ১ৰ দৈৰ্ঘ্য কম হোৱাৰ ফলত এক্সপ্ৰেছ ট্ৰেইনৰ কে'বাটাও ডবা প্লেটফৰ্মৰ বাহিৰত ৰৈ যোৱাৰ বাবে যাত্ৰীৰ উঠা-নমাত যথেষ্ট অসুবিধা হোৱা বুলিও উল্লেখ কৰা হয়। এই সমস্যাৰ সমাধানৰ বাবে প্লেটফৰ্ম সম্প্ৰসাৰণৰ লগতে ১ আৰু ২ নং প্লেটফৰ্মত পূৰ্ণ শ্বেড নিৰ্মাণৰ দাবী উত্থাপন কৰা হয়। ইয়াৰ উপৰিও গোৱালপাৰা টাউন ষ্টেচনত শৰাইঘাট এক্সপ্ৰেছৰ ৰিজাৰ্ভেশ্যন ক'টা প্ৰদান, অন্ততঃ এখন ৰাজধানী এ'প্ৰেছৰ ষ্টপেজ, এল টি টি হামচফৰ এক্সপ্ৰেছ আৰু ইন্দোৰ এক্সপ্ৰেছৰ ষ্টপেজ আৰু ৰিজাৰ্ভেশ্যন সুবিধা প্ৰদানৰ দাবী জনায় সংগঠনটোৱে। লগতে নিউ বঙাইগাঁও-গুৱাহাটী ডি ই এম ইউ যাত্ৰবাহী ট্ৰেইনত ডবা বৃদ্ধি কৰাৰ লগতে কামাখ্যা অথবা গুৱাহাটী পৰা গোৱালপাৰা হৈ কোচবিহাৰলৈ নতুন ট্ৰেইন চলোৱাৰ দাবীও উত্থাপন কৰা হয়। বিশেষকৈ মধুপুৰ সত্ৰলৈ যাত্ৰা কৰা তীৰ্থযাত্ৰীৰ সুবিধাৰ কথাও স্মাৰকপত্ৰত উল্লেখ কৰা হয়। ইয়াৰ লগতে গোৱালপাৰা টাউন ৰে'ল ষ্টেচনক "অমৃত ভাৰত ৰে'লৱে ষ্টেচন" হিচাপে উন্নিতকৰণ কৰা, গৰীৱ ৰথ আদি ট্ৰেইনৰ ৰিজাৰ্ভেশ্যন সুবিধা প্ৰদান, পৰিষ্কাৰ-পৰিচ্ছন্নতা, শৌচাগাৰ, যাত্ৰীৰ সা-সুবিধা আৰু ষ্টেচনৰ আধুনিকীকৰণৰ দাবীও উত্থাপন কৰে সংগঠনটোৱে। উল্লেখ্য যে, এই স্মাৰকপত্ৰ প্ৰদান কাৰ্যসূচীত গোৱালপাৰাৰ প্ৰাক্তন ছাত্ৰ নেতা আনিমুল হক চৌধুৰী, ননী কুমাৰ দাস আদিকে ধৰি অল অসম ৰে'ল যাত্ৰী সংঘ, গোৱালপাৰা জিলা ইউনিটৰ কেইবাগৰাকী সদস্য উপস্থিত থাকে। শেষত, যাত্ৰীৰ বৃহত্তৰ স্বাৰ্থত ৰে'ল কৰ্তৃপক্ষই শীঘ্ৰে দাবীসমূহৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা প্ৰকাশ কৰে সংগঠনটোৱে।

# কামৰূপ জিলাত "জন ভাগিদাৰী অভিযান"ৰ অধীনত বিভিন্ন উন্নয়ন খণ্ডত স্বাস্থ্য শিবিৰ, জনশুনানি আৰু সচেতনতামূলক কাৰ্যসূচী



**অসম বাৰ্তা, মিৰ্জা, ২৩ মে'** ঃ জনজাতীয় লোকসকলৰ মাজত চৰকাৰী আঁচনিৰ সুবিধা অধিক ফলপ্ৰসূভাৱে লৈ যোৱাৰ উদ্দেশ্যে কামৰূপ জিলাত "জন ভাগিদাৰী অভিযান — সবসে দূৰ, সবসে পহলে" কাৰ্যসূচীৰ অধীনত বিভিন্ন উন্নয়ন খণ্ডত ব্যাপক কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। কামৰূপ জিলা প্ৰশাসনৰ তত্ত্বাৱধানত বকো, বনগাঁও, বেজেৰা আৰু শুৱালকুছি উন্নয়ন খণ্ডৰ অন্তৰ্গত বিভিন্ন 'আদিসেৱা কেন্দ্ৰ'ত স্বাস্থ্য শিবিৰ, জনসচেতনতা শিবিৰ, ট্ৰেনচে" ৰাক আৰু জনশুনানি কাৰ্যসূচী অনুষ্ঠিত কৰা হৈছে। অভিযানৰ অংশ হিচাপে বকো, বনগাঁও, বেজেৰা আৰু শুৱালকুছি উন্নয়ন খণ্ডৰ অধীনত 'আদিসেৱা কেন্দ্ৰ'সমূহৰ জৰিয়তে বিভিন্ন গাঁও সামৰি শিবিৰ অনুষ্ঠিত কৰা হয়। এই শিবিৰসমূহত জনজাতীয় লোকসকলক কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন কল্যাণমূলক আঁচনিৰ সুবিধা প্ৰদান কৰাৰ লগতে বিভিন্ন প্ৰয়োজনীয় নথিপত্ৰ আৰু সেৱাৰ ক্ষেত্ৰত সহায় আগবঢ়োৱা হয়। বকো উন্নয়ন খণ্ডত ১১টা শিবিৰৰ জৰিয়তে ৪৭খন গাঁও সামৰি ১১টা 'আদিসেৱা কেন্দ্ৰ'ৰ সহায়ত মুঠ ৯০৫জন লোক উপকৃত হয়। বনগাঁও উন্নয়ন খণ্ডত ৬টা শিবিৰৰ জৰিয়তে ১১খন গাঁও সামৰি ১১টা 'আদিসেৱা কেন্দ্ৰ'ৰ সহায়ত ৪৫৫জন লোক উপকৃত হয়। বেজেৰা উন্নয়ন খণ্ডত ১টা শিবিৰৰ জৰিয়তে ১খন গাঁও সামৰি ৩টা 'আদিসেৱা কেন্দ্ৰ'ৰ সহায়ত ৫১জন আৰু শুৱালকুছি উন্নয়ন খণ্ডত ২টা শিবিৰৰ জৰিয়তে ১খন গাঁও সামৰি ২৫৬জন লোকে বিভিন্ন আঁচনিৰ সেৱা তথা সুবিধা লাভ কৰে। অভিযানৰ সময়ছোৱাত পিএম উজলা যোজনা, আধাৰ কাৰ্ড, আয়ুষ্মান ভাৰত কাৰ্ড, অৰুণোদয়, প্ৰধানমন্ত্ৰী আবাস যোজনা (গ্ৰা), বন অধিকাৰ পট্টা, পিএম কিষাণ, পি এম ফচল বীমা যোজনা, পিএম জীৱন জ্যোতি বিমা যোজনা, পি এণ কিষাণ সন্মান নিধি যোজনা, পিএম সুৰক্ষা বিমা যোজনা, পি এম বিশ্বকৰ্মা যোজনা, ৰেচন কাৰ্ড, জলজীৱন মিচন আদি বিভিন্ন আঁচনি সৈতে জড়িত বিভিন্ন সেৱা প্ৰদান কৰা হয়। ইয়াৰ উপৰিও স্বাস্থ্য পৰীক্ষা শিবিৰৰ জৰিয়তে ডায়েবেটিছ, উচ্চ আৰু নিম্ন ৰক্তচাপ, গেষ্ট্ৰাইটিছ, ৰক্তহীনতা, মুখগহ্বৰ কৰ্কট ৰোগ, স্তন কৰ্কট ৰোগ, জৰায়ুমুখ কৰ্কট ৰোগ আদিৰ স্ক্ৰিনিং আৰু সাধাৰণ স্বাস্থ্য পৰীক্ষাও সম্পন্ন কৰা হয়। উল্লেখ্য যে এই অভিযানৰ অংশ হিচাপে সাংস্কৃতিক কাৰ্যসূচী, জনসচেতনতা সভা, গাঁও পৰ্যায়ৰ মতবিনিময়, পৰিৱেশ আৰু সামাজিক বিষয়ক কাৰ্যসূচীও ৰূপায়ণ কৰা হয়। জিলা প্ৰশাসনে জানিবলৈ দিয়ে যে জনজাতীয় লোকসকলৰ মাজত চৰকাৰী আঁচনিৰ সুবিধাসমূহ প্ৰদান কৰাৰ উদ্দেশ্যে এই অভিযান আগন্তুক দিনসমূহতো অব্যাহত থাকিব। বকো উন্নয়ন খণ্ডৰ অন্তৰ্গত কলিয়াবাৰী, ভেহুৱা, জাৰপাৰা, হাঁহিম এন চি, পুখুৰীপাৰা, খাতলা, বৰগাঁও, নামপথাৰ, ১ নং শখাতি আৰু গোহালকোনা আদিসেৱা কেন্দ্ৰত ১৯ মে'ৰ পৰা ২৫ মে'লৈ স্বাস্থ্য শিবিৰ আৰু জনসচেতনতা শিৱিৰ অনুষ্ঠিত কৰা হৈছে। ইয়াৰ উপৰিও ২০ মে'ত ট্ৰেনচে" ৰাক আৰু ২১ মে'ৰ পৰা ২৩ মে'লৈ জনশুনানী কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। আনহাতে বনগাঁও উন্নয়ন খণ্ডৰ অন্তৰ্গত ১ নং ৰতনপুৰ, ভেৰভেৰী এফ ভি, জলুকবাৰী, বালিজুৰি, খাটিৰা আৰু কটাহবাৰী বকৰাপাৰা অঞ্চলত নিৰ্ধাৰিত সময়সূচী অনুসৰি স্বাস্থ্য শিবিৰ, জনসচেতনতা শিৱিৰ, ট্ৰেনচেক্টৰাক আৰু জনশুনানী কাৰ্যসূচী অনুষ্ঠিত কৰা হৈছে। একেদৰে বেজেৰা উন্নয়ন খণ্ডত মান্দাকাটাৰ বৰবাকা এল পি স্কুল আৰু সৰুবাকা আংগনৱাড়ী কেন্দ্ৰ আৰু ৰুদ্ৰেশ্বৰ স্থিত ফুলুং এম ই স্কুল আদি স্থানত এই অভিযানৰ অধীনত স্বাস্থ্য পৰীক্ষা, জনসচেতনতা আৰু জনশুনানি আদি কাৰ্যসূচী ৰূপায়ণ কৰি থকা হৈছে। আনহাতে শুৱালকুছি উন্নয়ন খণ্ডৰ বাথৌগুৰি আৰনাই মহিলা সমিতি হল, শিলামহেখাইতিটো ১৯ মে'ৰ পৰা ২৩ মে'লৈ বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব।

□ "বজাৰত নাই চৰকাৰৰ নিয়ন্ত্ৰণ, পেটৰ ভোকত কঁপিছে ৰাজপথ" □

# মূল্যবৃদ্ধিৰ বিৰুদ্ধে তিনিচুকীয়াত আছুৰ তীব্ৰ বিক্ষোভ




**অসম বাৰ্তা, তিনিচুকীয়া সদৰ, ২২ মে'** ঃ ৰাজ্যত অব্যাহত থকা আকাশলংঘী মূল্যবৃদ্ধিৰ বিৰুদ্ধে আজি সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাই চহৰৰ মাজমজিয়াত এক তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বান মৰ্মে অনুষ্ঠিত এই বিক্ষোভত শতাধিক ছাত্ৰ কৰ্মীয়ে যোগান বিভাগ আৰু ৰাজ্য চৰকাৰৰ ব্যৰ্থতাৰ বিৰুদ্ধে ক্ষোভ উজাৰে। শুক্ৰবাৰে তিনিচুকীয়া চহৰৰ থানা চাৰিআলিত জিলা ছাত্ৰ সন্থাৰ কৰ্মীসকল একত্ৰিত হয়। হাতে হাতে "অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধ কৰক", "অসাধু ব্যৱসায়িক নাকী লগাওক" লিখা প্লে-কাৰ্ড, বেনাৰ লৈ চৰকাৰ বিৰোধী শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে প্ৰতিবাদকাৰীসকলে। প্ৰতিবাদস্থলীৰ পৰা সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক সমৰ গোহাঁয়ে কয়, "অত্যাৱশ্যকীয় সামগ্ৰী, ইন্ধন আৰু জীৱনদায়িনী ঔষধৰ আকাশলংঘী মূল্যবৃদ্ধিয়ে ৰাইজক কোঙা কৰিছে। চৰকাৰে অতি শীঘ্ৰে এই মূল্যবৃদ্ধি নিয়ন্ত্ৰণ কৰিব লাগে।" তেওঁ লগতে সকীয়াই দিয়ে যে তিনিচুকীয়া জিলাৰ কোনো অসাধু ব্যৱসায়ীয়ে যদি এই মূল্যবৃদ্ধিৰ সুযোগ গ্ৰহণ কৰে, তেন্তে ৰাইজৰ স্বাৰ্থত জিলা প্ৰশাসনে তৎকালীন ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। আছুৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক জিতেন্দ্ৰ চুতীয়াই চৰকাৰক অতি শীঘ্ৰে অত্যাৱশ্যকীয় সামগ্ৰীৰ দাম নিয়ন্ত্ৰণ কৰিবলৈ দাবী জনায়। তেওঁ মধ্যভোগীসকলক সম্পূৰ্ণৰূপে এই ব্যৱস্থাৰ পৰা আঁতৰাই ৰাখিবলৈও আহ্বান জনায়। প্ৰতিবাদত অংশ লৈ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সভাপতি প্ৰতিম নেওগ আৰু সাধাৰণ সম্পাদক কনচেং গগৈয়ে কয় যে বৰ্তমান বজাৰ ব্যৱস্থাৰ ওপৰত চৰকাৰৰ কোনো নিয়ন্ত্ৰণ নাই। "একাংশ মধ্যভোগীৰ বাবে আলু, পিয়াঁজ, দাইল, তেলকে ধৰি প্ৰতিটো সামগ্ৰীৰ দাম সৰ্বসাধাৰণৰ ক্ৰয় ক্ষমতাৰ বাহিৰলৈ গৈছে। চৰকাৰী বিভাগসমূহে কেৱল নীৰৱ দৰ্শকৰ ভূমিকা পালন কৰিছে, যাৰ ফলত দৰিদ্ৰ আৰু মধ্যবিত্ত শ্ৰেণীৰ জনসাধাৰণৰ জীয়াই থকাটো কঠিন হৈ পৰিছে", তেওঁলোকে মন্তব্য কৰে। আছুৱে স্মাৰক-পত্ৰযোগে চৰকাৰক তাৎক্ষণিকভাৱে ক'লা বজাৰ, মজুতকৰণ বন্ধ কৰি সাধাৰণ মানুহক সকাহ দিবলৈ দাবী জনায়। অন্যথা আগন্তুক দিনত অধিক তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰ হুংকাৰ দিয়ে সংগঠনটোৱে।

## শিৱসাগৰত সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ প্ৰতিবাদী কাৰ্য্যসূচী

**অসম বাৰ্তা, জয়সাগৰ, ২৩ মে'** ঃ ইন্ধনজাত সামগ্ৰী পেট্ৰল আৰু ডিজেলৰ সমান্তৰালকৈ অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য বৃদ্ধিয়ে সাধাৰণ ৰাইজক জুৰুলা কৰাৰ প্ৰতিবাদত শাসকীয় বি জে পি চৰকাৰৰ বিৰুদ্ধে ৰাজ্যজুৰি প্ৰতিবাদ সাব্যস্ত কৰে সদৌ অসম ছাত্ৰ সন্থাই। সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বান মৰ্মে আজি সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাই প্ৰতিবাদ সাব্যস্ত কৰে শিৱসাগৰ নগৰত। মধ্য প্ৰাচ্যৰ যুদ্ধৰ দোহাই দি জনসাধাৰণক চৰকাৰে অৰ্থনৈতিক সংকটৰ দিশলৈ ঠেলি দিয়া কাৰ্য্য কোনোপধ্যে গ্ৰহণযোগ্য নহয় বুলি হুংকাৰ প্ৰদন কৰে সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ সভাপতি মানৱ হাজৰিকাই। প্ৰতিবাদকাৰীসকলে নৰেন্দ্ৰ মোদী হায় হায়, হিমন্ত বিশ্ব শৰ্মা হায় হায়, যোগান বিভাগ হায় হায় আদি শ্লোগানেৰে প্ৰতিবাদ উত্তাল কৰি তুলে। শিৱসাগৰ জিলা আছুৰ কাৰ্যালয়ৰ পৰা বাহিৰ কৰা প্ৰতিবাদী সমদল মক্তিনাথ আৰু দ'লমুখ চাৰিআলি হৈ পুনৰ আছু কাৰ্যলয়ত অন্ত পৰে।

কামত সন্তোষজনক উপস্থিতিৰ বাবে কেবাগৰাকী শ্ৰমিকক পুৰস্কৃত

# বৰগাং চাহবাগিচাত আন্ত-ৰ্জাতিক চাহ-দিৱস উদ্‌যাপন



**অসম বাৰ্তা, জিনজিয়া, ২৩ মে'** ঃ ২১ মে' তাৰিখটোৰ সৈতে সংগতি ৰাখি বৰগাং চাহ বাগিচাৰ ৰঙাগড় ফেক্টৰী প্ৰাংগণত গুড্ৰিক চাহ গোষ্ঠীৰ বৰগাং চাহ বাগিচাৰ পৰিচালক মণ্ডলিৰ উদ্যোগত কালি ইণ্টাৰনেচিনেল টি-ডে অৰ্থাৎ আন্তৰ্জাতিক চাহ দিৱসটি এক গান্ধীৰ্যপূৰ্ণ পৰিৱেশত উদ্‌যাপন কৰা হয়। বাগিচাৰ জ্যেষ্ঠ পৰিচালক ভগৱান উজিৰ লগতে জ্যেষ্ঠ সহকাৰী পৰিচালক মিত্ৰ বৰা প্ৰমুখ্যে বিক্ৰম সিং ৰাথোড়, ৰামানন্দ যাদৱ, অৰ্নিবান সেন, ৰাহুল বালি, শুভম মল্লিক আদি শাখাৰ সহকাৰী পৰিচালক মণ্ডলি আৰু শ্ৰমিক সকলৰ উপস্থিতিত উদ্‌যাপন কৰা অনুষ্ঠানত ক্ষুদ্ৰ চাহ খেতিয়ক ক্ৰমে ইন্দ্ৰেশ্বৰ কটকী আৰু বিকি বিশ্বকৰ্মাক এখন গামোচা আৰু শৰাইৰে সম্বৰ্ধনা জনোৱা হয়। কল্যাণ বিষয়া ৰাজেশ পাত্ৰই আঁত ধৰা সভাত পৰিচালক ভগৱান উজিৰে আন্তৰ্জাতিক চাহ দিৱসৰ তাৎপৰ্য দাঙি ধৰাৰ লগতে সম্বৰ্ধিত ব্যক্তি ইন্দ্ৰেশ্বৰ কটকী আৰু সাংবাদিক অমিতাভ বৰুৱা আৰু উপস্থিত চাহ কৰ্মচাৰী সংঘ আৰু চাহ মজদুৰ সংঘৰ কেবাগৰাকী বক্তাই নিজৰ নিজৰ ব্যক্তি প্ৰকাশ কৰি বক্তব্য আগবঢ়ায়। সভাত কলঘৰকে ধৰি তিনিওতা শাখাৰ কেবাগৰাকী শ্ৰমিকক কামত সন্তোষ জনক শ্ৰম আৰু উপস্থিতিৰ বাবে চাহ বাগিচা কৰ্তৃপক্ষৰ ফালৰ পৰা একোটিকৈ উপহাৰেৰে পুৰস্কৃত কৰা হয়।

# বৰপেটাৰ ছাটা গাঁৱৰ চাঞ্চল্যকৰ হত্যাকাণ্ড; ৫ ঘণ্টাৰ ভিতৰতে আৰক্ষীৰ জালত অভিযুক্ত পত্নী

**আৰক্ষীৰ ক্ষিপ্ৰ অভিযানত উদ্ধাৰ নগদ ধন আৰু গুৰুত্বপূৰ্ণ নথি-পত্ৰ, সমগ্ৰ অঞ্চলত তীব্ৰ চাঞ্চল্য**

**অসম বাৰ্তা, চেঙা, ২৩ মে'** ঃ বৰপেটা জিলাৰ তাৰাবাৰী থানাৰ অন্তৰ্গত ছাটা গাঁৱত সংঘটিত হোৱা এক ভয়ংকৰ আৰু চাঞ্চল্যকৰ হত্যাকাণ্ডই সমগ্ৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। পাৰিবাৰিক জীৱনৰ অন্তৰালত লুকাই থকা এক ভয়াবহ ঘটনাই এতিয়া ৰাইজৰ মাজত নানা চৰ্চাৰ জন্ম দিছে। অভিযোগ অনুসৰি, এগৰাকী পত্নীয়ে নিজ স্বামীক নৃশংসভাৱে হত্যা কৰাৰ পিছতেই নগদ ধন আৰু বেংকৰ পাছবুক লৈ পলায়নৰ চেষ্টা চলায়। যদিও আৰক্ষীৰ ক্ষিপ্ৰ তৎপৰতা আৰু সুসংগঠিত অনুসন্ধান অভিযানৰ ফলত অভিযুক্তই অধিক দূৰ পলাব নোৱাৰিলে। জানিব পৰা মতে, ঘটনাটো সংঘটিত হোৱাৰ পিছতেই স্থানীয় ৰাইজৰ মাজত তীব্ৰ উত্তেজনাৰ সৃষ্টি হয়। গাঁওখনত মুহূৰ্তৰ ভিতৰতে ভয় আৰু আতংকৰ পৰিৱেশে বিৰাজ কৰে। ঘটনাৰ খবৰ পোৱাৰ লগে লগে তাৰাবাৰী আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰে। আৰক্ষীয়ে মৃতদেহ উদ্ধাৰ কৰি ঘটনাস্থলী সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰাৰ লগতে বিভিন্ন তথ্য সংগ্ৰহ কৰে। প্ৰাথমিক তদন্ততেই ঘটনাটোৰ সৈতে পত্নীৰ জড়িত থকাৰ সন্দেহ অধিক ঘনীভূত হোৱাত আৰক্ষীয়ে তাৎক্ষণিকভাৱে অভিযান আৰম্ভ কৰে। সীমান্ত শাখাৰ উপ আৰক্ষী অধীক্ষক (DYSP) ভাৰ্গিছ কুমাৰ ডেকা আৰু তাৰাবাৰী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সঞ্জয় কুমাৰ ৰয়ৰ নেতৃত্বত আৰক্ষীৰ এক বৃহৎ দলে বিভিন্ন স্থানত অভিযান চলায়। আৰক্ষীয়ে অঞ্চলটোৰ বিভিন্ন পথ, যান-বাহন আৰু সন্দেহজনক স্থানত কটকটীয়া তল্লাচী আৰম্ভ কৰে। আৰক্ষী সূত্ৰে প্ৰকাশ, হত্যাকাণ্ড সংঘটিত কৰাৰ পিছতে অভিযুক্ত পত্নীয়ে ঘৰত থকা নগদ প্ৰায় ১ লাখ টকা, বেংকৰ পাছবুক আৰু কিছু গুৰুত্বপূৰ্ণ নথি-পত্ৰ লগত লৈ পলায়নৰ চেষ্টা কৰিছিল। আৰক্ষীয়ে ঘটনাটোক অতি গুৰুত্বসহকাৰে লৈ বিভিন্ন দিশত অনুসন্ধান অব্যাহত ৰাখে। ফলস্বৰূপে মাত্ৰ ৫ ঘণ্টাৰ ভিতৰতে আৰক্ষীয়ে অভিযুক্ত পত্নীক আটক কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে চলোৱা অভিযানত অভিযুক্তৰ পৰা নগদ ৫২ হাজাৰ ৫০০ টকা উদ্ধাৰ কৰাৰ লগতে কিছু গুৰুত্বপূৰ্ণ নথি-পত্ৰও জব্দ কৰে বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে ঘটনাটোৰ সৈতে জড়িত আন কোনো ব্যক্তি আছে নেকি সেই বিষয়েও তদন্ত অব্যাহত ৰাখিছে। ঘটনাটোৰ পিছতে ছাটা গাঁও আৰু পাৰ্শ্বৱৰ্তী অঞ্চলসমূহত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। স্থানীয় ৰাইজে ঘটনাটোক এক ভয়ংকৰ আৰু অবিশ্বাস্য ঘটনা বুলি অভিহিত কৰিছে। বহু লোকে কয় যে, পাৰিবাৰিক জীৱনৰ ভিতৰত চলি থকা সংঘাত, সন্দেহ আৰু আৰ্থিক বিষয়ক কন্দলৰ ফলতেই এনে ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি হ'ব পাৰে। যদিও ঘটনাটোৰ প্ৰকৃত কাৰণ এতিয়াও স্পষ্ট হোৱা নাই, আৰক্ষীয়ে সকলো দিশ সামৰি তদন্ত আগবঢ়াই নিয়াৰ কথা জানিবলৈ দিয়ে। স্থানীয় ৰাইজৰ একাংশই আৰক্ষীৰ তৎপৰতা আৰু দক্ষতাক ভূয়সী প্ৰশংসা কৰিছে। অতি কম সময়ৰ ভিতৰতে অভিযুক্তক আটক কৰাৰ ঘটনাই আৰক্ষীৰ সক্ৰিয় ভূমিকাক পুনৰ এবাৰ উজাগৰ কৰিলে বুলি বহুতে মন্তব্য কৰে। বিশেষকৈ DYSP ভাৰ্গিছ কুমাৰ ডেকা আৰু তাৰাবাৰী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সঞ্জয় কুমাৰ ৰয়ৰ নেতৃত্বত চলা এই অভিযানক স্থানীয় ৰাইজে সফল অভিযান হিচাপে অভিহিত কৰিছে। ইতিমধ্যে আৰক্ষীয়ে হত্যাকাণ্ডৰ আঁৰৰ প্ৰকৃত কাৰণ উদঘাটনৰ বাবে অধিক গভীৰ তদন্ত আৰম্ভ কৰিছে। পাৰিবাৰিক কন্দল, আৰ্থিক বিবাদ নে আন কোনো ব্যক্তিগত কাৰণ এই হত্যাকাণ্ডৰ সৈতে জড়িত আছে সেই বিষয়ে আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। লগতে ঘটনাটোৰ সৈতে জড়িত সম্ভাব্য সকলো তথ্য সংগ্ৰহ কৰি আইনী ব্যৱস্থা গ্ৰহণৰ দিশতো আৰক্ষীয়ে পদক্ষেপ গ্ৰহণ কৰিছে। এই ভয়াবহ ঘটনাই সমগ্ৰ বৰপেটা জিলাত ব্যাপক আলোড়নৰ সৃষ্টি কৰিছে। গাঁও অঞ্চলত এক অশান্ত পৰিৱেশৰ সৃষ্টি হোৱাৰ লগতে বহু লোক এতিয়া এই ঘটনাক লৈ আতংকিত হৈ পৰিছে। আৰক্ষীয়ে অৱশ্যে ৰাইজক শান্তি বজাই ৰাখিবলৈ আহ্বান জনোৱাৰ লগতে তদন্ত সম্পূৰ্ণ হোৱাৰ পিছত সকলো তথ্য পোহৰলৈ আহিব বুলি আশ্বাস প্ৰদান কৰিছে।

# ধাৰাবাহিক চুৰি কাণ্ড সংঘটিত কৰি সন্ত্ৰাসৰ সৃষ্টি কৰা কুখ্যাত চোৰ বৰপেটা আৰক্ষীৰ জালত

**অসম বাৰ্তা, বৰপেটা সদৰ, ২৩ মে'** ঃ বৰপেটা চহৰত ধাৰাবাহিক চুৰি কাণ্ড সংঘটিত কৰি সন্ত্ৰাসৰ সৃষ্টি কৰা কুখ্যাত চোৰ বৰপেটা আৰক্ষীৰ জালত পৰিছে। বৰপেটাৰ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্য আৰু ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া শৈলেন কলিতাৰ নেতৃত্বত ২৪ ঘণ্টাৰ ভিতৰতে চুৰি হোৱা কিছু সামগ্ৰীৰ লগতে চুৰি কাৰ্য্যৰ লগত জড়িত দুজন ব্যক্তিক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। বৰপেটাত চোৰৰ বিৰুদ্ধে বৰপেটা আৰক্ষীৰ বৃহৎ অভিযান অব্যাহত আছে। এই অভিযান কালত চুৰি হোৱা নগদ ধনসহ সোণ-ৰূপৰ অলংকাৰ জব্দ কৰিবলৈ সক্ষম হৈছে আৰক্ষীয়ে। উল্লেখ্য যে, দুদিন পূৰ্বে বৰপেটাৰ দক্ষিণহাটীৰ নিবাসী মন্মথ দাসৰ ঘৰত কোনো নথকাৰ সুযোগ লৈ চোৰে চলাইছিল চুৰিকাণ্ড। ২০ মে তাৰিখে মন্মথ দাস সপৰিয়ালসহ ঘৰলৈ উভতি আহি চুৰিকাণ্ডৰ বিষয়ে অৱগত হয়। ইয়াৰ পিছতে মন্মথ দাসৰ পৰিয়ালৰ লোকে ঘটনাটোৰ সন্দৰ্ভত বৰপেটা আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। এই অভিযোগৰ ভিত্তিত বৰপেটা আৰক্ষীয়ে তদন্ত আৰম্ভ কৰি অভিযান চলাই চুৰিকাণ্ডৰ সৈতে জড়িত দুজন লোকক আটক কৰিবলৈ সক্ষম হয়। আটক কৰা লোক দুজন ক্ৰমে মোস্তফিজুৰ ৰহমান আৰু হাবিজুৰ ৰহমান। আটকাধীন লোক দুজনৰ পৰা সোণ ট-ৰূপৰ আ-অলংকাৰ আৰু নগদ পাঁচ হাজাৰ টকা উদ্ধাৰ কৰে বৰপেটা আৰক্ষীয়ে। আৰক্ষীৰ তথ্য অনুসৰি, আটকাধীন লোক দুজনৰ ভিতৰত হাবিজুৰ ৰহমান এজন সোণৰ ব্যৱসায়ী, যিয়ে চুৰি হোৱা সোণ ক্ৰয় কৰিছিল। ইতিমধ্যে বৰপেটা আৰক্ষীয়ে আটকাধীন চোৰ দুজনক আদালতত হাজিৰ কৰাইছে।

# গোলাঘাট জিলাৰ সকলো 'আদি সেৱা কেন্দ্ৰ'ত 'জন শুনৱাই' কাৰ্যকৰী

## হাজাৰোধিক জনজাতীয় লোক উপকৃত

**অসম বাৰ্তা, দেৰগাঁও, ২৩ মে'** ঃ ভাৰত চৰকাৰৰ জনজাতীয় পৰিক্ৰমা বিভাগৰ অধীনত সমগ্ৰ দেশজুৰি চলি থকা PM-JANMAN আৰু DA-JGUA আঁচনিৰ বিশেষ সজাগতা অভিযান-"সবচে দুৰ সবচে পেহ্‌লে" (জন ভাগিদাৰী)-ৰ অংশ স্বৰূপে আজি ২১ মে'ৰ পৰা গোলাঘাট জিলা প্ৰশাসন আৰু সংহত জনজাতীয় উন্নয়ন প্ৰকল্পৰ উদ্যোগত জিলাখনৰ সকলো 'আদি সেৱা কেন্দ্ৰ'ত বিশেষ 'জন শুনৱাই' কাৰ্যকৰী কৰা হয়। যোৱা ১৮ মে'ত জিলা আয়ুক্ত গৰাকীয়ে আনুষ্ঠানিকভাৱে মুকলি হোৱা এই সজাগতা অভিযানৰ ধাৰাবাহিকতা ৰক্ষা কৰি জিলাখনৰ ৬টা উন্নয়ন খণ্ডৰ অন্তৰ্গত ৫৯খন আদি সেৱা কেন্দ্ৰত এই বিশেষ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। আজি প্ৰথম দিনাই সমগ্ৰ জিলাখনৰ এহেজাৰতকৈও অধিক জনজাতীয় লোকক এই অভিযানে স্পৰ্শ কৰিবলৈ সক্ষম হয়। এই 'জন শুনৱাই' কাৰ্যসূচীৰ মূল লক্ষ্য হৈছে দুৰ-দূৰণিৰ পৰা অহা অনগ্ৰসৰ জনজাতীয় লোকসকলৰ বিভিন্ন সমস্যা আৰু ওজৰ-আপত্তি সমূহৰ শুনানি গ্ৰহণ কৰা আৰু তাৰ উচিত সমাধান উলিওৱা। ইয়াৰ লগতে চৰকাৰী বিভিন্ন কল্যাণকামী আঁচনিসমূহৰ সবিশেষ তথ্য আৰু ইয়াৰ সুবিধা লাভৰ প্ৰক্ৰিয়া সম্পৰ্কে জনসাধাৰণক বিতংভাৱে অৱগত কৰোৱা হয়। চৰকাৰী সা-সুবিধাসমূহ জনজাতীয় লোকসকলৰ দুৱাৰডলিলৈ লৈ যোৱাৰ লক্ষ্যৰে এই শিবিৰসমূহত স্বাস্থ্য বিভাগৰ উদ্যোগত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত কৰাৰ লগতে কৃষি, পশুপালন তথা পশুচিকিৎসা, মীন, ৰেচম আৰু হস্ততাঁত আদি গুৰুত্বপূৰ্ণ জনকল্যাণমুখী বিভাগসমূহে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। এই আটাইবোৰ বিভাগৰ অস্থায়ী শিবিৰৰ জৰিয়তে ৰাইজক থিতাতে প্ৰয়োজনীয় পৰামৰ্শ, আঁচনি সম্পৰ্কীয় তথ্য আৰু চৰকাৰী সেৱা প্ৰদান কৰা হয়। উল্লেখ্য যে, জিলাখনৰ সৰ্বমুঠ ১০.৫ শতাংশ জনজাতীয় লোকৰ সৰ্বাংগীণ বিকাশ আৰু অনগ্ৰসৰতা দূৰীকৰণৰ বাবে চলি থকা এই সজাগতা তথা সেৱা অভিযান অহা ২৩ মে'লৈকে বিকেন্দ্ৰীকৃতভাৱে চলি থাকিব।

# ৰাজা হাউলী পৰিদৰ্শন মঙলদৈৰ নৱ-নিৰ্বাচিত বিধায়ক নিলীমা দেৱীৰ

**অসম বাৰ্তা, মঙলদৈ, ২৩ মে'** ঃ দৰংগীয়া ৰজাসকলৰ পূৰ্বৰ বাসভবন হিচাপে পৰিচিত ৰাজা হাউলী এই ৰাজা হাউলী সংৰক্ষণ আৰু এক সাংস্কৃতিক ঐতিহ্য ক্ষেত্ৰ হিচাপে পুনৰুদ্ধাৰ আৰু পুনৰজীৱিত কৰাৰ লক্ষ্যৰে মঙলদৈৰ নৱনিৰ্বাচিত বিধায়িকা নিলীমা দেৱীয়ে বুধবাৰে পৰিদৰ্শন কৰে পৰিত্যক্ত হৈ পৰি থকা ৰাজা হাউলীৰ ধবংসাবশেষ। পৰিদৰ্শনৰ সময়ত দৰং ৰাজৰ গৌৰৱময় ঐতিহ্য সংৰক্ষণ আৰু কি ৰূপে প্ৰদৰ্শন কৰিব পৰা যায় বিষয়ত আলোচনাও কৰে বিধায়িকাগৰাকীয়ে। উল্লেখযোগ্য যে যোৱা বছৰ বীৰ চিলাৰায় দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচীত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মঙলদৈত উপস্থিত থাকি দৰঙীয়া ৰজাসকলৰ পূৰ্বৰ বাসভবন হিচাপে পৰিচিত ৰাজা হাউলী সংৰক্ষণ আৰু পুনৰ্নিৰ্মাণৰ বাবে ৫০ কোটি টকা অনুদান ঘোষণা কৰিছিল। ৰাজা হাউলী সংৰক্ষণ আৰু পুনৰ্নিৰ্মাণৰ অংশ হিচাপে মঙলদৈৰ নৱনিৰ্বাচিত বিধায়ক নিলীমা দেৱীয়ে এই পৰিদৰ্শন কৰে। এই ৰাজা হাউলী বৰ্তমান অবৈধ দখলত আছে। পৰিদৰ্শন কালত বিধায়িকাগৰাকীক সংগ দিয়ে ছিপাঝাৰৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী, জিলা আয়ুক্ত আয়ুষী জৈন, মঙলদৈ ৰাজহ চক্ৰৰ দায়িত্বত থকা অতিৰিক্ত জিলা আয়ুক্ত, চক্ৰ বিষয়া, লোক নিৰ্মাণ বিভাগৰ কাৰ্যবাহী অভিযন্তা তথা অন্যান্য বিষয়াসকলে।

# বাঙালীসকলৰ শংকৰদেৱৰ চৰ্চাৰ ওপৰত প্ৰণিত গ্ৰন্থ উন্মোচন




**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৩ মে'** ঃ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰকাশন কোষ আৰু মাকুমৰ দীপশিখা প্ৰকাশনে যুটীয়াভাৱে প্ৰকাশ কৰা 'বাঙালীৰ শংকৰদেৱৰ চৰ্চা' নামৰ গ্ৰন্থখন সোমবাৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইন্দিৰা মিৰি সন্মিলন গৃহত আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। ডুমডুমা মহাবিদ্যালয়ৰ বাংলা বিভাগৰ অৱসৰপ্ৰাপ্ত বিভাগীয় মুৰব্বী ড° মন্দিৰা দাসে ৰচনা কৰা গ্ৰন্থখন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক জিতেন হাজৰিকাই আনুষ্ঠানিকভাৱে উন্মোচন কৰে। এই উপলক্ষে দিয়া ভাষণত উপাচাৰ্যগৰাকীয়ে কয় যে গ্ৰন্থখনত ১৮৭৫ চনৰ পৰা ১৯৫৩ চনলৈকে বঙালী পণ্ডিতসকলে শ্ৰীমন্ত শংকৰদেৱক লৈ কৰা গৱেষণা আৰু বিশে-ষণৰ এক বিস্তৃত ঐতিহাসিক দলিল সংকলিত হৈছে। তেওঁ কয় যে ড° দাসে বহু দুষ্প্ৰাপ্য তথ্য আৰু মূল উৎস সংগ্ৰহ কৰি এক উল্লেখযোগ্য গৱেষণামূলক কাম সম্পন্ন কৰিছে। ড° মন্দিৰা দাসে তেওঁৰ ভাষণত উল্লেখ কৰে যে গ্ৰন্থখনত প্ৰায় ত্ৰিশজন বঙালী লেখকৰ শংকৰদেৱৰ বিষয়ক আলোচনা সন্নিৱিষ্ট কৰা হৈছে। তেওঁ কয় যে বঙালী সাহিত্যিক আৰু গৱেষকসকল শংকৰদেৱৰ ব্যক্তিত্ব, সাহিত্য, ধৰ্ম আৰু সাংস্কৃতিক অৱদানৰ প্ৰতি গভীৰভাৱে আকৰ্ষিত হৈছিল। শংকৰদেৱৰ অসমীয়া সমাজ, সাহিত্য আৰু সংস্কৃতিৰ মূল আধাৰ বুলি তেওঁ মন্তব্য কৰে। অনুষ্ঠানত বিশিষ্ট অনুবাদক, সাহিত্যিক দেৱীপ্ৰসাদ বাগড়িয়াও উপস্থিত থাকে। ইয়াৰ পূৰ্বে বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° পৰমানন্দ সোণোৱালে আদৰণি ভাষণ প্ৰদান কৰে। উপস্থিত শিক্ষাবিদ আৰু গৱেষকসকলে "বাঙালীৰ শংকৰদেৱৰ চৰ্চা" গ্ৰন্থখন অসমীয়া, বাংলা আৰু ইংৰাজী ভাষাৰ গৱেষক, শিক্ষক আৰু শিক্ষাৰ্থীৰ বাবে বিশেষ সহায়ক হ'ব বুলি মত প্ৰকাশ কৰে।

▫ ফলমূল-ফুল গছ পুলি বিক্ৰী কৰি মাহে উপাৰ্জন কৰিছে ৩০ হেজাৰ টকাৰ পৰা এক লাখ টকা ▫

# নাৰ্চাৰীৰ জৰিয়তে স্বাৱলম্বিতাৰ বাট বুলিছে ৰূপহীহাটৰ কাঠপাৰাৰ শ শ লোকে

**অসম বাৰ্তা, ৰূপহীহাট, ২৩ মে'** ঃ নগাঁও জিলাৰ লাওখোৱা মৌজাৰ অন্তৰ্গত এখন ৰাজহ গাঁও হৈছে কাঠপাৰা। এই গাঁওখনৰ প্ৰায় প্ৰতিঘৰ লোকেই উদ্ভিদ নাৰ্চাৰী স্থাপন কৰি গাঁও খনক একক আৰু অনন্য ৰূপ দিছে। যিটো সময়ত ৰাজ্যৰ লাখ লাখ নিবনুৱাই চৰকাৰী চাকৰিৰ পিছত দৌৰি হাবুডুবু খাব লগীয়া হৈছে ঠিক সেই একে সময়তে এই কাঠপাৰাৰ অঞ্চলৰ শ- শ যুৱকে নিজৰ ঘৰৰ চৌহদতে অথবা ঘৰৰ ওচৰৰ ওখ মাটিত উদ্ভিদ নাৰ্চাৰী স্থাপন কৰি তাত গছ পুলি, ফুলৰ পুলি বিক্ৰী কৰি স্বাৱলম্বী হোৱা পৰিলক্ষিত হৈছে। এতিয়া গাঁও খনত এনেকুৱা উদ্ভিদ নাৰ্চাৰীৰ সংখ্যা ইমানেই বৃদ্ধি পাইছে যে বহুতেই কাঠপাৰ গাঁৱক নাৰ্চাৰী গাঁও বুলিও ক'বলৈ আৰম্ভ কৰা পৰিলক্ষিত হৈছে। জানিব পৰা মতে, কাঠপাৰা গাঁৱৰ প্ৰয়াত হুছেইন মাষ্টৰে ৯০ ৰ দশকতে পোন প্ৰথম বাৰলৈ গাঁও খনত ব্যৱসায়িক ভিত্তিত নাৰ্চাৰী স্থাপন কৰিছিল। নাৰ্চাৰী খনৰ নাম আছিল আলী বৰুৱা নাৰ্চাৰী। সেই নাৰ্চাৰী খনত শ্ৰমিক হিচাপে কাম কৰিছিল গাঁওখনৰ দহ গৰাকী মান লোকে। আলী বৰুৱা নাৰ্চাৰী খনৰ জৰিয়তে হুছেইন মাষ্টৰে দোপতদোপে উন্নতি কৰিবলৈ লয়। তাকে দেখি সেই নাৰ্চাৰী খনত কাম কৰা কেইবাজনো লোকে নাৰ্চাৰী উদ্যোগৰ বিষয়ে প্ৰয়োজনীয় জ্ঞান আহৰণৰ পাছত তাৰ পৰা ওলাই আহি নিজাববীয়াকৈ একোখনকৈ উদ্ভিদ নাৰ্চাৰী স্থাপন কৰি স্বাৱলম্বী হোৱাৰ প্ৰয়াস কৰে। তেওঁলোক এই ক্ষেত্ৰত বহু সফলো হয়। পৰৱৰ্তীকালত কাঠপাৰা গাঁৱৰ শতাধিক শিক্ষিত নিবনুৱা যুৱক আৰু অন্যান্য জীৱীকাৰ সৈতে জড়িত বহু লোকেও উদ্ভিদ নাৰ্চাৰী স্থাপন কৰি গছ -ফল আৰু ফুলৰ পুলি বিক্ৰী কৰিবলৈ লয়। এতিয়া কাঠপাৰা গাঁৱৰ আলী বৰুৱা নাৰ্চাৰী, তানজিল নাৰ্চাৰী, ডায়মণ্ড নাৰ্চাৰী, আসাম নাৰ্চাৰী, নলতলী নাৰ্চাৰী, ছাটি নাৰ্চাৰী, আৰ্শীবাদ নাৰ্ছৰীকে প্ৰমুখ্যে শতাধিক নাৰ্চাৰী আছে। কাঠপাৰাৰ প্ৰথমখন নাৰ্চাৰীৰ প্ৰতিষ্ঠাপক হুছেইন মাষ্টৰৰ বিয়োগৰ পাছত তেওঁৰ দুই পুত্ৰ হাইদৰ আৰু ঈৰছাদে নাৰ্চাৰীখন চলাই আছে। ঠিক একেদৰে, তানজিল নাৰ্চাৰী শ্বেখ আব্দুল্লাই, ডায়মণ্ড নাৰ্চাৰী আব্দুল হান্নানে, নলতলী নাৰ্চাৰী আব্দুল মান্নানে, আসাম নাৰ্চাৰী হাবিল উদ্দিন আৰু আতিকুল আলম চৌধুৰীয়ে, ছাটি নাৰ্চাৰী ছাইফুল ইছলামে, আৰ্শীবাদ নাৰ্চাৰী জহিৰুল ইছলামে অতি লাভজনকভাৱে চলাই থকা বুলি জানিব পৰা গৈছে। কাঠপাৰাৰ তানজিল উদ্ভিদ নাৰ্চাৰীৰ স্বত্বাধিকাৰ শ্বেখ আব্দুল্লাই লোক সকলে দুই - তিনি বিঘা মাটিৰ পৰা আঠ-দহ বিঘা মাটিৰ প্ৰকাণ্ড প্ৰকাণ্ড উদ্ভিদ নাৰ্চাৰী স্থাপন কৰি তাত বিভিন্ন প্ৰজাতিৰ দেশী-বিদেশী ফুল পুলি, ফলমূলৰ পুলি আৰু অন্যান্য মূল্যৱান কাঠ গছৰ পুলি গজাই সেই সমূহ কিছু ডাঙৰ হোৱাৰ পাছত বিক্ৰী কৰি যথেষ্ট পৰিমাণে লাভান্বিত হৈছে। কাঠপাৰাৰ শতাধিক নাৰ্চাৰীৰ পৰা ৰাজ্য খনৰ বিভিন্ন প্ৰান্তৰ নাৰ্চাৰী সমূহে গছৰ পুলি, ফল-মূলৰ পুলি আৰু ফুলৰ পুলি সমূহ ক্ৰয় কৰি নিয়ে। কাঠপাৰাৰ একোখন নাৰ্চাৰীত দুশ তিনিশ প্ৰজাতিৰ উদ্ভিদৰ পুলি পোৱা যায়। এতিয়া কাঠপাৰাৰ যি ফালেই চোৱা যায় সেই ফালেই নাৰ্চাৰী। অঞ্চলটোৰ শ্বেখ আব্দুল্লা, হাইদৰ, ঈৰশ্বাদ, হাবিল, আতিকুৰ, আব্দুল মান্নান, ছাইফুল, জহিৰুল, হান্নান, জাকিৰ, কাদিৰ, মুচিকুৰ, আনোৱাৰ, ৰফিকুল, মতিবুৰ, ৰাজু, বাহাৰুল প্ৰমুখ্যে শতাধিক লোকৰ জীৱন আৰু জীৱিকাৰ একমাত্ৰ সম্বল হৈ পৰিছে উদ্ভিদ নাৰ্চাৰী। এই নাৰ্চাৰী সমূহৰ প্ৰতি খনতে নিয়োজিত হৈ আছে পাঁচ-ছয় গৰাকী শ্ৰমিকৰ পৰা ১০-১৫গৰাকীকৈ শ্ৰমিক। নাৰ্চাৰী ব্যৱসায়ী সকলে প্ৰতিখন নাৰ্চাৰীয়েই পুলি বিক্ৰী কৰি প্ৰতিমাহে ২৫-৩০ হেজাৰ টকাৰ পৰা এক -দুই লাখ টকা পৰ্যন্ত উপাৰ্জন কৰিবলৈ সক্ষম হয় বুলি জানিব পৰা গৈছে। কাঠপাৰাৰ তানজিল নাৰ্চাৰীৰ স্বত্বাধিকাৰ শ্বেখ আব্দুল্লাই কয়, "মোৰ দেউতা মৃত আহমেদ আলীয়ে হুছেইন মাষ্টৰৰ আলী বৰুৱা নাৰ্চাৰীত শ্ৰমিক হিচাপে কাম কৰিছিল। তাত কাম কৰি অৰ্জন কৰা অভিজ্ঞতাকে সাৰথি কৰি তেওঁ ঘৰতে এখন নাৰ্চাৰী স্থাপন কৰে। সেইখন নাৰ্চাৰীকে মই তানজিল নাৰ্চাৰীৰ ৰূপ দিও। মোৰ তিনি বিঘা মাটিত এই নাৰ্চাৰীখন আছে। এতিয়া এই নাৰ্চাৰী খনৰ জৰিয়তেই মই সচ্ছল ভাৱে পৰিয়াল পোহপাল দিছো লগতে আঠজন শ্ৰমিকক নিয়োগ কৰি আঠটা পৰিয়ালো চলাবলৈ সক্ষম হৈছো। নগাঁও জিলাৰ চামগুৰি বিধানসভা সমষ্টিৰ অন্তৰ্গত কাঠপাৰৰ শতাধিক লোকে উদ্ভিদ নাৰ্চাৰীৰ জৰিয়তে গাঁওখনত এক সেউজ বিপ্লৱৰ সূচনা কৰিছে যদিও এই কামত তেওঁ লোকে চৰকাৰৰ সংশ্লিষ্ট বিভাগ সমূহৰ পৰা যি ধৰণৰ সহায় সহযোগিতা লাভ কৰিব লাগিছিল তেনে ধৰণৰ সহায় সহযোগিতা লাভ কৰা নাই বুলি অতি আক্ষেপ কৰে বহু কেইজন নাৰ্চাৰী ব্যৱসায়ীয়ে। কাঠপাৰাৰৰ হাইদৰ, হান্নান, শ্বেখ আব্দুল্লা, আব্দুল মান্নান, ছাইফুল প্ৰমুখ্যে উদ্ভিদ নাৰ্চাৰীৰ স্বত্বাধিকাৰ সকলৰ ভাষ্য হ'ল, "চৰকাৰী চাকৰিৰ পিছত দৌৰি হাবুডুবু খোৱাৰ কোনো প্ৰয়োজন নাই। কোনোবাই চৰকাৰী চাকৰি পালে ভাল কথা, কোনোবাই যদি পোৱা নাই তেঁৱো ভাগি পৰাৰ কোনো যুক্তি নাই। আমাৰ দৰে উদ্ভিদ নাৰ্চাৰী স্থাপন কৰি স্বাৱলম্বী হ'ব পাৰিব। ইয়াৰ বাবে লাগিব মনৰ দৃঢ়তা আৰু কৰ্মস্পীহা।"

# দুধনৈত বিজ্ঞানসন্মতভাৱে জাৱৰ-জোঁঠৰ নিস্কাষণৰ সজাগতা সভা

**অসমবাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ২৩ মে'** ঃ গোৱালপাৰা জিলাৰ দুধনৈ এখন দ্ৰুতগতিত গঢ়ি উঠি থকা চহৰ। ইয়াক পৰিষ্কাৰ আৰু সেউজীয়া কৰি ৰখাৰ বাবে আজি দুধনৈ জনমন্দিৰ প্ৰেক্ষাগৃহত স্থানীয় প্ৰশাসন, দুধনৈ উন্নয়ন সমিতি, দুধনৈ ব্যৱসায়ী সন্থা, গোৱালপাৰা জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত, দুধনৈ গাঁও পঞ্চায়ত, আৰু নাগৰিকৰ মাজত এখন গুৰুত্বপূৰ্ণ সজাগতা সভা অনুষ্ঠিত হৈ যায়। দুধনৈ উন্নয়ন কমিটিৰ সভাপতি চন্দ্ৰবাহাদুৰ ছেত্ৰীৰ পৌৰাহিত্যত আৰু সম্পাদক প্ৰেমচান্দ বসুমতাৰীয়ে আঁতধৰা সভাখনত দুধনৈ চহৰখন কেনেদৰে পৰিষ্কাৰ কৰি ৰাখিব পাৰি সেই বিষয়ে বিশদ ভাবে আলোচনা কৰা হয়। বিশেষকৈ আজিৰ সভাত দুধনৈ চহৰৰ আবাসী এলেকা, বজাৰ, বাছ আস্থান আৰু ৰাস্তাৰ কাষত সদায় জমাহোৱা আৱৰ্জনা সমূহ সঠিকভাৱে বিজ্ঞানসন্মত ভাবে সংগ্ৰহ কৰি জাবৰ সমূহ কেনেদৰে নিস্কাষণ কৰি চহৰখনৰ পৰিষ্কাৰ কৰি ৰাখিব পাৰি সেই বিষয়ে বিতংভাবে আলোচনা কৰা হয়। উল্লেখ্য যে শেহতীয়াকৈ উচ্চতম ন্যায়ালয়ে স্বচ্ছতাৰ ওপৰত এক ৰায়দান কৰি ২০২৬ চনৰ পৰা সমগ্ৰ ভাৰতবৰ্ষত শক্তিশালী ৰূপত এই বিষয়টো প্ৰণয়ন কৰাৰ বাবে প্ৰতিখন ৰাজ্যৰ জিলা সমূহলৈ এক নিৰ্দেশনা প্ৰেৰণ কৰিছে। এই নিৰ্দেশনা মৰ্মে ৰাজ্যৰ জিলা সমূহত প্ৰশাসনে স্থানীয় দল সংগঠন সমূহৰ সহযোগিতাত স্বচ্ছতাৰ কাৰ্যসূচী সমূহ ৰূপায়ণৰ বাবে আগবাঢ়ি আহিছে। আজিৰ সভাত দুধনৈ খণ্ড উন্নয়ন বিষয়া হেৰীপল ফাৰ্ণাণ্ডেজ উপস্থিত থাকি কয় যে দুধনৈ চহৰত প্ৰতিদিনে জমা হোৱা আৱৰ্জনাক দুটা ভাগত ভাগ কৰাটো অতি গুৰুত্বপূৰ্ণ। পচনশীল (Biodegradable) শাক পাচলিৰ বাকলি অৱশিষ্টাংশ আৰু অপচনশীল (Non-Biodegradable) প্লাষ্টিক, কাগজ, কাঁচ, ধাতু আদি। এই আৱৰ্জনা সমূহ খণ্ড উন্নয়ন বিষয়াৰ উদ্যোগত লগতে দুধনৈ গাঁও পঞ্চায়ত আৰু স্থানীয় দল সংগঠনৰ সহযোগত দুধনৈ চহৰৰ পৰা সংগ্ৰহ কৰি পচনশীল আৱৰ্জনাবোৰ আমজোংগা আৰু অপচনশীল আৱৰ্জনাবোৰ মাটিয়াৰ নিৰ্দিষ্ট স্থানলৈ লৈ যোৱাৰ বাবে ব্যৱস্থা কৰা হব। পৰৱৰ্তী সময়ত দুধনৈ গাঁও পঞ্চায়তৰ অন্তৰ্গত প্ৰতিটো ৱাৰ্ডৰ ঘৰৰ লগতে ব্যৱসায়িক প্ৰতিষ্ঠান, আৱাসীক এলেকা, বজাৰৰ পৰা দিনৰ নিৰ্ধাৰিত সময়ত আৱৰ্জনা সংগ্ৰহ কৰিবলৈ ট্ৰাক বা সৰু টেম্পোৰ ব্যৱস্থা কৰা হব। এই ব্যৱস্থাই সংগ্ৰহ কৰা পচনশীল আৱৰ্জনা বোৰৰ পৰা কৃষকৰ বাবে জৈবিক সাৰ প্ৰস্তুত আৰু অপচনশীল আৱৰ্জনা সমূহ ৰিচাইক্লিং কৰি ব্লকচ বনাই পথ নিৰ্মাণত ব্যৱহাৰ কৰা হব। এই ক্ষেত্ৰত চহৰৰ প্ৰতিজন নাগৰিকৰ মাজত পৰিৱেশ পৰিষ্কাৰ ৰখাৰ গুৰুত্ব বুজাবলৈ বিদ্যালয়, মহাবিদ্যালয়ক জড়িত কৰি গাওঁ পঞ্চায়ত, স্থানীয় দলসংগঠনৰ সহযোগত সজাগতা সভা তথা অভিযান চলোৱাৰ পোষকতা কৰা হয়। একক ব্যৱহাৰযোগ্য প্লাষ্টিক (Single-use plastic) নিষিদ্ধ কৰাৰ লগতে দোকান-পোহাৰত কাপোৰৰ মোনা ব্যৱহাৰ কৰিবলৈ উৎসাহিত কৰাৰ বাবে ব্যৱস্থা কৰা হব। ইয়াৰ উপৰিও চহৰৰ প্ৰতিটো গুৰুত্বপূৰ্ণ চুকত, যেনে-বজাৰ, বাছ আস্থান আৰু ৰাস্তাৰ কাষত দুটাকৈ ডাষ্টবিন স্থাপন কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। যি দুটা ডাষ্টবিনত জাবৰ জোথৰ সমূহ পৃথক পৃথককৈ ৰাখিব। আনহাতে চহৰখন চাফচিকুণকৈ ৰখাৰ স্বাৰ্থত য'তে ত'তে জাৱৰ-জোঁথৰ পেলোৱা লোকৰ বাবে এক ন্যূনতম জৰিমনাৰ ব্যৱস্থা কৰা, ঘাই পথৰ ওপৰত ফাষ্টফুডৰ দোকান আৰু ফুটপাথ সমূহ মুকলিকৰণৰ ওপৰতো বিশদ ভাবে আলোচনা কৰা হয়। এই ব্যৱস্থাবোৰ কাৰ্যকৰী কৰিবলৈ স্থানীয় প্ৰশাসনৰ কঠোৰ তদাৰকী আৰু ৰাইজৰ স্বতঃস্ফূৰ্ত অংশগ্ৰহণ অপৰিহাৰ্য বুলি সভাই মত পোষণ কৰে। সভাত দুধনৈ ৰাজহ চক্ৰ বিষয়া জীতেন্দ্ৰ টাইড উপস্থিত থাকি দুধনৈ চহৰখন চাফচিকুণ কৰি ৰখাৰ বাবে সকলো ধৰণৰ বিভাগীয় ব্যৱস্থা তথা জাবৰ কঢ়িওৱা গাড়ীৰ ব্যৱস্থা গ্ৰহণ কৰিব বুলি কয়। দুধনৈ গাওঁ পঞ্চায়তৰ সভানেত্ৰী ছানিয়া ৰাভাই বিভাগীয় কৰ্তৃপক্ষৰ লগত থাকি পঞ্চায়তৰ ৱাৰ্ড সমূহত গৈ ৰাইজৰ মাজত সজাগতা সৃষ্টি কৰাৰ বাবে কাম কৰিব। আজিৰ এই সজাগতা সভাত গোৱালপাৰা জিলা পৰিষদৰ সদস্যা নীভা খাখলাৰী, দুধনৈ আঞ্চলিক পঞ্চায়ত সদস্যা কল্পনা ভাগৱতী, দুধনৈ ব্যৱসায়ী সন্থাৰ সভাপতি সম্পাদকদ্বয় উদয় কুমাৰ ৰাভা, চন্দন কুমাৰ ৰাভা, দুধনৈ দৈনিক বজাৰ কমিটিৰ সভাপতি গোপাল দাস, গোৱালপাৰা জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তা প্ৰাঞ্জল নাথ, কনিষ্ঠ অভিযন্তা বাবুল কলিতা, ৰত্নদীপ ভাগৱতী আদিকে ধৰি দুধনৈ অঞ্চলৰ কেবাগৰাকী বিশিষ্টব্যক্তি আৰু দুধনৈবাসী ৰাইজ উপস্থিত থাকে।

**ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন চৰকাৰে মুল্যবৃদ্ধি নিয়ন্ত্ৰণত ব্যৰ্থ হৈছে ঃ সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি অভিৱৰ্তন গোস্বামী**

# মূল্যবৃদ্ধিৰ বিৰুদ্ধে ৰাজপথত গোলাঘাট জিলা ছাত্ৰ সন্থা




**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২৩ মে'** ঃ নিত্য ব্যৱহাৰ্য অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য বৃদ্ধিয়ে ইতিমধ্যে জুৰুলা কৰি পেলাইছে দেশবাসীৰ লগতে ৰাজ্যবাসীক। তাৰ লগে ইন্ধনজাত সামগ্ৰী, জীৱন দায়িনী ঔষধৰ লগতে প্ৰায় সকলো বস্তুৰে আকাশলঙ্ঘী মূল্যবৃদ্ধিত দিক বিদিক হেৰুৱাইছে সাধাৰণ জনতাই। তাৰ বিপৰীতে মূল্যবৃদ্ধি নিয়ন্ত্ৰণত সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে বিজেপি চৰকাৰ। চৰকাৰৰ বিয়াগোম যোগান বিভাগটোৱে এতিয়া চকুমুদা কুলিৰ ভাও লৈছে। সাধাৰণ জনতাৰ মৰ্মবেদনা নুবুজা চৰকাৰখনৰ ওপৰত জাঙুৰ খায় উঠিছে সদৌ গোলাঘাট জিলা ছাত্ৰ সন্থা। আজি সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানত মূল্যবৃদ্ধিৰ নিয়ন্ত্ৰণত চৰকাৰৰ ব্যৰ্থতাৰ প্ৰতিবাদত আৰু মূল্যবৃদ্ধি হ্ৰাস কৰাৰ দাবীত গোলাঘাট সদৰত বিক্ষোভ সমদল বাহিৰ কৰে সদৌ গোলাঘাট জিলা ছাত্ৰ সন্থাই। সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি অভিৱৰ্তন গোস্বামী, সাংগঠনিক সম্পাদক প্ৰিন্স দলে, সদৌ গোলাঘাট জিলা ছাত্ৰ সন্থাৰ সভাপতি মিণ্টু গগৈ, সাধাৰণ সম্পাদক চিৰঞ্জীৱ বৰা, উপদেষ্টা শান্তনু দত্তৰ উপস্থিতিত প্ৰায় দুই শতাধিক ছাত্ৰ-ছাত্ৰী কৰ্মীয়ে 'বিজেপি চৰকাৰ মুৰ্দাবাদ', 'মূল্যবৃদ্ধি হ্ৰাস কৰক', 'যোগান বিভাগ হায় হায়', 'সদৌ অসম ছাত্ৰ সন্থা জিন্দাবাদ', 'জয় আই অসম' আদি শ্লোগানেৰে উত্তাল কৰি তোলে গোলাঘাটৰ আকাশ-বতাহ। এক প্ৰেছ বিবৃতিৰ জৰিয়তে এই কথা জানিবলৈ দিয়ে সদৌ গোলাঘাট জিলা ছাত্ৰ সন্থাৰ সভাপতি মিণ্টু গগৈ আৰু সাধাৰণ সম্পাদক চিৰঞ্জীৱ বৰাই।

## কলেজ অৱ লণ্ডনৰ পৰা প্ৰথম শ্ৰেণীৰ স্নাতকোত্তৰ ডিগ্ৰী লাভ অসম কন্যা নিশংকা খাউণ্ডৰ

**অসম বাৰ্তা, জাঁজী, ২২ মে'** ঃ বিশ্বৰ আগশাৰীৰ শিক্ষানুষ্ঠান ইউনিভাৰ্চিটি কলেজ অৱ লণ্ডনৰ পৰা সুখ্যাতিৰে স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছে অসমৰ নিশংকা খাউণ্ডে। নিশংকা খাউণ্ড বিশিষ্ট ব্যৱসায়ী, কংগ্ৰেছ নেতা জয়ন্ত খাউণ্ড আৰু ৰাজ্যখনৰ বিশিষ্ট অধিবক্তা ড° জোনমণি দেৱী খাউণ্ডৰ কন্যা। উল্লেখযোগ্য যে, নিংশকাৰ পিতৃ জয়ন্ত খাউণ্ডৰ জাঁজী জামুগুৰি ব্ৰাহ্মণ গাঁৱৰ বাসিন্দা। কলেজ অৱ লণ্ডনৰ পৰা ডিষ্টিংচন সহ প্ৰথম শ্ৰেণীৰ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা মেধাৱী ছাত্ৰী গৰাকীৰ এনে সফলতাত জাঁজী বাসী ৰাইজে সন্তোষ প্ৰকাশ কৰিছে আৰু ছাত্ৰী গৰাকীৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিছে।

**অভাৰল'ডিং বালি ভৰ্তি ডাম্পাৰৰ খুন্দাত চুৰ্ণবিচুৰ্ণ ই-ৰিস্কা**

# গোৱালপাৰাৰ বাপুজি-নগৰত ভয়ংকৰ পথ দুৰ্ঘটনা

**অসম বাৰ্তা, গোৱালপাৰা সদৰ, ২৩ মে'** ঃ গোৱালপাৰাৰ বাপুজিনগৰত আজি দিনৰ প্ৰায় ৪ বজাত সংঘটিত হয় এক ভয়ংকৰ পথ দুৰ্ঘটনা। এখন বালিভৰ্তি অভাৰলোডিং ডাম্পাৰে পথৰ কাষত ৰখাই থোৱা এখন ই-ৰিস্কাত প্ৰচণ্ড খুন্দা মৰাত ই-ৰিস্কাখন সম্পূৰ্ণৰূপে চুৰ্ণবিচুৰ্ণ হৈ পৰে। ফলত অঞ্চলজুৰি হুৱা-পৰিৱেশৰ সৃষ্টি হয়। জানিব পৰা মতে, ডাম্পাৰখনে গোৱালপাৰা অভিমুখে আহি থকা অৱস্থাত অভাৰলোডিংৰ ফলত বাওঁফালৰ চকাটো ফাটি যোৱাত চালকে গাড়ীখনৰ ওপৰত নিয়ন্ত্ৰণ হেৰুৱাই পথৰ কাষত ৰখাই থোৱা ই-ৰিস্কাখনত প্ৰচণ্ড খুন্দা মাৰে। এই ভয়ংকৰ দুৰ্ঘটনাত সৌভাগ্যক্ৰমে কোনো লোক আহত হোৱা নাই বুলি জানিব পৰা যায়। ইফালে, দিনৰ ভাগতেই কেনেকৈ অভাৰলোডেড বালি ভৰ্তি ডাম্পাৰ চহৰৰ মাজত প্ৰৱেশ কৰাক লৈ চহৰৰ সচেতন মহলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এনে অভাৰলোডিং ডাম্পাৰসমূহ দিনৰ পোহৰতে চহৰৰ মাজেৰে চলাচল কৰিবলৈ দিয়া বিষয়ত প্ৰশাসনক দোষাৰোপ কৰে ক্ষোভিত সচেতন মহলে। অভাৰলোডিং ডাম্পাৰখনৰ নম্বৰ হৈছে এ এচ১৯চি২০৫১। উক্ত ঘটনা সন্দৰ্ভত জিলা প্ৰশাসন তথা বন বিভাগে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলি দাবী জনায় চহৰৰ সচেতনমহলে।

# যোৰহাটৰ বৰ্ষাৰণ্য প্ৰতিষ্ঠানৰ আন্তঃৰাষ্ট্ৰীয় জীৱ বৈচিত্ৰ্য দিবস উদ্‌যাপন

**অসম বাৰ্তা, যোৰহাট, ২৩ মে'** ঃ যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানে ২২ মে, ২০২৬ তাৰিখে আন্তঃৰাষ্ট্ৰীয় জীৱ বৈচিত্ৰ্য দিবস উপলক্ষে PM শ্ৰী ফেঁচুৱাল জয়শ্ৰী উচ্চ মাধ্যমিক বিদ্যালয়ত এক অনুষ্ঠান আয়োজন কৰা হয়। এই অনুষ্ঠানত ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু বিজ্ঞানীসকলে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। ছাত্ৰ-ছাত্ৰীৰ মাজত জৈৱ বৈচিত্ৰ্য সংৰক্ষণ আৰু বহনক্ষম জীৱনধাৰাৰ গুৰুত্ব সম্পৰ্কে সজাগতা বৃদ্ধি কৰাৰ উদ্দেশ্যে এই কাৰ্যসূচী আয়োজন কৰা হৈছিল। উদযাপনৰ অংশ হিচাপে বৃক্ষৰোপণ, কুইজ প্ৰতিযোগিতা আৰু চিত্ৰাংকন প্ৰতিযোগিতাসহ বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। ছাত্ৰ-ছাত্ৰীয়ে উৎসাহেৰে এই অনুষ্ঠানসমূহত অংশগ্ৰহণ কৰি প্ৰকৃতি, বন আৰু পৰিৱেশ সংৰক্ষণ বিষয়ক নিজৰ সজাগতা আৰু সৃজনশীলতা প্ৰদৰ্শন কৰে। অনুষ্ঠানৰ আৰম্ভণিতে বিদ্যালয় চৌহদত এক বৃক্ষৰোপণ কাৰ্যসূচী অনুষ্ঠিত হয়, য'ত ছাত্ৰ-ছাত্ৰী আৰু বিশিষ্ট অতিথিসকলে গছপুলি ৰোপণ কৰি পৰিৱেশ সংৰক্ষণৰ শপত গ্ৰহণ কৰে। এই কাৰ্যসূচীয়ে পৃথিৱীত জীৱন টিকাই ৰখাত গছ আৰু পৰিৱেশগত ভাৰসাম্যৰ গুৰুত্ব উজ্জ্বল কৰি তোলে। জৈৱ বৈচিত্ৰ্য বিষয়ক এক জনপ্ৰিয় বক্তৃতা আগবঢ়ায় বৰ্ষাৰণ্য প্ৰতিষ্ঠজনৰ বিজ্ঞানী ৰাজীৱ কুমাৰ কলিতাই। তেওঁৰ ভাষণত তেওঁ পৰিৱেশগত স্থিৰতা বজাই ৰখা আৰু মানৱ কল্যাণ সমৰ্থনত জৈৱ বৈচিত্ৰ্যৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। তেওঁ উত্তৰ-পূৰ্বাঞ্চলৰ সমৃদ্ধ জৈৱ বৈচিত্ৰ্যৰ কথাও উল্লেখ কৰি বন ধ্বংস, দূষণ আৰু জলবায়ু পৰিৱৰ্তনৰ দৰে বৃদ্ধি পোৱা পৰিৱেশগত সমস্যাৰ প্ৰেক্ষাপটত ইয়াৰ সংৰক্ষণৰ প্ৰয়োজনীয়তাৰ ওপৰত জোৰ দিয়ে। শ্ৰী কলিতাই ছাত্ৰ-ছাত্ৰীসকলক দায়িত্বশীল নাগৰিক হ'বলৈ আৰু পৰিৱেশ সংৰক্ষণমূলক কাৰ্যসূচীত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। তেওঁ তেওঁলোকক পৰিৱেশ-অনুকূলঅভ্যাস গ্ৰহণ কৰি নিজৰ সমাজত জৈৱ বৈচিত্ৰ্য সংৰক্ষণ সম্পৰ্কে সজাগতা বিস্তাৰ কৰিবলৈ উৎসাহিত কৰে। পুৰস্কাৰ বিতৰণী অনুষ্ঠানত বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী কবিতা ফুকন বুঢ়াগোহাঁই যে মুখ্য অতিথি তথা বৰ্ষাৰণ্য প্ৰতিষ্ঠানৰ সঞ্চালক ডঃ নিটিন কুলকাৰণীক আদৰণি জনায় আৰু অনুষ্ঠানত বক্তব্য ৰাখে। নিজৰ ভাষণত ডঃ কুলকাৰ্ণীয়ে ছাত্ৰ-ছাত্ৰীৰ উৎসাহী অংশগ্ৰহণৰ শলাগ লৈ বিভিন্ন প্ৰতিযোগিতাৰ বিজয়ীসকলক অভিনন্দন জনায়। সমবেত লোকসকলক উদ্দেশ্যি তেওঁ পৰিৱেশৰ বাবে জীৱনশৈলী অভিযানৰ গুৰুত্বৰ বিষয়ে বক্তব্য ৰাখি প্ৰাকৃতিক সম্পদ আৰু পৰিৱেশ সুৰক্ষাৰ বাবে টেকসই জীৱনধাৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত জোৰ দিয়ে। ড° কুলকাৰ্ণীয়ে বিদ্যালয়ৰ 'বিজ্ঞান জেউতি' নামৰ দেৱাল আলোচনীখনো উন্মোচন কৰে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক প্লাষ্টিকৰ ব্যৱহাৰ হ্ৰাস কৰা, পানী আৰু শক্তি সংৰক্ষণ কৰা, গছ ৰোপণ কৰা আৰু দৈনন্দিন জীৱনত পৰিৱেশৰ প্ৰতি দায়িত্বশীল অভ্যাস গঢ়ি তুলিবলৈ উৎসাহিত কৰে। তেওঁ কয় যে টেকসই ভৱিষ্যৎ নিশ্চিত কৰা আৰু আগন্তুক প্ৰজন্মৰ বাবে জৈৱ বৈচিত্ৰ্য সংৰক্ষণ কৰাত যুৱ প্ৰজন্মৰ ভূমিকা অত্যন্ত গুৰুত্বপূৰ্ণ। অনুষ্ঠানৰ অন্তত ছাত্ৰ-ছাত্ৰীসকলক জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ দূত হিচাপে কাম কৰি বন, বন্যপ্ৰাণী আৰু প্ৰাকৃতিক পৰিৱেশ সংৰক্ষণত অৱদান আগবঢ়াবলৈ আহ্বান জনোৱা হয়। এই অনুষ্ঠানৰ জৰিয়তে জৈৱ বৈচিত্ৰ্য সংৰক্ষণ আৰু পৰিৱেশগত সমন্বয় বজাই ৰখাৰ ক্ষেত্ৰত সমূহীয়াভাৱে পদক্ষেপ গ্ৰহণৰ প্ৰয়োজনীয়তা সম্পৰ্কে ছাত্ৰ-ছাত্ৰীৰ মাজত সফলভাৱে সজাগতা সৃষ্টি হয়।

# নাছালৈ নিৰ্বাচিত জোনাক জ্যোতিৰ কলিয়াবৰৰ বাসভৱনত জিলা আয়ুক্ত দেৱাশিস শৰ্মা



**অসম বাৰ্তা, পুৰণিগুদাম, ২৩ মে'** ঃ আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিশ্বপ্ৰসিদ্ধ মহাকাশ গৱেষণা সংস্থা 'নাছা'ৰ এক শিক্ষামূলক কাৰ্যসূচীলৈ নিৰ্বাচিত হোৱা নগাঁও জিলাৰ কলিয়াবৰ নলতলী, আৰিমৰাৰ অষ্টম শ্ৰেণীৰ ছাত্ৰ জোনাক জ্যোতি বৰদলৈৰ ঘৰত কালি সন্ধিয়া জিলা আয়ুক্ত দেৱাশিস শৰ্মা উপস্থিত হৈ ছাত্ৰজনক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰে। উল্লেখযোগ্য যে, মেধাৱী ছাত্ৰজনে আন্তঃৰাষ্ট্ৰীয় মহাকাশ বিজ্ঞান প্ৰতিযোগিতা ২০২৬ ত সফলতাৰে উত্তীৰ্ণ হৈ আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিশ্বপ্ৰসিদ্ধ মহাকাশ গৱেষণা সংস্থা 'নাছা'ৰ এক শিক্ষামূলক কাৰ্যসূচীলৈ নিৰ্বাচিত হৈছে। ছাত্ৰজনৰ এই কৃতিত্বত আনন্দিত হৈ জিলা আয়ুক্তগৰাকীয়ে কালি জোনাক জ্যোতি বৰদলৈৰ বাসগৃহত উপস্থিত হৈ ছাত্ৰগৰাকীৰ লগতে তেওঁৰ পৰিয়ালবৰ্গক এই উল্লেখনীয় সাফল্যৰ বাবে আন্তৰিক অভিনন্দন জ্ঞাপন কৰে। এই সময়ছোৱাত তেওঁক সংগ দিয়ে কলিয়াবৰ সম-জিলাৰ আয়ুক্ত ৰাজ বৰুৱাই। বাৰ্তালাপৰ সময়ত জিলা আয়ুক্তই জোনাকৰ এই যাত্ৰা, প্ৰস্তুতি, ভৱিষ্যতৰ পৰিকল্পনা আৰু মহাকাশ বিজ্ঞানৰ প্ৰতি থকা তেওঁৰ ধাউতিৰ বুজ লয়। জানিব পৰা মতে, অহা ডিচেম্বৰ মাহৰ প্ৰথম সপ্তাহত তিনিদিনীয়া এক শিক্ষামূলক কাৰ্যসূচীৰে জোনাক জ্যোতি বৰদলৈয়ে আমেৰিকাৰ 'নাছা' ভ্ৰমণ কৰিব। এই ভ্ৰমণকালত তেওঁ বিখ্যাত মহাকাশচাৰী ডং ডন থমাছৰ সৈতে পোনপটীয়াকৈ মত-বিনিময় কৰাৰ লগতে নাছাৰ বিভিন্ন কাৰ্যপদ্ধতি আৰু গৱেষণামূলক আলোচনাচক্ৰত অংশগ্ৰহণ কৰাৰ এক বিৰল সুযোগ লাভ কৰিব। জোনাকৰ এই সাফল্যই সমগ্ৰ জিলাখনৰ লগতে অসমবাসীকো গৌৰৱান্বিত কৰি তুলিছে।

# ৰূপহীহাটৰ ফুটালজাৰ হাইস্কুলৰ দুই অৱসৰপ্ৰাপ্ত শিক্ষকক বিদায় সম্বৰ্ধনা

**অসম বাৰ্তা, লাওখোৱা, ২৩ মে'** ঃ ৰূপহীহাটৰ ফুটালজাৰ হাইস্কুলৰ দুগৰাকী শিক্ষক ৰফিকুল ইছলাম আৰু ছিৰাজুল ইছলাম আনছাৰীয়ে আজি কৰ্মজীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে। তদুপলক্ষে আজি বিদ্যালয়খনত আয়োজন কৰা হয় বিদায় সভাৰ। বিদ্যালয়ৰ প্ৰধান শিক্ষক উকাল উদ্দিনৰ সঞ্চালনাত অনুষ্ঠিত হয় বিদায় সভাখন। সভাখনত বিদ্যালয়খনৰ প্ৰাক্তন আৰু বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক আৰু বহু গণ্য-মান্য সমাজসেৱক উপস্থিত হৈ শিক্ষক দুজনক বিপুল সম্বৰ্ধনা জনায়। ১৯৯২ চনৰ পৰাই একেখন বিদ্যালয়ত জ্ঞানৰ পোহৰ বিলাই ছিল ৰফিকুল ইছলামে। ৰফিকুল ইছলামে কৰ্মজীৱনত নিষ্ঠা আৰু সততাৰে নিজৰ কৰ্তব্য পালন কৰিছিল। ছিৰাজুল ইছলাম আনছাৰীয়েও কম দিনত ছাত্ৰ-ছাত্ৰীৰ লগতে অভিভাৱকসকলৰ আপোন হৈ পৰিছিল। একেদিনাই বিদ্যালয়খনৰ পৰা দুগৰাকী শিক্ষকক বিদায় দি সভাখনত সকলো আৱেগিক হৈ পৰে। বিদ্যালয়খনৰ ফালৰ পৰা দুই অৱসৰপ্ৰাপ্ত শিক্ষকৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰে।

# মাকুমত সন্দেহজনক ড্ৰাগছসহ এজনক আটক

অসম বাৰ্তা, মাকুম, ২৩ মে' ঃ মাকুম আৰক্ষীৰ ড্ৰাগছ সৰবৰাহকাৰীৰ বিৰুদ্ধে যুদ্ধকালীন অভিযান অব্যাহত। আজি দুপৰীয়া পুনৰ মাকুম আৰক্ষী থানাৰ অন্তৰ্গত গঙ্গাবাৰীস্থিত ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ লাল বাহাদূৰ ধাবাৰ সমীপত চলোৱা এক বিশেষ অভিযানত এজন সন্দেহজনক ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। তথ্য প্ৰাপ্ত অনুসৰি মাকুম সমজিলা অতিৰিক্ত আৰক্ষী অধীক্ষক অৰূপজ্যোতি তেৰণ আৰু মাকুম আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মিল্টন বৰগোঁহাইৰ নেতৃত্বত চলোৱা অভিযানত ধৃত ড্ৰাগছ সৰবৰাহকাৰী জনৰ পৰা তিনিটা ধঁপাতৰ টেমাত ভৰাই থোৱা ১০.০২ গ্ৰাম সন্দেহজনক ড্ৰাগছ জব্দ কৰা হয়। আটকাধীন যুৱকজন ডুমডুমা বৰহাপজান নাহৰণী গাঁৱৰ বাসিন্দা দীপাঙ্ক বড়া (৩৫) বুলি জানিবলৈ পৰা যায়। ধৃত যুৱকজনক মাকুম আৰক্ষীৰ জিম্মাত ৰাখি জেৰা চলোৱা হৈছে।




## মাজুলী জিলাত ড্ৰাগছ বিৰোধী সজাগতা সভা

অসম বাৰ্তা, উজনী মাজুলী, ২৩ মে' ঃ মাজুলী জিলা আৰক্ষী প্ৰশাসনৰ উদ্যোগত আৰু অসম ৰাজ্যিক মাদক দ্ৰব্য নিবাৰণী পৰিষদৰ সহযোগত মাজুলী জিলাৰ শিক্ষা অনুষ্ঠান সমূহত ছাত্ৰ ছাত্ৰী সকলৰ সুৰক্ষাৰ স্বাৰ্থত সজাগতা সভা আয়োজন কৰা হৈছে। কালি মেৰাগড় নাৰায়ণদেৱ উচ্চতৰ মাধ্যমিকৰ বিদ্যালয়ত এখনি ড্ৰাগছ বিৰোধী সজাগতা সভা অনুষ্ঠিত হয়। বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ অভিজিৎ ফুকনৰ অধ্যক্ষতাত অনুষ্ঠিত হোৱা সভাখনত ছাত্ৰ-ছাত্ৰী সকলক উদ্দেশ্যি সজাগতা মূলক ভাষণ প্ৰদান কৰে মাজুলী জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ৰাজশ্ৰী ধন্দিয়াই। অসম ৰাজ্যিক মাদক দ্ৰব্য নিবাৰণী পৰিষদৰ মাজুলী জিলাৰ বিষয়া ৰূপম শইকীয়াই মাৰাত্মক ড্ৰাগছৰ ভয়াবহতা আৰু ইয়াৰ ভৱিষৎৰ সন্দৰ্ভত ভাষণ প্ৰদান কৰে। মাৰাত্মক ড্ৰাগছ সেৱনৰ ফলত হোৱা অপৰাধ যুৱ উশৃংখলতাৰ বিষয়ে বনগাঁও আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া ঋতিক কাশ্যৱে ভাষণ প্ৰদান কৰে।

## ডুমডুমাৰ হাঁহচৰা চাহ বাগিচাত পুনৰ পিঞ্জৰাবদ্ধ হ'ল এটা নাহৰফুটুকী

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৩ মে' ঃ ডুমডুমা নগৰৰ সমীপৰ হাঁহচৰা চাহ বাগিচাত আজি পুৱা পুনৰ এটা প্ৰকাণ্ড নাহৰফুটুকী পিঞ্জৰাবদ্ধ হয়। জানিব পৰা মতে বাগিচাখনৰ ৯ নং চেকছনত বন বিভাগে স্থাপন কৰা পিঞ্জৰাত আবদ্ধ হয় এই নাহৰফুটুকীটো। উল্লেখযোগ্য যে, তিনিচুকীয়া জিলাৰ চাহ বাগিচাসমূহৰ ভিতৰত মূলতঃ হাঁহচৰা, ৰাই ডাং, বিছাকুপি আৰু দৈমুখীয়া চাহ বাগিচাত বিগত প্ৰায় চাৰি মাহ মানৰ পৰা একপ্ৰকাৰ সন্ত্ৰাসৰ সৃষ্টি কৰি আহিছে নাহৰফুটুকী বাঘে। সেই অঞ্চলৰ আৱাসিকসকলৰ পোহনীয়া গৰু-ছাগলী, হাঁহ-কুকুৰাৰ লগতে বাটে-ঘাটে ঘূৰি ফুৰা কুকুৰ ভক্ষণেৰে সকলোকে শংকিত কৰি তোলা এই নাহৰফুটুকী বাঘৰ আক্ৰমণত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈছিল বাগিচাৰ শ্ৰমিক। বাঘৰ এনে সন্ত্ৰাসত শংকিত বাগিচাৰ শ্ৰমিক-কৰ্মচাৰী তথা কাষৰীয়া অঞ্চলৰ ৰাইজে এই বাঘ আবদ্ধ কৰিবৰ বাবে ডুমডুমা বন বিভাগক আহ্বান জনাইছিল। ৰাইজৰ আহ্বানত সঁহাৰি জনাই ডুমডুমা বন বিভাগে বিগত দুটা মাহত বাগিচা কেইখনৰ বিভিন্ন ঠাইত পিঞ্জৰা স্থাপন কৰি আজিলৈকে ৮ টাকৈ নাহৰফুটুকী পিঞ্জৰাবদ্ধ কৰিবলৈ সক্ষম হৈছে। আনহাতে পিঞ্জৰাবদ্ধ বাঘটো চাবলৈ অহা হাঁহচৰা চাহ বাগিচাৰ ৰাইজে জানিবলৈ দিয়া অনুসৰি উক্ত বাগিচাখনত এতিয়াও এটা প্ৰকাণ্ড 'ঘোং'এ বিচৰণ কৰি থকাৰ লগতে কিছুদিন পূৰ্বে এটা মৃত নাহৰফুটুকী ৰাইজে প্ৰত্যক্ষ কৰিছিল। আজি নাহৰফুটুকীটো পিঞ্জৰাবদ্ধ হোৱাৰ পাছত ডুমডুমা বন বিভাগৰ লোক বাগিচাখনত উপস্থিত হৈ বাঘটো নিজৰ জিম্মাত লয়।

# লখিমপুৰৰ বিশিষ্ট স্বাধীনতা সংগ্ৰামী, শিক্ষাবিদ শতায়ু গৰকা মদন চন্দ্ৰ ভূঞাৰ দেহাৱসান

অসম বাৰ্তা, লীলাবাৰী, ২৩ মে' ঃ লখিমপুৰ জিলাৰ নাৰায়ণপুৰৰ কাষৰীয়া চৰাইদলনি গাঁৱৰ নিবাসী, বিশিষ্ট স্বাধীনতা সংগ্ৰামী, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা সমাজ সংস্কাৰক মদন চন্দ্ৰ ভূঞাৰ কালি বুধবাৰে পুৱা ৫: ০০ বজাত ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত বাৰ্ধক্যজনিত কাৰণত পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ১০১ বছৰ। ১৯২৫ চনত জন্মগ্ৰহণ কৰা এইগৰাকী মহান মনিষীৰ বিয়োগে সমগ্ৰ জিলাখনৰ লগতে ৰাজ্যখনৰ সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰখনত এক অপূৰণীয় ক্ষতি। এক বিৰল ত্যাগ, নীৰৱ সাধনা আৰু আদৰ্শৰ এক দীৰ্ঘতম যুগৰ অন্ত পৰিল। মদন চন্দ্ৰ ভূঞাই ছাত্ৰাৱস্থাতে মহাত্মা গান্ধীৰ আহ্বানত অনুপ্ৰাণিত হৈ ১৯৪২ চনৰ ঐতিহাসিক 'ভাৰত ত্যাগ আন্দোলন'ত সক্ৰিয়ভাৱে জঁপিয়াই পৰিছিল। শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ মহান আদৰ্শৰে পুষ্ট ভূঞাই ব্ৰিটিছ চৰকাৰৰ চকু চাট মাৰি স্বাধীনতা আন্দোলনৰ গুপুত সংগঠনৰ এজন বিশ্বাসী বাৰ্তাবাহক সংগঠক আৰু যুৱ সমদলকাৰী হিচাপে কাম কৰিছিল। আৰক্ষীৰ ভয়ংকৰ অত্যাচাৰ আৰু গ্ৰেপ্তাৰৰ সন্মুখীন হৈয়ো তেওঁ গোপন বৈঠক আয়োজন কৰা, আত্মগোপনকাৰী বিপ্লৱীসকলক খাদ্য-সামগ্ৰী যোগান ধৰা আৰু ব্ৰিটিছৰ বিৰুদ্ধে পতাকা উত্তোলন কাৰ্যসূচীত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছিল। দেশ স্বাধীন হোৱাৰ পিছত, ১৯৫৪ চনত তেওঁ মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ শিক্ষকতাৰ বৃত্তিত ভৰি দিছিল। ১৯৫৫ চনত চৰকাৰী নিযুক্তি লাভ কৰি তেওঁ তদানীন্তন নগা পাহাৰৰ (বৰ্তমানৰ নাগালেণ্ড) 'থেমকেই ডিমা হাইস্কুল'ত হিন্দী শিক্ষক হিচাপে যোগদান কৰে। ১৯৫৬ চনত সশস্ত্ৰ নগা বিদ্ৰোহীয়ে তেওঁৰ বাসগৃহত অতৰ্কিতে আক্ৰমণ চলাইছিল। সহকৰ্মীসকলৰ সৈতে মৃতদেহৰ ভাও ধৰি তেওঁ সেই দিনা অলৌকিকভাৱে প্ৰাণৰক্ষা পৰে আৰু পিছত ভাৰতীয় সেনাই তেওঁলোকক উদ্ধাৰ কৰে। ইয়াৰ পিছতে তেওঁ অসমলৈ উভতি আহে আৰু স্থানীয় ৰাইজৰ অনুৰোধত অঞ্চলটোৰ পিছপৰা শিক্ষা ব্যৱস্থাৰ হাল ধৰে। তেওঁৰ নিজা প্ৰচেষ্টাৰে অঞ্চলটোত 'হাৰমতী পিছলা মধ্য ইংৰাজী বিদ্যালয়' স্থাপন কৰে আৰু ইয়াৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক হিচাপে অৱসৰ গ্ৰহণ কৰে। কেৱল শ্ৰেণীকোঠাতে আবদ্ধ নাথাকি তেওঁ মধ্য ইংৰাজী শিক্ষক সন্থাৰ জিলা আৰু ৰাজ্যিক পৰ্যায়ৰ সভাপতি হিচাপে কেইবাবাৰো নিৰ্বাচিত হৈ শিক্ষক সমাজৰ হকে কাম কৰিছিল। ইয়াৰ উপৰিও তেওঁ নাৰায়ণপুৰ সাহিত্য সভাৰ সভাপতি, অসম সাহিত্য সভাৰ আজীৱন সদস্য আৰু 'অসম ৰাজ্যিক নামধৰ্ম সেৱক সমাজ'ৰ পদাধিকাৰ হিচাপে ধৰ্মীয়-সাংস্কৃতিক জাগৰণৰ নেতৃত্ব দিছিল। আজীৱন খাদী বস্ত্ৰ পৰিধান কৰা

**□ ৰাজ্যিক মৰ্যাদাৰে শেষকৃত্য সম্পন্ন □**

এই গৰাকী একনিষ্ঠ গান্ধীৰ অনুগামীয়ে সামাজিক তথা আধ্যাত্মিক কাম-কাজৰ বাবে নিজৰ ভূমি পৰ্যন্ত দান কৰি থৈ গৈছে। দেশ আৰু সমাজলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে ১৯৯৭ চনত ভাৰতৰ স্বাধীনতাৰ স্বৰ্ণ জয়ন্তী বৰ্ষত অসম চৰকাৰে তেওঁক 'তাম্ৰপত্ৰ'ৰে বিভূষিত কৰে। ২০১৩ চনত তেওঁক 'পদ্মনাথ গোহাঞিবৰুৱা জীৱন সমৃদ্ধি বঁটা' প্ৰদান কৰা হয়। শেহতীয়াকৈ ২০২৫ চনত তেওঁক অসম চৰকাৰৰ 'সৰ্ব অসম স্বাধীনতা সংগ্ৰামী উপদেষ্টা সমিতি'ৰ সন্মানীয় সদস্য হিচাপে মনোনীত কৰা হৈছিল। মৃত্যুৰ সময়ত পত্নী ৰত্নপ্ৰভা ভূঞা, সাতগৰাকী সন্তান আৰু বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি থৈ যায়। উল্লেখযোগ্য যে, তেওঁৰ পঞ্চম পুত্ৰ শ্ৰীমন্ত ভূঞাই ভাৰতীয় বায়ুসেনাৰ জোৱান হিচাপে ১৯৯৯ চনৰ ঐতিহাসিক কাৰ্গিল যুদ্ধত সক্ৰিয় অংশগ্ৰহণ কৰি পিতৃৰ দেশপ্ৰেমৰ উত্তৰাধিকাৰ অক্ষুণ্ণ ৰাখিছে। অসমৰ মাননিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই স্বাধীনতা সংগ্ৰামীগৰাকীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমত এক শোক বাৰ্তা প্ৰেৰণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, দেশপ্ৰেম, সততা আৰু সমাজসেৱাৰে ভৰপূৰ ভূঞাৰ সুদীৰ্ঘ জীৱন পৰিক্ৰমাই বৃহৎ নাৰায়ণপুৰ অঞ্চলৰ লগতে সমগ্ৰ অসমৰ সামাজিক জীৱনক পোহৰাই তুলিছিল। ৰাজ্য চৰকাৰৰ নিৰ্দেশমৰ্মে সম্পূৰ্ণ ৰাজ্যিক মৰ্যাদাৰে এই মহান দেশপ্ৰেমিক গৰাকীৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়, যদিও মুক্তি যোদ্ধা গৰাকীৰ পাৰ্থিৱ শৰীৰ তেওঁৰ শেষ ইচ্ছা ৰক্ষা কৰি পৰিয়ালৰ লোকে ৰাইজৰ মঙ্গলৰ বাবে লখিমপুৰ চিকিৎসাৰ মহাবিদ্যালয়ক অৰ্পণ কৰে।

**■ চিকিৎসালয়ৰ ভিন্ন বিভাগ নিৰীক্ষণ, জন আৰোগ্য সমিতি গঠন ■**

# ডাঁহী মডেল হস্পিতালত উপস্থিত মঙলদৈৰ বিধায়িকা নিলীমা দেৱী

অসম বাৰ্তা, মঙলদৈ, ২৩ মে' ঃ মঙলদৈ অসামৰিক চিকিৎসালয়কে ধৰি বিগত পষেক জুৰি মঙলদৈ সমষ্টিৰ ভিন্ন স্বাস্থ্য প্ৰতিষ্ঠান সমূহনিৰীক্ষণৰ পাছত আজি ডাঁহী মডেল হস্পিতেলত উপস্থিত হয় নব-নিৰ্বাচিত বিধায়িকা নিলিমা দেবী। চিকিৎসালয়খনৰ উপ-অধীক্ষক মঞ্জু দেৱী সহ চিকিৎসক, কৰ্মচাৰী সকলোৰে সৈতে প্ৰয়োজনীয় সামগ্ৰীৰ অভাৱকে ধৰি ভিন্ন বিষয় আলোচনা কৰাৰ লগতে ডাঁহী মডেল হস্পিতেল জন-আৰোগ্য সমিতি খনো গঠন কৰে। লক্ষণীয় যে, পশ্চিম মঙলদৈৰ বৃহত্তৰ ৰাইজৰ বাবে মঙলদৈ অসামৰিক চিকিৎসালয়ৰ একমাত্ৰ বিকল্প হিচাবে ডাঁহী মডেল হস্পিতেলখন নিৰ্মাণ কৰা হৈছিল। পোনপটীয়া চিকিৎসক নিযুক্ত নোহোৱাত ধাৰ কৰি ডেপুটেশ্যনত অনাৰ দিহা কৰিছে। এনে পৰিস্থিতিত জৰুৰী আৰু আপদকালীন সেৱা নিশা উপলব্ধ নোহোৱা হৈছে। এনে ভিন্ন দিশ পোন প্ৰথমবাৰৰ বাবে ভৰি দি বিধায়িকা গৰাকীয়ে চিকিৎসালয় খনৰ ভিন্ন সঁজুলি সহ চিকিৎসক, কৰ্মচাৰীও নিযুক্ত হৈছিল। কিন্তু, আওহতীয়া ঠাই



বিবেচনা কৰি বহু কৰ্মচাৰীয়ে বদলি হৈ যোৱাত খোদ ডাঁহী মডেল হস্পিতেল নৈশ চকীদাৰ শূন্য হৈ পৰে। কেৱল উপ-অধীক্ষকৰ সৈতে এগৰাকী কৰ্মচাৰী থকাত নিশাৰ ভাগত প্ৰৱেশ দ্বাৰত তলা লগাই চলাবলগীয়া হৈছে। চিকিৎসালয়খনত মনোযোগেৰে শুনাৰ লগতে সমস্যাবোৰ আঁতৰাই সাধাৰণ ৰাইজক পূৰ্ণকালীন সেৱা প্ৰদানৰ তেওঁ পদক্ষেপ লব বুলি সকলোকে আশ্বস্ত কৰে। ইপিনে, বিধায়িকা নিলিমা দেৱীক অধ্যক্ষ হিচাবে লৈ চিকিৎসালয় খনৰ উপ-অধীক্ষক ডাঃ মঞ্জুৰাণী দেৱী, মঙলদৈ ৰাজহচক্ৰ বিষয়া পাৰ্থ প্ৰতীম বৰুৱা, ৰঙামাটি জিলা পৰিষদৰ সদস্য বিতোপন ডেকা, পশ্চিম মঙলদৈ আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী শচীমা দাস, ডাঁহী গাওঁ পঞ্চায়তৰ সভাপতি নীল বৰুৱা, পঞ্চায়ত সদস্য দিগন্ত শৰ্মা, সমাজসেৱী গৰ্গৰাম শইকীয়া, লেখিকা তথা অৱসৰী শিক্ষয়িত্ৰী সুভদ্ৰা চহৰীয়া সহ সংবাদসেৱী সদস্য হিচাবে দিগন্ত কুমাৰ শৰ্মাক এই সমিতিত অন্তৰ্ভুক্ত কৰি সমিতিখন গঠন কৰা হয়। সমিতি গঠনৰ পাছতে বিধায়িকা গৰাকীয়ে সকলো সদস্যকে ফুলাম গামোচাৰে আদৰণি জনায়। বিধায়িকা গৰাকীৰ আহ্বান মৰ্মে জিলা পৰিষদ সদস্য বিতোপন ডেকাই চিকিৎসালয়ৰ চৌহদৰ নলাৰ মেৰামতি, নিৰ্মাণ শিতানত জিলা পৰিষদৰ পৰা পুজি যোগানৰ প্ৰতিশ্ৰুতি দিয়ে। বিধায়িকা গৰাকীয়ে পৰৱৰ্তী সময়ত তেওঁৰ সাধ্যানুসৰি আৱণ্টন দিব বুলিও উল্লেখ কৰে। স্থানীয় ৰাইজৰ প্ৰতি দায়বদ্ধতাৰ বিষয়ে প্ৰকাশ কৰি বিধায়িকা গৰাকীয়ে কয় যে, চিকিৎসালয় পৰিচালনাৰ আৰোগ্য সমিতিত তেওঁ অন্য প্ৰতিনিধিক দায়িত্ব নিদিয়ে, তেওঁ নিজেই থাকিব যাতে ৰাইজ আৰু চিকিৎসক-কৰ্মচাৰীৰ অভাৱ-অভিযোগ মৰ্মে বৃহত্তৰ ডাঁহীবাসী ৰাইজ উপকৃত হ'ব পাৰে।

## ২৭ মে'ত তামোলপুৰত গোৰ্খা ছাত্ৰ সন্থাৰ বিশেষ অভিনন্দন অনুষ্ঠান

অসম বাৰ্তা, গোৰেশ্বৰ, ২৩ মে' ঃ তামোলপুৰ জিলাৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ ৰাজহুৱা প্ৰেক্ষাগৃহত অহা ২৭ মে'ত এক বিশেষ অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰিছে সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাই। জানিব পৰা মতে, সংগঠনটোৰ তামোলপুৰ জিলা সমিতিৰ উদ্যোগত তথা তামোলপুৰ আঞ্চলিক সমিতিৰ আতিথ্যত আয়োজন কৰা হৈছে এই অনুষ্ঠানটো। এই অনুষ্ঠানত ২০২৬ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত জিলাখনৰ ভিতৰত শীৰ্ষ ১০টা স্থান লাভ কৰিবলৈ সক্ষম হোৱা গোৰ্খা জনগোষ্ঠীৰ মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক বিশেষভাৱে অভিনন্দন জনোৱা হ'ব। লগতে নেপালী মাতৃভাষা বিষয়ত ৰাজ্যৰ ভিতৰতে সৰ্বোচ্চ নম্বৰ লাভ কৰিবলৈ সক্ষম হোৱা ছাত্ৰ-ছাত্ৰীকো জনোৱা হ'ব বিশেষভাৱে সম্বৰ্ধনা। জিলাখনৰ কৃতী ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰাৰ লগতে সমাজৰ আগত তেওঁলোকৰ সফলতাক যথোচিত স্বীকৃতি প্ৰদান কৰাৰ উদ্দেশ্যে এনে অনুষ্ঠানৰ আয়োজন কৰা বুলি সংগঠনটোৱে মত প্ৰকাশ কৰিছে। ইপিনে বিগত সময়ছোৱাত ছাত্ৰ সংগঠনটোক নেতৃত্ব প্ৰদান কৰি ছাত্ৰ সমাজৰ লগতে গোৰ্খা জনগোষ্ঠীৰ কল্যাণ বাবে উল্লেখযোগ্য অৱদান আগবঢ়োৱা জিলাখনৰ প্ৰাক্তন ছাত্ৰ নেতাসকলকো এই অনুষ্ঠানত বিশেষভাৱে সম্বৰ্ধনা জনোৱা হ'ব। উক্ত অনুষ্ঠানত সংগঠনটোৰ কেন্দ্ৰীয় আৰু বিটিচি ক্ষেত্ৰীয় সমিতিৰ নেতৃবৰ্গৰ লগতে তামোলপুৰৰ বিভিন্ন দল-সংগঠনৰ বিষয়ববীয়া, বিভিন্ন ক্ষেত্ৰৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তি আৰু জিলাখনৰ প্ৰায় ২ শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকিব বুলি আয়োজক সমিতিয়ে জানিবলৈ দিয়ে। সংগঠনটোৱে গ্ৰহণ কৰা এই পদক্ষেপক তামোলপুৰবাসী গোৰ্খা সমাজে আদৰণি জনাইছে।

**অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য নিয়ন্ত্ৰণ, নিৰীক্ষণ নিশ্চিত কৰাৰ লক্ষ্য**

# দৰঙত জিলা টাস্ক ফ'ৰ্চৰ প্ৰথমখন পৰ্যালোচনা বৈঠক

অসম বাৰ্তা, মঙলদৈ, ২৩ মে' ঃ বজাৰত এতিয়া জুই। আন্তঃৰাষ্ট্ৰীয় বজাৰত পেট্ৰ'লজাত সামগ্ৰীৰ মূল্য বৃদ্ধিৰ লগে লগে বজাৰত পেট্ৰ'ল, ডিজেলৰ দাম বৃদ্ধি হয়। পেট্ৰ'লজাত সামগ্ৰীৰ দাম বৃদ্ধিৰ সমান্তৰালভাৱে অত্যাবশ্যকীয় সামগ্ৰীৰো দাম বৃদ্ধি হয়। দৰং জিলাত অত্যাবশ্যকীয় সামগ্ৰীৰ মূল্য নিয়ন্ত্ৰণ আৰু নিয়মীয়া নিৰীক্ষণ নিশ্চিত কৰাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰীৰ নিৰ্দেশনাৰ সৈতে সংগতি ৰাখি তৎকালীনভাৱে দৰং জিলাতো জিলা স্তৰৰ 'টাস্ক ফ'ৰ্চ'ৰ বুধবাৰে প্ৰথমখন পৰ্যালোচনা সভা অনুষ্ঠিত কৰা হয়। এই পৰ্যালোচনা বৈঠকত জিলা টাস্ক ফৰ্চৰ তৰফৰ পৰা অত্যাবশ্যকীয় সামগ্ৰীৰ মূল্য নিয়ন্ত্ৰণৰ ক্ষেত্ৰত পালন কৰিবলগীয়া দায়িত্বসমূহৰ বিষয়ে আলোচনা কৰা হয়। জিলা পৰ্যায়ৰ টাস্ক ফৰ্চে অত্যাবশ্যকীয় সামগ্ৰীৰ মূল্য নিয়ন্ত্ৰণ আৰু নিয়মীয়া নিৰীক্ষণ নিশ্চিত কৰাৰ লগতে বজাৰৰ ভাৰসাম্যতা বজাই ৰখা, কৃত্ৰিম মূল্যবৃদ্ধি ৰোধ কৰা আৰু গ্ৰাহকৰ স্বাৰ্থ সুৰক্ষিত ৰখাৰ উদ্দেশ্যে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব। জিলা আয়ুক্ত আয়ুষী জৈনৰ নেতৃত্বত জিলা পৰ্যায়ত মুঠ ৯ গৰাকী সংশ্লিষ্ট বিভাগীয় মুৰব্বীৰে গঠিত এই 'টাস্ক ফ'ৰ্চে জিলাখনত পাইকাৰী আৰু খুচুৰা বজাৰৰ মূল্য নিৰীক্ষণ, মূল্যবৃদ্ধিৰ কাৰণ চিনাক্তকৰণ, খুচুৰা ব্যৱসায়ী তথা সংশ্লিষ্ট অংশীদাৰসকলৰ সৈতে সমন্বয় ৰক্ষা, উৎপাদন আৰু পৰিবহণ সম্পৰ্কীয় তথ্য সংগ্ৰহৰ লগতে আন্তঃজিলা মূল্যৰ তাৰতম্য বিশ্লেষণ আদি কাৰ্যাৱলী নিয়মীয়াকৈ সম্পাদন কৰিব। আজি অনুষ্ঠিত বৈঠকত জিলা আয়ুক্তগৰাকীয়ে খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগক বৰ্তমানে ৰন্ধন গেছ চিলিণ্ডাৰৰ নাটনি আৰু গেছ এজেঞ্চীসমূহৰ তৰফৰ পৰা চলাই থকা বিতৰণ ব্যৱস্থা সঠিক আৰু মসৃণ কৰাৰ বাবে বিশেষ উদ্যোগ লোৱাৰ বাবে নিৰ্দেশ দিয়ে। এই অভিযান অধিক তৎপৰতাৰে ৰূপায়ণ কৰাৰ বাবে সহ জিলা আয়ুক্ত স্তৰ তথা ৰাজহ চক্ৰ স্তৰতো ৯ জনীয়া সদস্যৰে বিশেষ 'টাস্ক ফ'ৰ্চ' গঠন কৰা হৈছে। সক্ৰিয় অভিযান ৰূপায়ণৰ উদ্দেশ্যে সকলো সংশ্লিষ্ট বিভাগক প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ বৈঠকত জিলা আয়ুক্তই নিৰ্দেশ দিয়ে। জিলা আয়ুক্তগৰাকীয়ে অত্যাবশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি, কৃত্ৰিম সংকট সৃষ্টি আৰু অবৈধ মজুতদাৰীৰ বিৰুদ্ধে কঠোৰ নিৰীক্ষণ চলোৱাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে। উক্ত টাস্ক ফ'ৰ্চসমূহে দৰং জিলাৰ বিভিন্ন বজাৰসমূহত অত্যাবশ্যকীয় খাদ্য সামগ্ৰী তথা নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ মূল্য, মজুত পৰিস্থিতি, অধিক মূল্য আদায় আদি বিষয়সমূহৰ ওপৰত নিয়মীয়াকৈ নিৰিক্ষণ কৰিব। জিলা আয়ুক্তই সকলো দোকানতে অত্যাৱশ্যকীয় সামগ্ৰীসমূহৰ মূল্যৰ তালিকা যুক্ত ফলক আঁৰি থোৱাৰো পোষকতা কৰে আৰু খাদ্য আৰু অসামৰিক যোগান বিভাগক ইয়াক নিশ্চিত কৰিবলৈ কয়। তেখেতে ব্যৱসায়ীসকলক চৰকাৰে নিৰ্ধাৰিত কৰি দিয়া নিয়ম-নীতি অনুসৰণ কৰিহে সামগ্ৰী বিক্ৰী কৰিবলৈ নিৰ্দেশ দিয়ে। জিলা স্তৰ, সমজিলা স্তৰ আৰু ৰাজহ চক্ৰ স্তৰত গঠিত এই টাস্ক ফ'ৰ্চসমূহত জিলা প্ৰশাসন, খাদ্য আৰু অসামৰিক যোগান বিভাগ, কৃষি বিভাগ, আইন-শৃংখলা ৰক্ষী বাহিনী তথা অন্যান্য সংশ্লিষ্ট বিভাগৰ বিষয়াসকল অন্তৰ্ভুক্ত থাকিব। এই টাস্কফৰ্চসমূহে এতিয়াৰে পৰা জিলাৰ বিভিন্ন বজাৰত আকস্মিক পৰিদৰ্শন আৰু অভিযান চলাব আৰু এক সপ্তাহৰ মূৰত এই টাস্ক ফ'ৰ্চসমূহৰ কাম-কাজৰ অগ্ৰগতি আৰু মান বা ফলপ্ৰসূতা সম্পৰ্কে বুজ লোৱাৰ বাবে পুনৰ বৈঠক অনুষ্ঠিত হ'ব। দৰং জিলা আয়ুক্ত আয়ুষী জৈনে সকলো ব্যৱসায়ী আৰু সাধাৰণ জনতাক এই কাৰ্যসূচীত সহযোগিতা আগবঢ়াবলৈ আহ্বান জনাইছে। লগতে কোনো ধৰণৰ অস্বাভাৱিক মূল্যবৃদ্ধি, কৃত্ৰিম সংকট সৃষ্টি বা মজুতদাৰী সম্পৰ্কে তথ্য থাকিলে সংশ্লিষ্ট বিভাগক অৱগত কৰিবলৈও অনুৰোধ জনাইছে। অস্বাভাৱিক মূল্যৰ ক্ষেত্ৰত উক্ত ব্যৱসায়ীৰ বাণিজ্যিক অনুজ্ঞাপত্ৰ বাতিল কৰা হ'ব বুলিও তেখেতে ঘোষণা কৰে। উল্লেখ্য, আজিৰ এই বৈঠকত অতিৰিক্ত আয়ুক্ত অজিত কলিতা আৰু উদয় শংকৰ দত্ত, ৰাজহ চক্ৰ বিষয়া সকল, উপ-আৰক্ষী অধীক্ষক, সকলো সংশ্লিষ্ট বিভাগীয় মুৰব্বী, গেছ এজেঞ্চীসমূহৰ স্বত্বাধিকাৰী আৰু অন্যান্য সংশ্লিষ্টসকল উপস্থিত থাকে।

# দুধনৈস্থিত গোৱালপাৰা কৃষি বিজ্ঞান কেন্দ্ৰত কৃষিজাত সামগ্ৰী ৰপ্তানি সংক্ৰান্তিয় গুৰুত্বপূৰ্ণ প্ৰশিক্ষণ শিবিৰ সম্পন্ন

অসমবাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ২৩ মে' ঃ দুধনৈৰ উদয়পুৰস্থিত গোৱালপাৰা কৃষি বিজ্ঞান কেন্দ্ৰৰ সৌজন্যত আজি "কৃষিজাত সামগ্ৰী ৰপ্তানি অংশীদাৰ সকলৰ সামৰ্থ্য বিকাশ" (Capacity Building Program for Agri-Product Export) শীৰ্ষক এক বিশেষ সজাগতা তথা প্ৰশিক্ষণ সভা সফলতাৰে অনুষ্ঠিত হৈ যায়। জিলাখনৰ চহা কৃষকসকলে কষ্টোপাৰ্জিত উৎপাদিত সামগ্ৰীৰ উচিত মূল্য লাভ কৰা আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰত কেনেকৈ স্থানীয় সামগ্ৰী প্ৰতিষ্ঠা কৰিব পাৰি, সেই উদ্দেশ্যেই এই কাৰ্যসূচী গ্ৰহণ কৰা হয়। কৃষি বিজ্ঞান কেন্দ্ৰটোৰ তত্ত্বাৱধায়ক ড° সন্তোষ কুমাৰ বৈশ্যৰ নেতৃত্বত অনুষ্ঠিত এই গুৰুত্বপূৰ্ণ প্ৰশিক্ষণ শিবিৰত জিলাখনৰ বিভিন্ন প্ৰান্তৰ, বিশেষকৈ কৃষক উৎপাদক সংগঠন (FPO) আৰু এফ পি চি (FPC)ৰ সৈতে জড়িত প্ৰায় ৭০-৮০ গৰাকী কৃষকে অংশগ্ৰহণ কৰে। জিলাখনৰ কৃষক সকলে বিভিন্ন উন্নতমানৰ কৃষিজাত সামগ্ৰী উৎপাদন কৰে যদিও উপযুক্ত বজাৰ বা বিপণন ব্যৱস্থাৰ অভাৱত বহু সময়ত লোকচানৰ সন্মুখীন হ'বলগা হয়। কৃষকসকলৰ এই দীৰ্ঘদিনীয়া সমস্যাক দূৰ কৰি উৎপাদিত সামগ্ৰীসমূহ বিদেশলৈ ৰপ্তানি কৰি কেনেকৈ অধিক লাভান্বিত হ'ব পাৰি, সেই সন্দৰ্ভত কৃষি বিজ্ঞানী, কৃষি বিষয়া আৰু বিভিন্ন বিভাগৰ সমল ব্যক্তিসকলে কৃষকসকলক বহলাই প্ৰশিক্ষণ দিয়ে। এই সন্দৰ্ভত কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বীগৰাকীয়ে সংবাদ মাধ্যমৰ আগত কয় যে "আজি আমাৰ কেন্দ্ৰত এপডা (APEDA) গুৱাহাটী আঞ্চলিক কাৰ্যালয়ৰ সহযোগত এই কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। বিদেশলৈ সামগ্ৰী ৰপ্তানি কৰাৰ ক্ষেত্ৰত ভাৰত চৰকাৰৰ কিছুমান বিশেষ নীতি-নিয়ম আৰু গুণগত মানদণ্ড (Quality Standard) ৰক্ষা কৰাটো অত্যন্ত প্ৰয়োজনীয়। এই অনুষ্ঠানৰ জৰিয়তে আমাৰ কৃষকসকলক সেই কাৰিকৰী শিক্ষা আৰু চৰকাৰী প্ৰক্ৰিয়া সমূহৰ বিষয়ে অৱগত কৰা হৈছে। ইয়াৰ ফলত কৃষকসকলে উচিত বজাৰ আৰু উপযুক্ত মূল্য লাভ কৰিবলৈ সক্ষম হ'ব, যিয়ে তেওঁলোকৰ অৰ্থনৈতিক ভেটি টনকিয়াল কৰিব।" গোৱালপাৰা জিলাত উৎপাদন হ'ব পৰা




কেইবাটাও উচ্চ মূল্যৰ প্ৰিমিয়াম শস্যক ৰপ্তানিৰ বাবে বাছনি কৰা হৈছে। বিশেষকৈ জিলাখনত সম্প্ৰতি উৎপাদিত হোৱা ক'কো (Cocoa), ভেনিলা (Vanilla), জালুক (Black Pepper) আৰু নালংগাৰ উন্নতমানৰ আনাৰসৰ (Pineapple) এক সুন্দৰ বজাৰ সম্ভাৱনীয়তা আছে। ইয়াৰ উপৰিও জিলাখনৰ পৰা ক'লা চাউল (Black Rice) আৰু জোহা ধান (Joha Rice) ৰপ্তানি কৰাৰ ক্ষেত্ৰতো চিন্তা-চৰ্চা কৰা হৈছে। কিয়নো আন্তঃৰাষ্ট্ৰীয় বজাৰলৈ সামগ্ৰী পঠিয়াবলৈ হ'লে বৃহৎ পৰিমাণৰ যোগান (Volume) সুনিশ্চিত কৰাটো জৰুৰী। প্ৰথম পৰ্যায়ত এইকেইবিধ শস্যক লৈ আঁচনি প্ৰস্তুত কৰা হৈছে আৰু পৰৱৰ্তী সময়ত কৃষকসকলৰ সৈতে মিলি ইয়াক অধিক ব্যাপক ৰূপ দিয়া হ'ব বুলি কেন্দ্ৰৰ তৰফৰ পৰা জনোৱা হয়। প্ৰশিক্ষণ অনুষ্ঠানটোত সমল ব্যক্তি হিচাপে ড° চাজু অধিকাৰী, কৃষি বিজ্ঞানী ড° হিতু চৌধুৰী, কৃষি বেঞ্জামিন কামানৰ লগতে গোৱালপাৰা জিলা কৃষি বিষয়া আৰু জিলা নাবাৰ্ডৰ (NABARD) এ জি এম (AGM) কাঞ্চনমনি গোহাই উপস্থিত থাকি কৃষক সকলক কাৰিকৰী আৰু বিত্তীয় দিশসমূহৰ সন্দৰ্ভত গঠনমূলক পৰামৰ্শ প্ৰদান কৰে। কৃষি বিজ্ঞান কেন্দ্ৰৰ এই প্ৰশংসনীয় পদক্ষেপে অনাগত দিনত জিলাখনৰ কৃষি খণ্ডলৈ এক নতুন জোৱাৰ আনিব বুলি আশা প্ৰকাশ কৰিছে সচেতন মহলে।

## মৰিগাঁও নগাবান্ধাত অবৈধ গৰু বজাৰ উচ্ছেদ

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ২৩ মে' ঃ লাহৰিঘাট-বৰচলা আৰক্ষীৰ অভিযানত গৰু সহ দুগৰাকী লেচিক আটক মৰিগাঁও জিলাৰ নগাবান্ধা অঞ্চলত আজি চলি থকা এক অবৈধ গৰু বজাৰৰ বিৰুদ্ধে লাহৰিঘাট আৰু বৰচলা আৰক্ষী প্ৰশাসনে যৌথভাৱে এক বিশেষ অভিযান চলাই উচ্ছেদ কৰে। গোপন সূত্ৰৰ তথ্যৰ ভিত্তিত চলোৱা এই অভিযানত আৰক্ষীয়ে বজাৰখনত উপস্থিত হৈ অবৈধভাৱে চলি থকা গৰু কেনাবেচাৰ সম্পূৰ্ণ ব্যৱস্থা ভংগ কৰে। অভিযানৰ সময়ত আৰক্ষীয়ে কেইবাটাও গৰু জব্দ কৰে। একে সময়তে এই অবৈধ ব্যৱসায়ৰ সৈতে জড়িত থকাৰ অভিযোগত দুগৰাকী লেচিক আটক কৰা হৈছে। আটক ব্যক্তিসকলক সোধপোছৰ বাবে আৰক্ষী থানালৈ নিয়াৰ লগতে ঘটনাটোৰ সৈতে জড়িত আন লোকৰ সন্ধান চলাই আছে আৰক্ষীয়ে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন